# ডিগবৈ মহাবিদ্যালয় আলোচনী



PRADIP KUMAR BORUAH
Digboi-786171, Assam
28 JUN 1984

# ডিগবৈ মহাবিদ্যালয় আলোচনী

৭ম সংখ্যা

১৯৮২-৮৩ চন

সম্পাদক

শ্ৰীনৰেন্দ্ৰ নাথ হাজৰিকা

# ডিগবৈ মহাবিদ্যালয় আলোচনী

৭ম সংখ্যা ঃ ১৯৮২-৮৩ চন

## সম্পাদনা সমিতি

পৃষ্ঠপোষক ঃ অধ্যক্ষ ডঃ প্ৰফুল্ল কুমাৰ ভূঞা

শিক্ষক উপদেষ্টা ঃ অধ্যাপক উপেন্দ্ৰজিৎ কোৱঁৰ
" তৰুণ চন্দ্ৰ হাজৰিকা

সভাপতি ঃ " মোহিনী কুমাৰ বৰদলৈ

সম্পাদক ঃ শ্ৰীনৰেন্দ্ৰ নাথ হাজৰিকা

সদস্য ঃ চৈয়দ মীৰমমতাজ হুচেইন
শ্ৰীমতী নীভা মহন্ত
শ্ৰীভৰত নেওগ

বেটুপাত আঁকিছে ঃ শ্ৰীপ্ৰমোদ তাম্বুলী

মুদ্ৰক ঃ শ্ৰীশিৱদাস তালুকদাৰ, সনেকা প্ৰেছ, ডিগবৈ।

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ হৈ শ্ৰীনৰেন্দ্ৰ নাথ হাজৰিকাৰ দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত।

# শ্বহীদ অঞ্জন কুমাৰ বৰঠাকুৰলৈ

## • শ্ৰদ্ধাঞ্জলী তৰ্পণ •

অপমীয়া জাতিয়ে অস্তিত্ব ৰক্ষাৰ কাৰণে যি সংগ্ৰাম কৰি আহিছে সেই সংগ্ৰামৰ সন্মুখীন হৈ চি, আৰ, পিৰ গুলীত নিহত হৈ শ্বহীদ হোৱা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ অঞ্জন কুমাৰ বৰঠাকুৰলৈ আমাৰ গভীৰ শ্ৰদ্ধাঞ্জলী নিবেদন কৰিলো।

**‘তোমাৰ জীৱনাদৰ্শ আমাৰ পাথেয় হওক’**

সম্পাদক

ডিগবৈ মহাবিদ্যালয় আলোচনী

১৯৮২-৮৩ চন

সম্পাদক, আলোচনী
ডিগবৈ মহাবিদ্যালয়।

আজি অসমৰ সন্ধিক্ষণত বিভিন্ন জনগোষ্ঠীৰ মাজত শান্তি, প্ৰীতি আৰু ঐক্যৰ বাণী যেন এই আলোচনীয়ে প্ৰকাশ কৰে। সমন্বয়ে হে দেশৰ সামগ্ৰিক প্ৰগতিক সহায় কৰে—

শুভকামনাৰে

ভূপেন হাজৰিকা
* ২৮।৪।৮৩ *

# এই সংখ্যাত অৰিহণা যোগাইছে

প্ৰবন্ধ ঃ

শ্ৰীস্বৰ্ণলতা গগৈ
শ্ৰীইলাৰাণী দেৱী
শ্ৰীঅমূল্য কুমাৰ শইকীয়া
শ্ৰীবিদ্যাধৰ চেতিয়া
শ্ৰীপ্ৰহ্লাদ কুমাৰ বড়া
শ্ৰীৰুবুল শইকীয়া
শ্ৰীভূইটী শইকীয়া
শ্ৰীপ্ৰেমধৰ ফুকন

কবিতা

শ্ৰীবাণু বৰুৱা
শ্ৰীজনাৰ্দন দাস
শ্ৰীৰণ্টু শইকীয়া
শ্ৰীজ্যোতিপাৰ্থ লুখুৰাখন
শ্ৰীউদয় বৰুৱা



গল্প

শ্ৰীবিনোদ কুমাৰ গগৈ

শ্ৰীমিনু শইকীয়া

শ্ৰীমনমন্দিৰ কৌৰ

শ্ৰীবৰুণ শইকীয়া

শ্ৰীভৰত নেওগ



লগতে

স্পাদকীয়—

নকৈ নোৱাৰো—

প্ৰশ্নোত্তৰ ?

বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন

# সম্পাদকীয়

আলোচনীৰ প্ৰয়োজনীয়তা ঃ—

কোনো এটা ভাষাত এখন আলোচনীৰ প্ৰয়োজনীয়তা কিমান এই বিষয়ে বহলাই কোৱা নিষ্প্ৰয়োজন। সাহিত্যই মানৱ জাতিৰ প্ৰতিবিম্ব স্বৰূপ। সাহিত্যৰ দ্বাৰাই মানৱ সভ্যতাক বিশ্লেষণ কৰিব পাৰি। সাহিত্য মানৱ জীৱনৰ মনুষ্যত্বৰ প্ৰহৰী। জাতিৰ সামগ্ৰিক উন্নতিৰ বাবে সাহিত্যৰ অৱদান অপৰিহাৰ্য্য। এই সাহিত্যই সমাজ সংস্কাৰ কৰিব পাৰে। এটা ভাষাত যিমানেই পুথি, আলোচনী প্ৰকাশ পায় সিমানেই সেই ভাষাৰ সাহিত্যৰ দিগন্ত প্ৰসাৰিত হয় আৰু সেই ভাষা কওঁতা জাতিটোৱে নিজকে সু-সভ্য জাতি হিচাপে বিশ্ব দৰবাৰত থিয় দিব পাৰে। সিও অতি পৰিতাপৰ বিষয় যে, আমাৰ অসমীয়া ভাষাত আলোচনীৰ সংখ্যা হাতৰ আঙুলীত গণিব পৰা। আমাৰ ভাষাত আলোচনী জন্ম দিয়েই মৃত্যুৰ মুখত পৰিবলগীয়া হয়। দুই এখন আলোচনীয়েহে দীৰ্ঘকালীন জীৱন অতিবাহিত কৰিব পাৰিছে। এতিয়া প্ৰশ্ন হল, আলোচনী বিলাক অতি শীঘ্ৰেই মৃত্যু প্ৰাপ্ত হয় কিয়? ইয়াৰ উত্তৰত পোনেই কব লাগিব আমাৰ, অসমীয়া ৰাইজে আমাৰ নিজস্ব ভাষা সাহিত্যৰ আলোচনীক আদৰ কৰিব নাজানে। আমাৰ ভাষাৰ আলোচনীখন পঢ়িবৰ বাবে আমাৰ পাঠকৰ অভাৱ। সচাঁই দুখ লগা কথা

আমাৰ অসমীয়া জাতিয়ে নিজক পাহৰি আনক অনুসৰণ কৰি তথাকথিত সভ্যতাৰ মাজলৈ গতি কৰিছে। আমি আমাৰ ভাষাত আলোচনী এখন কিনি পঢ়াৰ আগতেই দোকানত দেখিয়ে সমালোচনা কৰো। কিন্তু আন ভাষাৰ আলোচনী যেনে ঃ– ফিল্ম ফেয়াৰ, ফিল্মি দুনিয়া, প্ৰাইভেট লাইফ, দেহমন, ইট্ৰেভ ইত্যাদি বোৰ টেবুল সজাবলৈ হলেও আমি ক্ৰয় কৰো। অৱশ্যে মই এইটো কোৱা নাই যে আনৰ ভাষাৰ সাহিত্য অধ্যয়ণ কৰিব নালাগে। বিদেশী সাহিত্যৰ অধ্যয়ণৰ দ্বাৰাও বহু জ্ঞান আমি আৰ্জিব পাৰো। কিন্তু অৰ্ধনগ্নদেহাৰ নাৰী এগৰাকীৰ বিজ্ঞাপন স্বৰূপ বেটুপাতটি থকা আলোচনীয়ে আমাৰ মাজত অধিক স্থান পোৱাটো নিশ্চয় দুখ লগা বিষয়। কোনো এটা শিক্ষানুষ্ঠানৰ আলোচনীৰ প্ৰয়োজনীয়তা কিমান তাক সকলোৱে অনুমান কৰিব পাৰে। এটা শিক্ষানুষ্ঠানৰ আলোচনীখনে হয়তো কোনো মহৎ সাহিত্যিকৰ জন্ম দিব নোৱাৰিব পাৰে, কিন্তু ই ছাত্ৰসকলৰ হৃদয়ত সুপ্ত হৈ থকা অনুভূতিবোৰক জাগ্ৰত কৰি মহৎ সাহিত্যিক হোৱাৰ স্বপ্নত সাহস আৰু অনুপ্ৰেৰণা যোগায়। সেয়ে প্ৰয়োজন হয় একোটা শিক্ষানুষ্ঠানৰ একোখনি আলোচনীৰ, য'ত ছাত্ৰ-ছাত্ৰীসকলে নিজেই নিজৰ উপযুক্ততা পৰীক্ষা কৰি চাব পাৰে।

বৰ্তমান অসমৰ গণ আন্দোলন অসমবাসীৰ এক অপৰিহাৰ্য্য অঙ্গ ঃ

ছাত্ৰ শক্তি অপাৰ অজেয়। ছাত্ৰ শক্তি দেশৰ ধৰণী স্বৰূপ। সকলো ধৰণৰ লোকেই এই শক্তিক সমীহ কৰি চলে। সেয়ে জাতি তথা দেশৰ উন্নতি ছাত্ৰসকলৰ ওপৰতে বহুখিনি নিৰ্ভৰ কৰে। অসমৰ উন্নতিত ছাত্ৰসকলৰ অৱদান অসীম। স্বাধীনতা আন্দোলনৰে পৰা আৰম্ভ কৰি বৰ্তমানৰ গণ আন্দোলনলৈকে আমাৰ ছাত্ৰসকলৰ ৰক্তদান অব্যাহত হৈ আছে। বিধিৰ কি বিধান! আজিও মাতৃভূমি নানা সমস্যাৰে জৰ্জৰিত। আজি অসমৰ অৱস্থা এনে কিয়? একোটা ছাত্ৰ গোটৰে মুষ্টিমেয় তথা সিমিত ছাত্ৰই ৰেলেগ সংগঠনৰ নামত অসমৰ এই অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ বিপৰীতে কিছুমান অযুক্তিকৰ মন্তব্যৰে ছাত্ৰ তথা জনসাধৰণৰ মাজত বিভেদৰ বীজ সিঁচিবলৈ অহৰহ প্ৰচেষ্টা চলোৱা পৰিলক্ষিত হৈছে। কিন্তু আমাৰ কৃষক, শ্ৰমিক তথা সকলো শ্ৰেণীৰ ৰাইজেই নিজৰ জাতিৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই ককাঁলত টঙালি বান্ধি ওলাই আহিছিল অবৈধ নিৰ্বাচন প্ৰতিৰোধ কৰাৰ অৰ্থে। চৰকাৰৰ দমন নীতিক নেওচি

শত শত অসমপ্ৰেমী যুৱক-যুৱতী বুঢ়া-বুঢ়ীয়ে বন্দুক বেয়নেটৰ খোচ খোৱাৰ পৰা নিজৰ প্ৰাণ পৰ্য্যন্ত বিসৰ্জিলে। তথাপি তেওঁবিলাক পিছ হোঁহকি নাহল। সকলোবোৰ অনিল, মোজামিল, খৰ্গেশ্বৰৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ এক দেহাত মিলিত হল। তেওবিলাকে কৈ গৈছে–"হে অসমবাসী, তোমালোক ক্ষান্ত নহবা। আগবাঢ়া, আগবাঢ়া, তোমালোকৰ জয় অনিবাৰ্য্য।" সুস্থ হৈও বিদেশীৰ কবলত পৰি পঙ্গু হোৱা তোমালোকৰ শৰীৰটোক পুনৰ সজীৱ কৰিবলৈ এই সংগ্ৰামৰ পথেৰেই আগবাঢ়া।

অসমবাসীয়ে এই শ্বহীদসকলৰ অমৰ বাণীক কেতিয়াও পাহৰিব নোৱাৰে। ইয়েই আমাৰ জয় যাত্ৰাৰ পথ সুগম কৰি তুলিব।

আলোচনীখনৰ বিষয়ে ঃ

আলোচনীখন সময়মতেই আপোনালোকৰ হাতত দিবৰ বাবে আপ্ৰাণ চেষ্টা কৰা হৈছিল। আলোচনীখনৰ কাৰণে ছাত্ৰ–ছাত্ৰীসকলৰ পৰা যেনে ধৰণে লিখনি পাব লাগিছিল ঠিক তেনেদৰে পোৱা নগল। তথাপি মোৰ সম্পাদনাৰ এই আলোচনীখন সৰ্ব্বাঙ্গ সুন্দৰ কৰি তুলিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। কিন্তু কিমান খিনি ফলৱতী হব পাৰিছো সেয়া পাঠক শ্ৰেণীৰ বিচাৰৰ বিষয়। আলোচনীখন সম্পাদনা কৰাৰ দিশত আমাৰ মত আন এজনৰ লৈতে একে নহবও পাৰে। ক'ৰবাত কিবা ভুল ভ্ৰান্তি সংশোধন হবলগীয়া থকাটো খুবেই স্বাভাৱিক। সেয়ে অজানিতে কৰা দোষ ত্ৰুটি সহৃদয় পাঠকে আঙুলিয়াই দি ভৱিষ্যতলৈ সংশোধন হোৱাত সহায় কৰে তেন্তে কৃতাৰ্থ হম।

কৃতজ্ঞতা স্বীকাৰ ঃ

মই শ্ৰদ্ধাৰে সোঁৱৰিছো ঃ

* সন্মানীয় অধ্যক্ষ ডঃ প্ৰফুল্ল কুমাৰ ভূঞাঁদেৱ-পৃষ্ঠপোষক।
* অধ্যাপক মোহিনী কুমাৰ বৰদলৈ – সভাপতি।
* অধ্যাপক তৰুন চন্দ্ৰ হাজৰিকা, উপেন কোঁৱৰ – শিক্ষক উপদেষ্টা। যি কেইজনে বহুমূলীয়া সময় খৰছ কৰি আলোচনীখন বৰ্ত্তমান ৰূপত প্ৰকাশ কৰোতে প্ৰতি খোজতে মোক দিহা পৰামৰ্শ দি ছাঁৰ দৰে আছিল।
* ডঃ মহেন্দ্ৰ বৰা, ডিব্ৰুগড় বিশ্ববিদ্যালয়।
* শ্ৰীশিৱদাস তালুকদাৰ, শ্ৰীঅজিত বড়া, শ্ৰীলীলা বড়া, শ্ৰীনৰেন হাজৰিকা যি কেইজনে মোক উৎসাহিত কৰাত অৰিহণা যোগাইছিল।

* শ্রীযুত বৰুণ দেৱ, শ্রীযুত অজিত ফুকন, অধ্যাপক হিতেন শৰ্ম্মা, সমৰেন্দ্র ভাগৱতী এইসকলে সাধাৰণতে হোৱা আলোচনীৰ দোষ ত্রুটিবোৰ আঙুলিযাই দি মোক সতর্ক হবলৈ উপদেশ দিছিল।

* শ্রীপ্রমোদ তামুলী যিজনে নওঠা আলোচনীখনক চোলা পিন্ধাই শুৱনি কৰি তুলিলে।

* বিভিন্ন দিশত সহায় কৰোতা ঃ

শ্রীঅমল শৰ্ম্মা, প্রহলাদ বড়া, পূণ্যেশ্বৰ গগৈ, ভৰত নেওগ, ৰমেশ শৰ্ম্মা, কৃষ্ণ শইকীয়া, যোগেন পাটোৱাৰী, টিপু হাজৰিকা, অচিন্ত শইকীয়া, মিৰ মমতাজ হুছেইন, মহেন্দ্র অহিৰ, গুণীন গগৈ, ৰঞ্জিত গোহাঁই, ভোলা কাকতী, কৃষ্ণ ডেকা, নিধোৰাম সোনাৰ, টঙ্কনাথ শৰ্ম্মা, খিম বাহাদুৰ সোনাৰ, ৰাজেন্দ্র সিং, টিকাৰাম থাপা, বুথিন শইকীয়া, চন্দ্রকান্ত সোনোৱাল, প্রণৱ গগৈ, বর্ণালী চেতিয়া, দিপালী গোহাঁই, নিভা মহন্ত, অজন্তা গগৈ, বিজিতা গগৈ, দিপ্তী ভাগৱতী, দিপ্তী তামুলী, ৰৌজী বেগম, ৰূপা বৰুৱা, অৰুন্ধতী বৰুৱা, দিপীকা গোহাঁই, অমলা বৰপূজাৰী, প্রতিভা বৰুৱা।

নোৱাৰিলো ঃ

মহাবিদ্যালয় ছাত্র-ছাত্রীসকলৰ পৰা আলোচনীত প্রকাশ কৰিবৰ বাবে সংগ্রহ কৰা সকলোবিলাক লিখনি আৰু ফটো সম্পাদনা সমিতিত মনোনীত কৰিব নোৱাৰাৰ বাবে প্রকাশ কৰিব নোৱাৰিলো।

উপসংহাৰ ঃ

মোৰ কাৰ্য্যকালত আপোনালোকৰ সেৱা মই কেনে ধৰণে কৰিলো সেইয়া আপোনালোকে বিচাৰ কৰিব। কিন্তু মই যেনে ধৰণেৰে কৰিম বুলি ভাবিছিলো তেনে ধৰণে বিভিন্ন কাৰণত জৰস্থাত পৰি কৰিব নোৱাৰিলো। তাৰ কাৰণে দুঃখ প্রকাশ কৰিছো। যেনে ধৰণেই নহওঁক লাগে সময়মতে আলোচনী আপোনালোকৰ হাতত তুলি দিব পৰাৰ বাবে মই অলপ হলেও আনন্দ উপভোগ কৰিছো। সৰ্ব্বশেষত আপোনাক মোৰ প্রীতি ভৰা মৰম সেৱা জনাই সম্পাদকীয় সামৰিলো।

জয়তু ডিগবৈ মহাবিদ্যালয় আলোচনী।

নৰেন্দ্র কুমাৰ হাজৰিকা।

সম্পাদক, আলোচনী বিভাগ।

# সন্দিকৈ কৃষ্ণকান্ত

শ্ৰীস্বৰ্ণলতা গগৈ, এম, এ
উপাধ্যক্ষা, ডিগবৈ মহাবিদ্যালয় ।

অলকানন্দাৰ কবি পদ্মশ্ৰী নলিনীবালা দেৱীৰ এফাঁকি কবিতাতেই সন্দিকৈ কৃষ্ণকান্তৰ পৰিচয় পোৱা যায়–

"মহীয়ান দানবীৰ পিতৃৰ সন্তান!
নোহোৱা মাথোন তুমি অসম গৌৰৱ
ভাৰত গৌৰৱ তুমি! বিশ্বৰ জ্ঞান-মন্দিৰত"।

কৃষ্ণকান্ত কেৱল অসমৰেই নহয়, ভাৰতৰো নহয়– তেওঁ হৈছে বিশ্ববিশ্ৰুত পণ্ডিত কৃষ্ণকান্ত। পদ্মশ্ৰী, পদ্মভূষণ বুলি সন্দিকৈক চিনাকি দিয়াৰ প্ৰয়োজন নাই। তেওঁৰ জ্ঞানৰ পোহৰত এইবিলাক উপাধি যেন ম্লান হৈ পৰে। এইজনা ব্যক্তিৰ পাৰ্থিব খ্যাতিৰ প্ৰতি কোনো মোহ নাই। ডান্টেৰ মহান বাণী "পাৰ্থিব খ্যাতি বতাহৰ নিশ্বাসৰ বাহিৰে একো নহয়" – এই কথাত তেওঁৰ অগাধ বিশ্বাস আছিল। সেই কাৰণেই তেওঁ 'পদ্মভূষণ' উপাধিৰ কাৰণে পোৱা চনদখন আৰু দুটা স্বৰ্ণপদক আব্দুছ ছাত্তাৰক মৰমৰ চিনস্বৰূপে সংৰক্ষণ কৰিবলৈ ভাৰ দিলে। সেই অমূল্য বস্তুকেইপদ পৰিয়ালৰ কাৰো হাতত গটাই দি থৈ যোৱা নাছিল। সন্দিকৈৰ জীৱন-কালতে জীৱনী প্ৰণেতা সাহিত্যিক আব্দুছ ছাত্তাৰক সন্দিকৈয়ে তেওঁৰ জীৱন-নীতি সম্বন্ধে কৈ যোৱা তিনিষাৰ কথাই এইজনা মহান ব্যক্তিৰ ব্যক্তিত্ব আৰু সংযত চৰিত্ৰৰ ছবিখন চকুৰ আগলৈ আনি দিয়ে। এই কথাকেইষাৰ হ'ল—

(১) তেখেতৰ সম্বন্ধে কোনেও একো নকলেই আটাইতকৈ বেছি ভাল পায়।

(২) নিন্দাবাদ কৰিলে তেখেতে তুচ্ছ-জ্ঞান কৰে।

(৩) অলপ বেছিকৈ প্ৰশংসা কৰিলে তেখেতে তোষামোদ কৰা বুলি ভাবে।

এইকেইষাৰ কথাকে আমি সাধাৰণ মানুহে বেলেগ ভাবে লওঁ। আমাৰ কথা আনে কোৱাটো আমি মনে মনে বিচাৰো। তেতিয়া নিজকে সমাজৰ উচ্চ খাপৰ ব্যক্তি বুলি গৰ্ব হয়। আকৌ নিন্দাবাদত আমি উচাপ খাই উঠো। আমাৰ প্ৰশংসা কাগজে পত্ৰই ওলাবলৈ আমি বাতৰি কাকতৰ খবৰ যোগনীয়া সকলক অনুৰোধ কৰো। কিন্ত সন্দিকৈ আছিল এই-বিলাকৰ উৰ্দ্ধত। সেয়েহে সাধাৰণৰ মাজতে থাকিও কৃষ্ণকান্ত অসাধাৰণ ব্যক্তি। তেওঁৰ ব্যক্তিত্বৰ ঘাই লক্ষণ হৈছে— আত্ম-বিশ্লেষণ আৰু আত্ম-সমালোচনা। এই দুটি মহান গুণৰ অধি-কাৰী কেইজন হব পাৰে? তেওঁ এজন মহান ব্যক্তি বুলিয়ে নিজে কৰা কামৰ নিজেই বিশ্লেষণ

কৰি কি কৰা উচিত আছিল আৰু কি কৰা নহল তাৰ সমালোচনাৰে ভুল শুধৰাবলৈ যত্নপৰ হৈছিল। এই সকলোৰে মূলতে হৈছে নৈতিকতাৰ ওপৰত সন্দিকৈৰ অগাধ ভক্তি আৰু শ্ৰদ্ধা। এনে বলিষ্ঠ নৈতিক চৰিত্ৰৰ ব্যক্তি আজি সমাজত কেইজন ওলাব? সচাঁক সচাঁ বুলি কবলৈ মানুহৰ আজি নৈতিক সাহসৰ অভাৱ - যেন ই এটা মহাপাপ।

অসমৰ প্ৰথম বিশ্ববিদ্যালয় গুৱাহাটীৰ প্ৰথম উপাচাৰ্য্য সন্দিকৈ ডাঙৰীয়াই শিক্ষাজগতত নতুন পোহৰ বিলাবলৈ অহোপুৰুষাৰ্থ কৰিছিল। শিক্ষাৰ মান কেনেকৈ উন্নত হয় তাৰ তেওঁ পৰিকল্পনা কৰিছিল। সেই সময়তে তেওঁ শিক্ষাৰ মূল কেৰোণ সমূহ লক্ষ্য কৰি লিখিছিল। —" Under the existing conditions the teachers themselves are the product of a vitiated system. The students depend upon Notes and Aids and similar products of a commercialized book-market. In England the students have to read the prescribed text-books as Notes and help-books are not available in that country". শিক্ষাৰ এই কেৰোণ সমূহেই আমাৰ উঠি অহা ছাত্ৰ-ছাত্ৰীহঁতক গ্ৰাস কৰি এক অন্ধকূপত প্ৰবেশ কৰাইছে। আজি আমাৰ স্কুল-কলেজৰ সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰী ৰেই মূল পাঠ্য-পুথিৰ লগত সম্বন্ধ নাই। পৰীক্ষাৰ নামত পৰীক্ষাঘৰত ছাত্ৰ-ছাত্ৰীৰ হাঁহাকাৰ। কি ইংৰাজী, কি মাতৃভাষা কতো এশাৰী শুদ্ধ বাক্য, শুদ্ধ বানানেৰে লিখাৰ ক্ষমতা নাই। কোনোবা অদৃশ্ট শক্তিৰ সহায়ত এনে ছাত্ৰ-ছাত্ৰী বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লৈ ওলাই আহিছে - পুনৰ এওঁলোকেই স্কুল-কলেজত শিক্ষকতা কৰিছে। সন্দিকৈ উপাচাৰ্য্য হৈ থকা কালছোৱাত উচ্চ মান-দণ্ডৰ শিক্ষাদানৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। সেয়েহে কোনোজনক শিক্ষকতাৰ পদত নিযুক্তি দিয়াৰ সময়ত প্ৰাৰ্থীৰ অৰ্হতা পুংখানুপুংখভাবে পৰীক্ষা কৰিছিল। কাৰণ তেওঁ ভাবিছিল "শিক্ষাদান মহাদান"। কিন্তু তেখেতে আক্ষেপ কৰি কৈছিল যে বিশ্ববিদ্যালয়ত শিক্ষাদান কৰা সকলৰ ভিতৰত ধনৰ মোহ ইমান প্ৰবল বুলি তেওঁৰ কেনো আগতে ধাৰণা নাছিল। কিন্তু ই স্বীকাৰ্য যে তেওঁৰ যত্নতেই গুৱাহাটী বিশ্ববিদ্যালয় ভাৰতৰ অন্যান্য বিশ্ব-বিদ্যালয়ৰ সমপৰ্য্যায়লৈ উন্নীত হল। সন্দিকৈৰ পাণ্ডিত্যাই ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণকো মোহিত কৰিছিল। ৰাধাকৃষ্ণণে তেওঁক 'এজন মহান পণ্ডিত" বুলি স্বীকাৰ কৰি গৈছে। তেওঁৰ গভীৰ অধ্যয়ন আৰু নীৰৱ সাধনাৰ কাৰণেই ভাৰতৰ শিক্ষাবিদ আৰু পণ্ডিত সমাজে সন্দিকৈক শ্ৰদ্ধা আৰু সমাদৰ কৰে।

সন্দিকৈৰ জীৱনজোৰা সাধনাৰ ফল তিনিখন গ্ৰন্থ। লেখত নিচেই কম কিন্তু এয়া তেওঁৰ জীৱনৰ শ্ৰম আৰু সাধনাৰ অমৃত ভাণ্ডাৰ। ইয়াৰে দুখন সংস্কৃত গ্ৰন্থ আৰু এখন প্ৰাকৃত গ্ৰন্থ— (১) শ্ৰীহৰ্ষৰ নৈষধ চৰিতৰ ইংৰাজী অনুবাদ। নৈষধচৰিত সংস্কৃতৰ পঞ্চ-মহাকাব্যৰ ভিতৰত অন্যতম। আন চাৰিখন মহাকাব্য হল— কালিদাসৰ ৰঘুবংশ আৰু

'কুমাৰ সম্ভৱ', ভাৰবিৰ 'কিৰাতাৰ্জুনীয়' আৰু মাঘৰ 'শিশুপালবধ'। নৈষধচৰিত মহাকাব্যৰ বিষয়বস্তু হৈছে নল - দময়ন্তীৰ কাহিনী। ১৯২৭ চনৰ পৰা ১৯৩৪ চনলৈকে সাত-বছৰ কাল অধ্যয়ন কৰি সন্দিকৈদেৱে এই পুথি মুদ্ৰিত কৰি পণ্ডিত সমাজৰ সমাদৰ লাভ কৰে। (২) দ্বিতীয় গ্ৰন্থখন হৈছে যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি। ১৯৪৯ চনত এই মহৎ গ্ৰন্থখনি প্ৰকাশ হয়। এইখন এখন চম্পুকাব্য। ইয়াত গদ্য আৰু পদ্য উভয়তে সমান গুৰুত্ব দিয়া হৈছে যাৰ ফলত এটি সুকীয়া সাহিত্যিক সৌন্দৰ্য্য ফুটি উলায়। যশস্তিলকৰ ৰচক হৈছে পণ্ডিত সোমদেৱ। তেওঁ কবি আৰু দাৰ্শনিক। সন্দিকৈদেৱে এই গ্ৰন্থখনত উল্লিখিত জৈন ধৰ্ম্মৰ বিভিন্ন দিশ, দশম শতিকাৰ ভাৰতীয় দৰ্শন আৰু সংস্কৃতিৰ বিষয়ে বিশদভাৱে আলোচনা কৰিছে। (৩) তৃতীয় গ্ৰন্থখন হৈছে প্ৰৱৰসেনৰ 'সেতুবন্ধৰ' ইংৰাজী অনুবাদ। এই গ্ৰন্থখন প্ৰকাশ হয় ১৯৭৬ চনত। প্ৰাকৃতত ৰচিত এইখনেই প্ৰাচীনতম মহাকাব্য। এই গ্ৰন্থত হনুমানে সীতাৰ বাৰ্তা লৈ লঙ্কাৰ পৰা ঘূৰি অহাৰ পৰা ৰাৱণক বধ কৰালৈকে সমস্ত কথা আৰু কাহিনীভাগ নতুনকৈ কোৱা হৈছে। এই তিনিখন গ্ৰন্থই হৈছে সন্দিকৈদেৱৰ জ্ঞান-সাধনাৰ অক্ষয় কীৰ্তি যি চিৰযুগমীয়া হৈ ৰব। কিন্তু সন্দিকৈদেৱে নিজে ভাবিছিল যে সময়ত অনেক শিক্ষানুৰাগী ব্যক্তিয়ে আৰু বহুতো মূল্যবান গ্ৰন্থ লিখি উলিয়াই নতুন তথ্য আবিস্কাৰ কৰিব। গতিকে এইবোৰৰ কাৰণে কাৰোবাক 'পণ্ডিত', 'পণ্ডিত প্ৰৱৰ' এনে বিশেষণেৰে বিভূষিত কৰাটো অৰ্থশূণ্য।

সন্দিকৈ আছিল এজন ভাষাবিদ। তেওঁ অসমীয়া, বাংলাৰ বাহিৰেও দেশী-বিদেশী এঘাৰটা ভাষা জানিছিল। তাৰে সৰহভাগেই ইউৰোপীয় ভাষা। এই ভাষাবিলাক হৈছে— সংস্কৃত, পালি, প্ৰাকৃত, ইংৰাজী, জাৰ্মান, ইটালিয়ান, ফৰাচী, স্পেনিছ, ৰুচ, লেটিন আৰু গ্ৰীক। তেওঁৰ ব্যক্তিগত পুথিভঁৰালত পঞ্চাশটা আলমাৰী ৰেক— প্ৰায় তিনিলাখ টকা মূল্যৰ অমূল্য গ্ৰন্থৰে ভৰপূৰ। এই কিতাপসমূহ তেওঁ কেৱল সংগ্ৰহ কৰাই নহয়, গোটেই জীৱনটোত প্ৰত্যেকখন কিতাপ পঢ়ি তাৰ ৰসামৃত পান কৰি গল। এই অপুৰুণীয়া পুথিভঁৰালটি সন্দিকৈদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ক উৎসৰ্গা কৰি শিক্ষাজগতত গৱেষণাৰ বাট মুকলি কৰি থৈ গৈছে। আমি আশা কৰিছো, গুৱাহাটী বিশ্ববিদ্যালয়ে এই অমূল্য গ্ৰন্থাগাৰটি অতি যতনে সংৰক্ষণ কৰিব।

সাতবছৰ কাল বিদেশত শিক্ষা লাভ কৰিও এইজনা ব্যক্তি আছিল সম্পূৰ্ণ ভাৰতীয় -- হাড়ে-হিমজুৱে অসমীয়া। সেয়েহে তেওঁৰ সাজ-পাৰ নিভাঁজ অসমীয়া-- থোৰ মৰা চুৰীয়া, কান্ধত গুণাৰ ফুলবছা চেলেং, ডিঙিলৈকে বুটাম মৰা কোট-চোলা, হাতত লাখুটি। পণ্ডিত প্ৰৱৰ কৃষ্ণকান্ত আছিল প্ৰচাৰবিমুখ, একাডেমিক ঋষি। তেওঁ আছিল স্থিতপ্ৰজ্ঞ জ্ঞান-সাধক। চিৰসুন্দৰৰ আৰাধনাই আছিল তেওঁৰ জীৱনৰ ব্ৰত। লক্ষ্মীৰ বৰপুত্ৰ হৈও তেওঁ আছিল মিতব্যয়ী আৰু হিচাবি-- খৰছত হিচাবি, কথা-বতৰাতো

হিচাবি। 'সময়ৰ টিকনিডাল আগফালে' এই কথা মৰ্মে মৰ্মে উপলব্ধি কৰিছিল কৃষ্ণকান্তই --সেয়েহে তেওঁ অলাগতীয়াল কথা পাতি সময় নষ্ট নকৰিছিল। ঘড়ীৰ কাটাডাল সদায় আগ বঢ়াই থৈহে কাম কৰিছিল। এইজনা অসা-ধাৰণ পুৰুষে ফুল বৰ ভাল পাইছিল। হাতত কটাৰী আৰু টৰ্চ লৈ ৰাতি ফুল চাই বিমল আনন্দ উপভোগ কৰিছিল। গৰু-ছাগলীয়ে ফুলগছ নষ্ট কৰিলে তেওঁ বৰ অশান্তি অনুভৱ কৰিছিল। ফুলৰ দৰেই তেওঁ পবিত্ৰ, ফুলৰ দৰেই তেওঁ কোমল, ফুলৰ দৰেই তেওঁ সুন্দৰ।

এইজনা অসমী আইৰ সুযোগ্য সন্তানে ৮৪ বছৰ বয়সত ১৯৮২ চনৰ সাত জুন পুৱা ১০ বাজি ২০ মিনিট যোৱাত ডিব্ৰুগড়ৰ জি, এম, হাস্পতালত চিৰশান্তিৰ শেষনিশ্বাস পেলালে। কিন্তু থাকি গল তেওঁৰ অমৰ খ্যাতি, উচ্চ আদৰ্শ আৰু নিৰ্মল চৰিত্ৰৰ উজ্জ্বল পোহৰ।

'ভাগি গ'ল বীণখনি ছিগি গ'ল তাঁৰ,
ৰৈ গ'ল অৱশেষ অমিয় জোঁকাৰ।'

মোৰ জীৱনটো এগচি সৰু চাকি নহয়, ই মই উত্তৰাধিকাৰী সূত্ৰে পোৱা জ্বলি থকা টৰ্চ লাইটহে। ভৱিষ্যত বংশধৰসকললৈ ই হস্তগত হোৱাৰ আগতে মই তাক অধিক উজ্বল কৰি তুলিম।

—জৰ্জ বাৰ্ণাৰ্ড শ্ব

# অসমীয়া ভাষাৰ বিকাশ সাধনত আমাৰ দায়িত্ব আৰু কৰ্ত্তব্য

শ্ৰীমতী ইলা ৰাণী দেৱী ।
স্নাতক, ১ম বাৰ্ষিক (বিজ্ঞান)

অসমৰ সাম্প্ৰতিক পৰিস্থিতিত দৈনন্দিন জীৱন নিৰ্ব্বাহৰ চিন্তা বাদ দিলেই আমাৰ মনলৈ প্ৰথমেই আহে অসমৰ বৰ্ত্তমান সমস্যাৰ চিন্তা। অবৈধ বিদেশী বহিৰাগতই অসমৰ সাৰুৱা মাটিৰ ওপৰত যিদৰে নীৰৱ আক্ৰমণ চলাইছে সেইদৰে আক্ৰমণ কৰিছে অসমৰ ভাষা সংস্কৃতিক। এনে সংকটপূৰ্ণ মুহূৰ্ত্তত অসমীয়া ভাষাৰ কালে চকু দিয়াটো প্ৰতিজন সমাজ সচেতন লোকৰে দায়িত্ব আৰু কৰ্ত্তব্য। অন্যথাই অসমীয়া ভাষা এদিন সমগ্ৰ ভাৰতৰ পৰা কিয় অসমৰ পৰাই বিলুপ্ত হৈ যাব।

চৰকাৰৰ পক্ষৰ পৰা অসমীয়া ভাষাক ১৯৬০ চনৰ পৰা বিভিন্ন স্তৰত চৰকাৰী ভাষা হিচাবে স্বীকৃতি দিছে বহুতো আন্দোলনৰ পাছত। অতিকৈ পৰিতাপৰ কথা যে, এখন ৰাজ্যত বাস কৰা সৰহভাগ লোক অসমীয়া। তেওঁলোকৰ কথিত ভাষা অসমীয়া। অথচ সেইসকল মানুহে তেওঁলোকৰ নিজৰ ৰাজ্যত নিজৰ কথিত ভাষাক ৰাজ্যভাষা হিচাপে স্বীকৃতি দিবলৈ আন্দোলন কৰিব লাগে। ইয়াৰ পৰাই আমি চৰকাৰী পক্ষৰ অসমীয়া ভাষাৰ প্ৰতি থকা চেনেহৰ অনুমান কৰিব পাৰোঁ। বিভিন্ন স্তৰত চৰকাৰী ভাষা হিচাবে স্বীকৃতি লাভ কৰিলেও কিছুমান প্ৰতিক্ৰিয়াশীল লোকৰ চক্ৰান্তত বহুতো মহলত অসমীয়া ভাষাৰ অৱস্থা নাজল-নাথল। আনকি অসমৰে এখন জিলা কাছাৰৰ পৰা অসমীয়া ভাষা সম্পূৰ্ণভাৱে নিৰ্বাসিত হৈছে। ভাষাৰ প্ৰসংগত বিভিন্ন লোকেই চৰকাৰক কাকতে পত্ৰই তীব্ৰ সমালোচনা কৰিছে যদিও, বাস্তৱ ক্ষেত্ৰত ই অৰ্থহীন। আজিৰ যুগ সমালোচনাৰ যুগ নহয়। প্ৰতিক্ৰিয়াশীল শক্তি সমূহক গুৰিতে নিৰ্ম্মূল কৰি প্ৰত্যেকজন অসমপ্ৰেমী ব্যক্তিয়েই অসমীয়া ভাষাৰ উন্নতিলৈ চকু দিয়া প্ৰয়োজন।

কিছুমান নিৰ্দ্দিষ্ট আইনে ভাষা সাহিত্যৰ

উন্নতি কৰিব নোৱাৰে । গতিকে ভাষাৰ উন্নতিৰ বাবে চৰকাৰৰ ওচৰত আবেদন নিবেদনে কোনো ফল নিদিয়ে- তাতে চৰকাৰ যদি দায়িত্বহীন হয় । গতিকে ৰাজ্যভাষা হিচাবে অসমীয়া ভাষাৰ প্ৰয়োগ আৰু উন্নতিৰ বাবে আমি চৰকাৰক সমালোচনা কৰাৰ লগতে ব্যক্তিগত ভাৱে আমি গ্ৰহণ কৰিব পৰা ভূমিকা আৰু দায়িত্বৰ প্ৰতিও সজাগ থাকিব লাগিব । অসমত অসমীয়া ভাষাৰ উন্নতি হবলৈ হলে প্ৰত্যেক অসমীয়া তথা অসম প্ৰেমী লোকৰে অতীব প্ৰয়োজন—মাতৃভাষাৰ প্ৰতি সশ্ৰদ্ধ অনুৰাগ আৰু ঐকান্তিক আগ্ৰহ ।

এনে কোনো অধম পুৰুষ আছেনে, যি নিজৰ মাতৃভাষা অসমীয়াক নীচাত্মিকাবোধৰ বাবে "মোৰ মাতৃভাষা" বুলি কবলৈ লাজ পায়? যিয়ে নিজৰ মাতৃভাষাৰ উৎকৰ্ষ সাধন নকৰি ধ্বংসৰহে কামনা কৰে ? নিশ্চয় আছে । অন্ততঃ বৰ্ত্তমান অসমৰ পৰিস্থিতিত এনে বহুতো ব্যক্তি আমাৰ দৃষ্টিগোচৰ হৈছে । সেইসকলে নিজৰ ভাষা সংস্কৃতিৰ লগতে নিজৰ মাতৃভূমিকে বিদেশীৰ হাতত বেচিবলৈ কুণ্ঠিত নহয় একমাত্ৰ ক্ষমতাৰ বাবেই । এনে প্ৰতিক্ৰিয়াশীল চক্ৰৰ পৰা আমি সততে সাৱধান হোৱা উচিত । অসমীয়া আৰু অসম প্ৰেমী প্ৰতিজন ব্যক্তিৰেই নিজা ভাষা সংস্কৃতিৰ প্ৰসাৰ আৰু উৎকৰ্ষৰ ক্ষেত্ৰত মহান কৰ্ত্তব্য থকা উচিত । মাতৃভূমিৰ এনে সংকটপূৰ্ণ মুহূৰ্ত্তত সেই কথা বিচাৰৰ গুৰুত্বপূৰ্ণ সময় আহি পৰিছে । প্ৰকৃততে, এনে এটা বিষয় আলোচনাৰ বাবে লোৱাটো অস্বাভাৱিক । নিজৰ মাতৃভাষাৰ জীৱন শলিতা নুমুৱাই যোৱাৰ পৰা ৰক্ষা কৰিবলৈ মূৰ ঘমোৱা বিষয়টো হাস্যকৰ । কিন্তু আজি অসমৰ যি পৰিস্থিতি, প্ৰতি মুহূৰ্ত্ততেই বিদেশী আক্ৰমণৰ ভাবুকি, অসমৰ মাটি-বালি, ভাষা, সংস্কৃতি সকলোতে বিদেশীৰ প্ৰাদুৰ্ভাৱ । সিহঁতক প্ৰতি মুহূৰ্ত্তত সহায় কৰিছে চৰকাৰ তথা নিজকে বুদ্ধিজীৱী বুলি ভবা এচাম মানুহে । গতিকে এনে পৰিস্থিতিত আমি প্ৰত্যেক অসম প্ৰেমী ব্যক্তিয়েই অসমীয়া ভাষাক বিদেশীৰ গৰাহৰ পৰা বচাই ৰাখি ইয়াৰ বিকাশ আৰু প্ৰচাৰত আত্মনিয়োগ কৰা প্ৰয়োজন । এই বিষয়ত প্ৰতিজন ব্যক্তিকেই সচেতন কৰি তোলাৰ বাবে প্ৰয়োজন হৈছে- এনে প্ৰকাশ্য আলোচনাৰ ।

ৰাজ্যভাষা হিচাবে অসমীয়া ভাষা প্ৰবৰ্ত্তন কৰাৰ ক্ষেত্ৰত আমাৰ অগ্ৰজ সকলে যি তৎপৰতা গ্ৰহণ কৰিছিল এতিয়া ভাষাৰ বিকাশ তথা প্ৰচাৰৰ বাবে তাৰ চাৰিগুণ তৎপৰতা দেখুওৱা প্ৰয়োজন । নহলে হয়তো চৰকাৰৰ বঙাফিটাৰ মেৰপাক, বদনৰূপী ঘৰ-বিভীষণ আৰু অসম বিৰোধী লোক এই ত্ৰিমূৰ্ত্তিৰ প্ৰচেষ্টাত অসমীয়া ভাষাৰ জীৱন বন্তি চিৰদিনৰ বাবে নুমাই যাব । বিষয়টো চিন্তনীয় । গতিকে এনে পৰিস্থিতিত বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান, সমাজ সেৱাৰ সংঘ আদিৰ বাহিৰেও ব্যক্তিগত ভাৱে আমি কি ব্যৱস্থা লব পাৰো তাক আলোচনা কৰা প্ৰয়োজন ।

নিজৰ মনৰ ভাব প্ৰকাশ কৰিব পৰাকৈ এটা ভাষা আমি দৈনন্দিন জীৱনৰ বিভিন্ন অভি—

জতাৰ পৰা শিকিব পাৰো । গতিকে আমি অসমলৈ অহা অনা অসমীয়া নৰাগত সকলক উক্ত পদ্ধতিৰেই অসমীয়া ভাষা কোৱা আৰু বুজি পোৱা কৰি তুলিব পাৰো। হাট-বজাৰত ৰেল-বাচত ভ্ৰমণ কৰোতে, চাহৰ দোকান হোটেল বা ৰেষ্টোৰা ইত্যাদিত আমি বিভিন্নভাষী লোকক লগ পোৱাৰ সুযোগ পাওঁ । তেওঁলোকৰ লগত আমি বন্ধুত্ব সূচক ভাবৰ আদান প্ৰদান কৰো। বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা কৰো । গতিকে উক্তলোক সকলৰ লগত আমি সততে যি ভাষিক মাধ্যম ব্যৱহাৰ কৰো তাৰ এক বিশেষ গুৰুত্ব আৰু সুদূৰ প্ৰসাৰী প্ৰভাৱ আছে। বিভিন্ন ক্ষেত্ৰত লগ পোৱা এই বিভিন্ন ভাষী লোক সকলৰ লগত আমি তেওঁলোকৰ মাতৃ-ভাষাকেই ভুল-শুদ্ধকৈ আমি আমাৰ ভাবৰ আদান প্ৰদান কৰাটো আমাৰ এটা পুৰণি কলীয়া অভ্যাস । বঙালী লোকৰ লগত আমি ভুলকৈ বঙলা ভাষা কওঁ । বিহাৰী আৰু উত্তৰ প্ৰদেশৰ মানুহৰ লগত অশুদ্ধকৈ হলেও আমি হিন্দীভাষা কবলৈ যত্ন কৰো । অৱশ্যে ইয়াৰ মাজেৰে আমাৰ এটা বহল মনৰ পৰিচয় ফুটি উঠাৰ লগতে আমি বিভিন্ন ভাষা শিকিব পাৰো। বিভিন্ন ভাষা কব পৰা আৰু বুজি পোৱাত আমাৰ উপকাৰেই বেছি, আমাৰ এক গৌৰৱৰ কাৰণো । কিন্তু আমাৰ ৰাজ্যৰ নিজা ভাষা সংস্কৃতিৰ এনে বিপন্ন অৱস্থাত নিজৰ ভাষাৰ পানীত হাঁহ নচৰা অৱস্থা কৰি আনৰ ভাষা কবলৈ যোৱাটো মূৰ্খামিৰহে পৰিচায়ক। মাতৃভূমিৰ সংকটৰ সময়ত আমি নিজৰ ভাষা টনকিয়াল কৰিহে আনৰ ভাষা শিকাৰ আগ্ৰহ কৰিব লাগে । তাৰোপৰি, আমি অনা অসমীয়া ভাষী এজন লোকৰ লগত তেওঁৰ মাতৃভাষাতে কথা পাতিবলৈ যত্ন কৰি আমাৰ ভাষা শিক্ষাৰ পৰা তেওঁক বঞ্চিত কৰো । ফলত তেওঁ চিৰ-দিন অসমত বাস কৰিও অসমীয়া ভাষা নজনাকৈয়ে থাকিব । যি দেশৰ মাটিত লালিত পালিত হয়, যি দেশৰ মাটিৰ উৎপন্ন বস্তুৰে দৈনিন্দিন জীৱন নিৰ্বাহ কৰে, সেই দেশৰ ভাষা সংস্কৃতিক শ্ৰদ্ধা কৰাটো প্ৰত্যেক অসমবাসী লোকৰে কৰ্ত্তব্য । অন্যথাই তেওঁৰ অপৰাধ অক্ষমনীয় ।

আমাৰ মাতৃভাষা ৰক্ষাৰ কাৰণে আমি পুৰণিকলীয়া মনোভাৱ সলনি কৰি নতুন দৃষ্টি ভংগীৰে চোৱাটো প্ৰয়োজন হৈ পৰিছে। অন্ততঃ অসমৰ চাৰিসীমাৰ ভিতৰত আন ভাষা ভাষী লোকৰ লগত ভাবৰ আদান প্ৰদান কৰোতে ভাষিক মাধ্যম হিচাপে অসমীয়া ভাষা ব্যৱহাৰ কৰাটো বাধ্যতামূলক ভাৱে সকলোৱে পালন কৰিব লাগে । নহলে প্ৰতি ক্ষেত্ৰতে নিজৰ মহানুভৱতাৰ পৰিচয় দিবলৈ গলে এদিন আমি মাতৃভাষাৰ মৰণ যাতনা সহ্য কৰিব লাগিব। অশুদ্ধকৈ পৰদেশী ভাষা কৈ মহানুভৱতাৰ পৰিচয় দিয়াতকৈ শুদ্ধকৈ মাতৃভাষা কলে আমাৰ সন্মান কেতিয়াও লাঘৱ হব নোৱাৰে। ভাষা জননীৰ নিঃস্বাৰ্থ সেৱকৰ এনে মানসিক দৃঢ়তা আৰু স্বাধীনচিতীয়া ভাব থাকিব লাগিব ।

অপ্ৰিয় যেন লাগিলেও কিছুমান সত্য কথা উল্লেখ কৰা প্ৰয়োজন । আমাৰ বহুত অসমীয়া

মানুহে এতিয়াও বিয়াৰ চিঠি ইংৰাজীত ছপায়। নিজৰ ৰাজ্যত নিজ মাতৃভাষাক এনেদৰে অৱহেলা কৰাতো মাতৃভাষাৰ প্ৰতি অবিচাৰ কৰা নহয়নে ? ইয়াৰোপৰি, কলেজৰ চাৰিসীমাৰ ভিতৰত অনুষ্ঠিত হোৱা বহুতো উৎসৱত এনে কিছুমান অসমীয়া ছাত্ৰ ছাত্ৰী আছে যিসকলে ভুলকৈ হ'লেও ইংৰাজী ভাষাৰে বক্তৃতা দিবলৈ চেষ্টা কৰে। তেওঁলোকক অসমীয়া ভাষাই কি জগৰ লগালে যে নিজৰ মাতৃভাষা থাকোঁতে বিদেশী ভাষা ব্যৱহাৰ কৰিব লগা হ'ল। অধ্যাপক সকলে মাতৃভাষাৰে শুদ্ধ আৰু শুৱলাকৈ বক্তৃতা দিবলৈ ছাত্ৰসকলক উৎসাহিত কৰিব লাগে। তেতিয়াহে মাতৃভাষাৰ প্ৰতি উচিত বিচাৰ কৰা হ'ব।

কিছুমান লোকৰ বাসভৱনৰ নামফলকত ইংৰাজী ভাষা ব্যৱহাৰ কৰা হয়। তাৰ উপৰি ৰাজহুৱা অনুষ্ঠান, দোকান-বজাৰ, ডাকঘৰ, ডাক্তৰখানা, ৰেলৱে প্লেটফৰ্মত ব্যৱহাৰ কৰা চাইনবৰ্ড আদিত ৰাষ্ট্ৰভাষাৰ লগতে যাতে আমাৰ মাতৃভাষাও ব্যৱহাৰ কৰা হয় তাৰ বাবে প্ৰতিজন অসম-প্ৰেমী লোকে চকু দিয়া উচিত। দেখাত এইবোৰ কথা নিতান্ত সৰু যেন লাগিলেও ভাষাৰ প্ৰচাৰৰ ক্ষেত্ৰত ইয়েই বিৰাট ভূমিকা গ্ৰহণ কৰে। ই আমাৰ ৰুচিৰ পৰিবৰ্তনৰ লগতে মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱৰ যোগান ধৰে। ব্যক্তিগতভাৱে ৰাজ্যভাষা প্ৰয়োগৰ দায়িত্ব এই পদ্ধতিৰে আমি পালন কৰিব পাৰোঁ। মাতৃভাষাক পূজাৰ বেদীত প্ৰতিষ্ঠা কৰিবলৈ হ'লে আমি সকলো লাঞ্ছনা মূৰ পাতি লবই লাগিব। মাতৃভাষাৰ প্ৰতি আমাৰ শ্ৰদ্ধাশীল মনোভাৱৰ অভাৱ হ'লে চৰকাৰে অসমীয়া ভাষা ৰাজ্য ভাষা হিচাপে ঘোষণা কৰিলেও প্ৰকৃত ক্ষেত্ৰত ভাষা জননীৰ প্ৰবেশ চিৰদিন নিষিদ্ধ হৈ ৰ'ব। তেতিয়া আমি চৰকাৰক দোষাৰোপ কৰাৰ অধিকাৰ নাথাকিব।

ৰাজ্যভাষা প্ৰয়োগৰ সফলতাৰ ক্ষেত্ৰত চাকৰিজীৱী ব্যক্তিসকলৰ কৰ্ত্তব্য অতি গুৰুত্বপূৰ্ণ। তেওঁলোকে প্ৰতিক্ৰিয়াশীল শক্তিসমূহৰ সকলো কুঅভিসন্ধি ওফৰাই নেতৃত্ব গ্ৰহণ কৰি মাতৃভাষাক পূজাৰ বেদীত স্থাপন কৰিব লাগিব।

ব্যক্তিগতভাৱে প্ৰতিজন অসমীয়া বা অসমীয়া ভাষা প্ৰেমী অনা অসমীয়া লোকৰ অসমীয়া ভাষাৰ প্ৰতি থকা গভীৰ সশ্ৰদ্ধ অনুৰাগেহে অসমীয়া ভাষাৰ বিকাশ সাধান কৰিব আৰু এই ভাষাক বিশ্বৰ দৰবাৰত চিৰদিন অমৰ কৰি ৰাখিব পাৰিব। ++

ᏅᏅ ᏅᏅ

# তেজস্ক্ৰিয়তাৰ ইতিহাস

শ্ৰীৰাণু বৰুৱা
প্ৰাক স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)

হে
আণৱিক বিজ্ঞানীবৃন্দ,
তোমালোকে বিশ্বৰ পূব প্ৰান্তলৈ চোৱাৰ
প্ৰয়োজন আছে,
ভয়াবহতাৰ এক দীঘল ইতিহাস
তোমালোকে চাব লাগিব,
সেই ইতিহাস অতীত হৈ যোৱা নাই;
জাপানৰ হিৰোচিমা মহানগৰীৰ
প্ৰান্তৰ সেই বস্তিখন—
যত এতিয়াও '৪৫ চন জীয়াই আছে!
তাৰ মাটিৰ প্ৰতিটো ক্ষুদ্ৰ কণাই
এতিয়াও এক দীঘলীয়া ইতিহাস কব বিচাৰে,
কিন্তু তেজস্ক্ৰিয়তাৰ প্ৰচণ্ড শক্তিত
সিহঁত মূক হৈ যায়,
মানৱতাৰ দোহাই দিয়া বিজ্ঞানৰ
চৰম নগ্নতাৰ বলি—
ইয়ামি!
বস্তি নিবাসী এক জাপানী যুৱতী,
তাইৰ লিউকেমিয়াৰ বিষাক্ত তেজে লিখি যোৱা
আধুনিক বৰ্বৰতা যুগৰ ইতিহাস তোমালোকে পঢ়াৰ
প্ৰয়োজন আছে,
সেই ইতিহাসৰ নায়ক যে তোমালোকেই!
সেয়ে সাৱধান হোৱা
তোমালোকক সিহঁতে বধ কৰিব,
তেজস্ক্ৰিয়তাৰ বলী হোৱা অসংখ্য 'ইয়ামি'ৰ
কলীয়া হৈ যোৱা ৰক্ত কণাই। + +

# অন্তৰ্দ্বন্দ্ব

শ্ৰীবিনোদ কুমাৰ গগৈ, এম, এ
অধ্যাপক, ৰাজনীতি বিভাগ।

মোৰ স্ত্ৰীৰ চাকৰিটো কেনেকৈ যোগাৰ হৈছিল ঠিক গল্পৰ দৰেই আৰম্ভ কৰিব পাৰি। তাহানি কলেজৰ হোষ্টেলত একেটা মেচতে থকা মোৰ বন্ধুবৰ শৈলেন বৰুৱা স্থানীয় ইণ্ডিয়ান অইল কৰপৰেশ্যনৰ অন্তৰ্গত এ, অ, ডি অৰ্থাৎ ৰাষ্ট্ৰীয় কৰণৰ পিছত নতুনকৈ নামাকৰণ হোৱা আসম অইল ডিভিজনলৈ কাৰিকৰী বিভাগৰ উচ্চ পৰ্য্যায়ৰ পদবীত নিযুক্তি হৈ অহাত মোৰ এদিন ঘৰুৱা কথাৰ প্ৰসঙ্গতে মোৰ পৰিবাৰক চাকৰি এটা দিহা কৰি দিয়াৰ প্ৰস্তাব দিলে। ৰহস্যজনক ভাবে মইহে মোৰ প্ৰতিক্ৰিয়া প্ৰথমে গোপনে ৰাখিলো। হা না একো নকলো। মনতে ভাবিলো কৰ পানী কলৈ যায় চোৱা যাওঁক।

কিন্তু বন্ধু কথাত অলৰ অচৰ বিধৰ লোক। চাকৰি দিব বুলি কথা দিছে যেতিয়া দিহে এৰিলে।

স্ত্ৰীয়ে এদিন এ, অ, ডি, ত নতুনকৈ প্ৰতিস্থাপিত হোৱা অত্যাধুনিক কমপিউটাৰ বিভাগত চাকৰিত যোগ দিয়ে। স্ত্ৰীৰ চকু মুখত নতুন কিবা এটা পোৱাৰ এক অনাবিল অভি-ব্যক্তি উদ্ভাসিত হোৱা দেখা পালো।

আৰু মই? মই তেওঁৰ চিন্তা প্ৰবাহৰ কেন্দ্ৰ বিন্দুৰ পৰা কেতিয়াবাই ফালৰি কাটি আহিছোঁ তেওঁ সজ্ঞানে উপলব্ধি নকৰাকৈয়ে।

আচলতে মোৰ মজ্জাগত ধাৰণা— বিবাহিতা নাৰী আৰু চাকৰি জীৱন— এই দুয়োটা কিবা খাপ নোখোৱা বিধৰ। যদিও মই অকপটচিত্তে উপলব্ধি কৰো যে মোৰ এনে মনোভাব অন্য একো নহয়, ই মাত্ৰ দেখ্ দেখ্ গোড়ামি আৰু অন্ধবিশ্বাসৰে ফলশ্ৰুতি। সেয়ে হলেও মোৰ মনত এনে কিছুমান দুৰ্বাৰ স্ববি-ৰোধী অনুভূতিয়ে লুকাভাকু খেলি থাকে যে সকলোবোৰ অনুভূতি আলাসতে উপঙি থকা কিছুমান তৰাং ভাবৰ অৰ্থহীন বুৰ্‌বুৰণি বুলি মই উলাই কৰিব নোৱাৰো। ভাব হয় মোৰ এই ভাবাবেগৰ লগত আমাৰ অতীত ইতিহাস, ঐতিহ্য আৰু সভ্যতা (?) সাঙোৰ খাই আছে। সেই বাবেই মনটোক প্ৰবোধ দিওঁ আৰু নাৰীৰ চাকৰি জীৱনৰ সপক্ষে আৰু বিপক্ষে থকা নানান যুক্তিবোৰ তৰ্ক বাগীশৰ চিৰাচৰিত দৰ্শন সুলভ মনস্তাত্বিক বিশ্লেষণৰে

মনতে জুকিয়াই চাওঁ । কিন্তু উত্তৰাদিহ হলে একো নাপাওঁ, বৰং তৰ্কৰ জালতহে বাৰে বাৰে নিমজ্জিত হওঁ ।

দিনবোৰ এইদৰে পাৰ কৰি আছোঁ । স্ত্ৰীৰ চাকৰি জীৱন আৰু ওৱে দিনৰ ক্লান্ত ব্যস্ততা । আৰু মোৰ এই নিম্ন বৰ্গৰ কেৰাণী জীৱন । 'কেৰাণী,'— এই শব্দটোৰ অৰ্থ কি মই নিজে কোনো দিনে জানিবলৈ আগ্ৰহ কৰা নাই । মাত্ৰ দেখিছোঁ কেৰাণী, অন্ততঃ মোৰ অভিধানত, এটা অন্তঃ সাৰশূন্য শব্দ— যাৰ অৰ্থ কেৱল স্থবিৰতা আৰু কদৰ্য্য অন্ধকাৰ । তথাপিত এই স্থবিৰতা আৰু অন্ধকাৰকে সাৰথি কৰি কেৰাণী জীৱনেৰে বাট বুলি আছো ।

মই কিছুদিনৰ পৰা লক্ষ্য কৰিছোঁ মোৰ সচৰাচৰ প্ৰশান্ত মনলৈ এক অশান্ত ভয়াবহ নিৰ্জ্জনতা ধীৰে ধীৰে নামি আহিছে । মোৰ পৰিবাৰে মোৰ মনৰ নিভৃত কোণত উদয় হোৱা মানসিক পৰিবৰ্ত্তনৰ সন্তেদ নাই পোৱা এথোন । বোধকৰো স্ত্ৰীৰ ব্যস্ততাৰ বাবে আৰু হয়তোবা তেওঁৰ নবলব্ধ চাকৰিয়ে আনি দিয়া নতুন বন্ধু বান্ধবীৰ সাহচৰ্য্যত মোৰ মনৰ খবৰ লবলৈ সময়ৰ নাটনি আৰু দেহাৰ অবসাদ !

মোৰ ব্যক্তিগত জীৱনৰ নুন্যতম চাহিদাৰ তাড়নাত নতুবা মোৰ কেৰাণী জীৱনৰ অভাবগ্ৰস্ত ঘৰখনৰ সৈতে হোৱা নিৰ্মম সংগ্ৰামৰ লগত বাস্তৱ ভাবে মোকাবিলা কৰাৰ চালিকা শক্তি ( catalyst ) হল মোৰ স্ত্ৰীৰ নবলব্ধ চাকৰি । এহাতে ঘৰখনৰ আৰ্থিক স্বচ্ছলতা বজাই থকাৰ তাগিদা, আনহাতে মোৰ মানসিক পীড়া, ঘৰখনত দেখা দিয়া অৰাজকতা— অবক্ষয় পাৰিবাৰিক জীৱনৰ মূল সোলোক চোলোক অৱস্থা । এই দুয়ো বিপৰীত মুখী চিন্তাই মোৰ চিন্তা জগত বৰ্ত্তমান অধিকাৰ কৰিছে । কেতিয়াবা বিচলিত নহৈ নোৱাৰো যেতিয়া কণমান চাৰিবছৰীয়া দেওনা পাৰ হোৱা মোৰ ছোৱালীয়ে মোক প্ৰশ্নবানেৰে বিব্ৰত কৰে ঃ দেউতা, মায়ে আমাক এৰিলে নেকি ?

কামৰ পৰা আহি স্ত্ৰীয়ে যেতিয়া বিশ্ৰাম লয়, সিহঁত দুয়োটাই মাকক সাবট মাৰি ধৰি সৰু কেচুৱাৰ দৰে মাকক হাতে মুখে চুমা খায় আৰু সিহঁতে কাৰ লগত কি কৰে, কি কি খেলে, ইত্যাদি কথাবোৰ কোৱা আৰম্ভ কৰে । কিন্তু দিনটোৰ নেৰানেপেৰা পৰিশ্ৰমৰ অন্তত সেইবোৰ আলসুৱা কথালৈ কণপাত কৰিবলৈ স্ত্ৰীৰ আজৰি নহয় আৰু প্ৰায়ে মানসিক ভাৰসম্যতা হেৰুৱাই পেলায় ।

অফিচ বুলিলেই বৰমূৰীয়া বিষয়াৰ তাগিদা আৰু ঘৰখনত ভৰি দিয়া মানে হল সাংসাৰিক নিত্য নৈমিত্তিক কামৰ বোজা । ভাৰতীয় নাৰীৰ ভূমিকাই হৈছে ঘাইকৈ সংসাৰ চলোৱা ভূমিকা । ইমানবোৰ সাংসাৰিক প্ৰাত্যহিক কৰ্ত্তব্য সমাপন কৰি চাকৰি বজাই থকা কৌশলটো কৰ্ম্মজীৱিনী নাৰীয়ে আয়ত্ব কৰিব নোৱাৰিলে চাকৰি কৰা বৃথা ।

স্ত্ৰীৰ সহকৰ্ম্মী অসীমাই সেয়েহে বিতুণ্ট হৈ এদিন স্ত্ৰীক বেচ ৰগৰ কৰি কৈছিল, "তুমিয়েতো এদিন কৈছিলা তোমাৰ স্বামীৰ বন্ধু এজনে বোলে বছৰ দিয়েকৰ আগতে লণ্ডনলৈ

থাওঁতে যেতিয়া প্ৰখ্যাত ইংৰাজ নাট পৰিচালক জন এল্ ছমক ঘৰত সাক্ষাৎ কৰে সেই সময়ত এল্ ছমৰ পত্নী আছিল কামত। কিন্তু অভ্যাগতক আপ্যায়িত নকৰাকৈ আছিল জানো? তোমাৰ স্বামী উপস্থিত হোৱাৰ লগে লগে তেওঁৰ কান্ধৰ পৰা কোটটো খুলি লৈ ৱাড্ ৰবত সযতনে থোৱাৰ পৰা চাহ মিঠাই আদি নানা উপকৰণেৰে আলপৈচান ধৰালৈকে সকলোবোৰ কাম নিয়াৰীকৈ এল্ ছমেই স্ত্ৰীৰ অবিহনে কৰি গৈছিল। সিও খুব স্বাভাবিক ভাবে, গতানুগতিকতাৰে। চোৱা কেনে মজাৰ কথা। স্ত্ৰীহীন ঘৰত স্বামীৰ 'স্ত্ৰীৰ' কেনে চমৎকাৰ ভূমিকা। পিছে, আমাৰ ইয়াত একা? দেখা আমাৰ ইয়াত স্বামী সকল উঠি ৰজা, বহি ৰজা। ঘৰখনৰ ভিতৰুৱা কামকাজত তেওঁলোকে কুটা এগছো ইফাল সিফাল নকৰে লাগিলে পৃথিবীখন লুটিয়েই থাওক। কিবা এটা কৰিবৰ হল দেই। অন্তত শুভ আৰম্ভণিটো! আচ্ছা অপু (মোৰ স্ত্ৰী অপৰাজিতাক চমুকৈ মতা নাম) তোমাৰ ঘৰতেই কৰি দিয়া না আৰম্ভণিটো।

স্ত্ৰীয়ে তেওঁৰ প্ৰতিক্ৰিয়া নৌ জনাওঁতেই অসীমাই পুনৰ তপৰাই ভাব গধুৰ হৈ সজোৰে কলে "ইয়াৰ বাবে আমিবোৰো কম জগৰীয়া নহয়। ধৰা এজন মহা প্ৰতাপী ৰাজনীতিক বা উচ্চ ক্ষমতাবান ধনবান পদবী ধাৰীৰ পত্নীৰ বেলিকা চোৱা তেনে পত্নীৰ সাধাৰণ তৰপৰ চাকৰি মানে মৰ্য্যদা আভিজাত্য হানিকৰ যিটো তেওঁলোকৰ সেই বিশেষ গণ্ডীৰ মান মৰ্যাদাৰ পৰি সীমাৰ বাহিৰত। অথচ পশ্চিমীয়া ধাৰা জনে গুনে আগবঢ়া এজন লোকৰ পত্নীয়ে অন্য এঘৰত পৰিচাৰিকা বৃত্তি অনায়াসে গ্ৰহণ কৰিছে। বিনা দ্বিধাই কাম কৰিছে। কৰ্ম আৰু পদবী সম্পৰ্কিত থকা তেওঁলোকৰ মানসিকতা চোৱা। আমাৰ ইয়াৰ একোটা বিশেষ চাকৰি নতুবা পদবী মানে হৈছে দামী গাড়ী বা ফ্ৰিজ বা সেইৰ একোটা প্ৰেচ্ টিজ চিম্ বল। আমাৰ নাৰীয়ে চাকৰি কৰে আৰ্থিক অনাটন বা আৰ্থিক বাধ্য বাধকতাত পৰি। চাকৰিয়ে যে মানুহ জীৱন তথা সমাজৰ কৃত্ৰিম মূল্য বোধক আঁতৰাই পেলাই এক নতুন বিজ্ঞান সম্মত ৰুচিবোধ আৰু সুস্থ মূল্য বোধৰ সূচনা কৰিবৰ বাবে সেই হিচাবে ব্যৱহাৰ কৰিব লাগে এই কথাকে পুৰুষ বা নাৰীয়ে মূৰ নঘমায়। আমাৰ নাৰী সমাজৰ দুৰ্বলতা এইখিনিতেই।

স্ত্ৰীয়ে এইবাৰ মাত্ৰ মূৰ দুপিয়ালে আৰু অসীমাৰ ভাব বিহ্বল কথাতে যোগ দি কলে পশ্চিমীয়া ভাব ধাৰাই আমাক ঠিক খুন্দিয়াই ছেহি, – তাকো অতি মৃদু ভাবেহে, জোকাৰি দিবলৈ বহুত যুগ লাগিব। তেতিয়ালৈ নীৰৱে ধৈৰ্য্য ধৰা। অপৰাজিতাই মনতো পাতলাই কলে।

কেতিয়াবা চিন্তা হয় ভাৰতীয় পুৰুষ আৰু নাৰীৰ যুগমীয়া পৃথক প্ৰথাগত ভূমিকা সমাজত ইমান বদ্ধমূল হৈ বহিল যে পশ্চিমীয়া সমাজৰ ধ্যান ধাৰণাই আজিও ভাৰতীয় নাৰীৰ আওকলীয়া মূল্যবোধক আঘাট হানিব পৰা নাই। ইয়াৰ কাৰণ হয়তো আমাৰ কৌটিকলীয়া শিক্ষা ব্যৱস্থা, কু সংস্কাৰ, ৰুগ্ন

সামাজিক কাঠামোৰ, যৌথ পৰিয়াল, ইত্যাদি।

আজি কিছুদিন হৈছে স্ত্রী কলিকতালৈ যোৱা। এ, অ, ডিয়ে দেড় মাহৰ ডেপুটেশ্যনত পঠাইছে প্রশিক্ষণৰ বাবে। কলিকতাস্থ।B M নামৰ এটা বহুজাতীয় আন্তর্জাতিক প্রতিষ্ঠানৰ সৌজন্যত প্রশিক্ষণাৰ আয়োজন হৈছিল।

ঘৰত ময়ে এতিয়া সকলো— হর্তা কর্তা বিধাতা। লৰাছোৱালী হালকে কেন্দ্র কৰি যাবতীয় সকলো কামৰ মই চোৱা চিন্তা কৰিব লগা হৈছে। মোৰ কণমান ছোৱালীটিয়ে যেতিয়া মোক আমনি দিয়ে মাকক বিচাৰি মোৰ স্ত্রীৰ পৰা সময়ে সময়ে অহা বিচিত্র সংবাদ সম্বলিত চিঠিবোৰ পঢ়ি দিয়াৰ বাহিৰে অন্য গত্যন্তৰ নাথাকে। কেতিয়াবা তাইৰ কিছুমান অহেতুক প্রশ্নই মোক বাৰুকৈয়ে ব্যতিব্যস্ত কৰে। ময়ো তাইৰ প্রশ্নৰ সমিধান সহজ সৰল ভাবে দি যাঁও। কিন্তু তাই কদাপিও সন্তুষ্ট নহয়। তাই যেন মাকৰ অনুপস্থিতি মর্ম্মে মর্ম্মে উপলব্ধি কৰিছে আৰু এনে এটা অভিব্যক্তি তাইৰ চকুৱে মুখে প্রতিফলিত হয় যেন তাইৰ অনুভূতি বা হৃদয়ৰ আকুতি আমিবোৰে বুজি নাপাওঁ। ময়ো কিছুদিনৰ পৰা সূক্ষ্মভাবে লক্ষ্য কৰিছোঁ যেন সিহঁতৰ দুয়োৰে মনত এক দুর্নিবাৰ মানসিক বিচ্ছিন্নতাবোধে বাঁহ লৈছে যিটো মই দেখিছোঁ সিহঁতৰ দৈনন্দিন আচৰণত মোৰ প্রতি আৰু ঘৰখনৰ অৱস্থিতিৰ প্রতি। লগৰ কাণ সমনীয়াহঁতৰ লগত খেলাত মছগুল হৈ থকা অৱস্থাত সিহঁত বেচ আপোন পাহৰা হৈ থাকে। কিন্তু ঘৰত উপস্থিত হোৱাৰ লগে লগে সিহঁতক যেন কিবা অজান আবেগে আচ্ছন্ন কৰি পেলায়। সিহঁতৰ এই দ্বৈত আচৰণে মোকো কম বিপাঙত পেলোৱা নাই। যাৰ কাৰণ সৰলীকৰণ কৰিলে হয়তো এয়ে হব যে, সিহঁতৰ যি মনোজগত আৰু ঘৰত যি পৰিবেশ বর্ত্তমান এই দুয়োটাৰ মাজত কিবা ৰিজুতি ঘটিছে, যিটো বহিঃপ্রকাশ হৈছে সিহঁতৰ ব্যৱহাৰত। মাক দেউতাক হিচাবে সিহঁতৰ সুকোমল ভাব বিহ্বল মনোজগতৰ লগত ৰজিতা খোৱাকৈ আমি যেন সমভাগী হবলৈ অপাৰগ।

যথা সময়ত স্ত্রীয়ে প্রশিক্ষণ লৈ ঘৰলৈ উভতিল। তেওঁৰ নব-লব্ধ অভিজ্ঞতাই আমাক পুলকিত কৰিলে। ইতিমধ্যে মোৰো অভূতপূর্ব ভাবে ভাগ্যোদয় ঘটিল। ৰাজ্যিক লটাৰীৰ এক লাখ টকা লাভ কৰিলোঁ। স্ত্রীয়ে সংবাদ পাই আত্মহাৰা হ'ল। মনত বহুত দিনৰে পৰা পাঙি থকা মতে স্ত্রীক কলোঁ চাকৰিটো ত্যাগ কৰিবলৈ। তেওঁ পোনছাতেই মান্তি নহৈছিল যদিও চাকৰিৰ প্রতি তেওঁৰও ক্রমান্বয়ে মোহভঙ্গ হৈছিল। তেওঁ মোক শান্ত্বনা দি কলে— চাকৰি কৰা নকৰাৰ চয় নিচয় তেওঁৰ ওপৰৱালাৰ লগত আলোচনা কৰিহে কৰিব। মই একো বুজি নাপালোঁ। হস্তক্ষেপ কৰি সুধিলো – চাকৰি পদত্যাগ কৰিবলৈ জানো ওপৰৱালাক আগতীয়াকৈ সুধি পুচি লয়? সমিধানত তেওঁ তাৎপর্য্যপূর্ণভাৱে সংক্ষেপে কলে— ওপৰৱালাৰ লগত কথা হৈ

যদি পাৰ্ট টাইমৰ হিচাবে চাকৰিত থাকিব পৰা যায় তেতিয়া হলে ইকুল সিকুল দুয়োকুল ৰয়।

স্ত্ৰীৰ সুচিন্তিত মতামত এয়ে আছিল যে, হঠাতে অভাবনীয় ভাবে লাভ কৰা টকা খিনিৰে আৰু বেঙ্কৰ কিছু ধাৰ লগাই নতুন মেটাদৰ খন ৰাস্তাত হাজিৰ কৰাৰ লগে লগে ক্ষণিক উত্তেজনাত চাকৰিটো সাধ্যে ত্যাগ নকৰাই ভাল। অগত্যা ময়ো তেওঁৰ কথাতে হয়ভৰ দিলোঁ। ভাবৃ হৈছিল পাৰ্ট টাইম চকৰিৰ ব্যৱস্থা হলে হয়তো আমাৰ পাৰিবাৰিক জীৱনৰ অবক্ষয় গতিৰোধ কৰিব পৰা যাব।



ভুল বা দোষ স্বীকাৰ ঠিক বাঢ়নীৰে মলি সাৰি নিয়াৰ নিচিনা আৰু জাৰুতকৈ বেছি পৰিষ্কাৰকৈ সৰা ঠাইডোখৰৰ দৰেহে হয়।

—মহাত্মা গান্ধী।

# ঃ জাতীয় সংহতিলৈ মহাপুৰুষ শংকৰদেৱৰ অৱদান ঃ

শ্ৰী অমূল্য কুমাৰ শইকীয়া
প্ৰাক্ স্নাতক প্ৰথম বাৰ্ষিক (কলা)

জয় গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহি উপাম
তোহাৰি চৰণ ৰেণুশত কোটি
বাৰেক কৰোহো প্ৰণাম ॥

এই জনা মহাপুৰুষ শংকৰ দেৱৰ জন্ম হয় ১৪৪৯ শকত। আমাৰ অসমীয়া জাতীয় সংহতিলৈ তেখেতৰ অৱদান উল্লেখনীয়। ছয়কুৰি বৰগীত ৰচনা কৰি অসমীয়াৰ মাজত এটা বহুমূলীয়া সম্পদ দি থৈ গৈছে। অসমীয়াৰ মাজত একতাৰ ডোলডাল বান্ধি দিয়ে এই জনা গুৰুৱেই। আমাৰ অসমীয়াৰ মাজত যেতিয়া একতা নাছিল, তেতিয়া মহাপুৰুষ শংকৰ দেৱে সকলোকে একত্ৰিত কৰি অসমীয়াৰ একতাৰ ভেটি বান্ধে। তেখেতেই অসমত নৱবৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰে। অসমীয়া গীত, মাত, নাট, কবিতা আদিত স্বৰ্ণ যুগৰ পাতনি মেলে মহাৰুপুষ শ্ৰীমন্ত শংকৰদেৱে।

কবিতাৰ ক্ষেত্ৰত মহাপুৰুষ জনাৰ অৱদান অতি উল্লেখনীয়। তেখেতৰ কবিতাৰ ভাৱ বস্তু, ছন্দ, কাব্য, যুগ যুগ ধৰি সংক্ৰমিত হৈ আহিছে আৰু যুগ যুগ ধৰি অসমীয়া জাতিৰ মাজত জীৱিত হৈ থাকিব। শংকৰদেৱৰ কবি-প্ৰতিভাক বৰ্ত্তমানে চলা সমালোচনাৰ তুলনাচনীৰে জোখাতো সপোনতো ভাৱিব নোৱাৰি। তেখেতৰ এই কবি-প্ৰতিভাক জোখ কৰি চোৱাৰ প্ৰচেষ্টা নিস্ফল। অসমীয়া জাতীয় সংহতিৰ শংকৰদেৱৰ কাব্য অট্টালিকাৰ কোঠাৰ দৰে অসংখ্য। শংকৰদেৱৰ কীৰ্ত্তন আৰু দশমৰ প্ৰতিটো অধ্যায় প্ৰত্যেক ফাকিতে কাব্যৰ সৌন্দৰ্য্যৰ বিভিন্ন ৰূপ দি থৈ গৈছে। কোনো অধ্যায়ৰ কোনো ফাকিত আছে অপূৰ্ব্ব সৌন্দয্যৰ চিত্ৰৰূপ, কোনো ফাকিত আছে গভীৰ সংগীতৰ ঝংকাৰ, কোনো অধ্যায়ত চৰিত্ৰ অংকনৰ বিস্ময়কৰ দক্ষতা, কোনো

অধ্যায়ত দৰ্শনৰ জটিল তত্ত্বৰ কথাৰ পোহাৰ ।

শংকৰদেৱৰ কাব্য সম্ভাৰে যেনেকৈ বৈষ্ণৱ-প্ৰাণ ভক্ত পাঠকৰ হৃদয়ত অৰূপত ৰূপৰ মাধুৰী সিঁচি আহিছে, আনহাতে ঠিক তেনেদৰে কবিতাৰ ৰমকতা পাঠকৰ মনত অন্ত নাইকীয়া। অৰ্থাৎ অনন্তৰ মূৰ্চ্ছনা জগাই দিছে। শংকৰদেৱৰ দাৰ্শনিক চিন্তাত অকণো চিটিকনি নপৰাকৈ বিশুদ্ধ, য'ত অশুদ্ধৰ অকণো চিন নপৰা তেখেতৰ শিল্পৰ প্ৰতিভাৰ নিদৰ্শন পোৱা যায়, শংকৰদেৱৰ বিৰচিত "দশম" পুথিৰ অন্তৰ্গত "শৰৎ বৰ্ণনা" নামৰ কবিতাটিত! এয়ে যেন তেওঁৰ সৃষ্টি নহয় – তেওঁৰ যি লিখনি তাৰ হে যেন কীৰ্ত্তি। শংকৰদেৱৰ "কীৰ্ত্তন" পুথিৰ প্ৰতিটো অংশই যেন একো একোটি হীৰাৰ টুকুৰ হে। ভাৰতীয় আধ্যাত্মিক চিন্তাৰ একোটি সৰ্ব্বব্যাপক সত্য বস্তু গোট মাৰি অপূৰ্ব্ব দীপ্তিমান হৈ উঠিছে। তেখেতৰ কবিতাৰ ক্ষেত্ৰত সাতাম্ পুৰুষীয়া অতি পুৰণি কথাবোৰত ভক্তিৰ মাধুৰী নিহলাই অসমীয়া জাতীয় জীৱনৰ কবিতাৰ ভেটি সুদৃঢ় কৰি থৈ গৈছে। তেখেতৰ কবি মাৰ মায়া-পাশত নিতান্ত গদ্য সুৰীয়া দাৰ্শনিক তত্ত্ব কথা বিলাকে সুৰৰ পাপৰি হৈ কবিতা ৰূপ মনোৰম হৈ আছে। তেখেতৰ কীৰ্ত্তন পুথিৰ অন্তৰ্গত "ব্ৰহ্মাৰ স্তুতি' নামৰ কবিতাটিত সুৰৰ পাপৰি মেলি একোটি অনুপম কবিতা সৃষ্টি কৰি থৈ গৈছে। শংকৰদেৱৰ ৰচনাৰ তত্ত্ব কথা বিলাক আখ্যান ব্যাখ্যান প্লাৱিত।

অসমীয়া জাতীয় সংহতিলৈ শংকৰদেৱৰ অন্যতম অৱদান হৈছে বৰগীত। ছয়কুৰি বৰগীত লিখি অসমীয়া জাতীয় জীৱনৰ বৰগীতৰ ভঁৰাল তেওঁ চহকী কৰি থৈ গৈছে। তেখেতৰ বৰগীতৰ ভাবাৰ্থ সচাঁই মন কৰিব লগীয়া। তেখেতৰ বৰগীত এটিত কাব্য দৰ্শন বৰ্ণনা কৰি প্ৰধান প্ৰধান ৰাক্ষস বোৰক নিধন কৰাই হৈছে প্ৰথম কাৰণ। উক্ত বৰগীতটি হৈছে শুন শুনৰে ...... । বৰগীতৰ জতুৱা ঠাচৰ সুৰেৰে তেখেতে অসমীয়াৰ মাজত ভক্তিৰ ব্যৱহাৰ কৰিব লাগে তাক নাজানিছিল, কিন্তু আজি সেই ব্যৱহাৰেই অসমীয়াৰ প্ৰতি সচাঁই মন কৰিব লগীয়া। এসময়ত অসমীয়াৰ সমাজত জাতি ভেদ প্ৰথা চলিছিল, কিন্তু এই জনা গুৰু অৰ্থাৎ মহাপুৰুষ শ্ৰীশ্ৰী শংকৰ দেৱে অসমীয়াক কেনেকৈ মিলাপ্ৰীতিৰে থাকিব লাগে, তাক সুন্দৰ ভাৱে বৰগীতেৰে দেখুৱাই থৈ গৈছে। প্ৰতিটো বৰগীতৰ প্ৰতি ফাকিৰে অৰ্থ বেলেগ বেলেগ আৰু প্ৰতি ফাকিৰে অৰ্থ গভীৰ। মহাপুৰুষ জনাৰ বৰগীত বিলাক ওপৰে ওপৰে চালে বুজিবলৈ টান, কিন্তু যেতিয়া গভীৰ ভাৱে আয়ত্ব কৰিব পাৰি তেতিয়া তেওঁৰ বৰগীতৰ পৰা মূৰ দাঙিব নোৱাৰি, কণা মানুহৰ লাখুটি নহলে যি অৱস্থা হয়, ঠিক তেনে এটা অৱস্থা হৈছিল অসমীয়া জাতিৰ মাজত । ধৰ্মম

কি তাক হয়তো বৈষ্ণৱ যুগৰ আগৰ অসমীয়াই উপলব্ধি কৰিব পৰা নাছিল । কিন্তু ধৰ্মৰ বাট সুন্দৰ ভাৱে দেখুৱাই দিয়ে এইজনা গুৰু শংকৰদেৱে । ভক্তি কি তাক হয়তো অসমীয়াই উপলব্ধি কৰিব পৰা নাছিল । কিন্তু বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্ত্তক গুৰুজনাই অসমীয়াক ভক্তিৰ সুপথ গীতৰ মাজেৰে দেখুৱাই দিয়ে । সেই সুন্দৰ বাটেৰে আজিও অসমীয়া জাতিয়ে ক'তো উজুতি নোখোৱাকৈ অহা যোৱা কৰিব পাৰিছে । অসমীয়াৰ বাটৰ যি জেং আছিল তাক আঁতৰাই দিয়ে এই গুৰু জনাই । অসমীয়াই এটা সময়ত নিজৰ অস্তিত্ব হেৰুৱাই পেলাইছিল আৰু সেই হেৰুৱা অস্তিত্ব বুটলি আনে এই জনা গুৰুৱে । জাতীয় সংহতিৰ জৰি ডিঙিতে ওলোমাই তেখেতে প্ৰতিজন অসমীয়াৰ ডিঙিতে ওলোমাই থৈ গৈছে । তেওঁৰ বৰগীতৰ যি অৱদান সি এটা অবিস্মৰণীয় অৱদান !

শংকৰদেৱৰ জাতীয় সংহতিলৈ অন্য এটা অৱদান হৈছে অংকীয়া নাটেৰে তেওঁ নাট্য সাহিত্যৰ পাতনি মেলাটো । মাথো গীতেৰেই কথা বিলাক প্ৰকাশ নকৰি তাক নাটৰ দ্বাৰা তেওঁ নানা ধৰ্মমূলক কথাৰ বৰ্ণনা কৰে । গীতেৰে যিটো বুজিব নোৱাৰি তাক তেখেতে অতি ভালকৈ বুজিবলৈ অৱশ্যকীয় নাটৰ সৃষ্টি কৰে । নাটৰ দ্বাৰা অভিনয় কৰি তেখেতে তেখেতৰ ভক্ত বৃন্দৰ মাজত ধৰ্ম ভক্তিৰ ভাৱটো অতি দৃঢ় ভাবে ভক্তৰ অন্তৰত সঞ্চাৰিত কৰি থৈ যায় । খোল, তালৰ ব্যৱহাৰ কৰি তেখেতে অসমীয়া জাতিৰ বাদ্য যন্ত্ৰৰ ভঁৰাল চহকী কৰি থৈ গৈছে । অভিনয়েৰে তেওঁ অসমীয়াৰ মাজত অভিনয়ৰ আঁত দেখাই থৈ গৈছে । যি অসমীয়াই অভিনয় কি হয় তাক নৱবৈষ্ণৱ যুগত বুজি পোৱা নাছিল । কিন্তু বৈষ্ণৱ যুগৰ প্ৰৱৰ্ত্তক এইজনা মহাপুৰুষে আমাক অৰ্থাৎ অসমীয়াৰ মাজত অভিনয় প্ৰথা দেখুৱাই দিলে । আজিৰ প্ৰতিজন অসমীয়াই কমকৈ হলেও অভিনয় কৰিবলৈ শিকিলে আৰু প্ৰতিজন অসমীয়াই বুজি পালে অভিনয়ৰ অৰ্থ । জাতীয় জীৱনত তেওঁ বাদ্য যন্ত্ৰৰ প্ৰচলন কৰে । খোল, তাল, কি তাক অসমীয়াই বুজি পোৱা নাছিল । "পদুমৰ গোন্ধ গুবৰুৱাই নজনাৰ দৰে" অসমীয়ায়ো নাজানিছিল খোল, তালৰ অৰ্থ । সেয়েহে চিৰস্মৰণীয় গুৰু জনাই অসমীয়া জাতীয় জীৱনক দিলে বাদ্য যন্ত্ৰৰ সম্ভাৰ । আজি অসমীয়াৰ ঘৰে ঘৰে খোল তালৰ প্ৰচলন হল। প্ৰতিজন অসমীয়াই বুজি পালে খোল তালৰ অৰ্থ ।

আজিৰ অসমীয়াই গীত মাত গাব জানে, অভিনয় কৰিব পাৰে, খোলতাল বজাব জানে, প্ৰতিজন অসমীয়াৰ আঁহে আঁহে লুকাই আছে শংকৰদেৱৰ জাতীয় জীৱনৰ জাতীয় প্ৰতিভাৰ গুণত । মহাপুৰুষ শংকৰদেৱে অসমীয়া সাহিত্যৰ জগতলৈ তেওঁ ছয়টা ভাগৰ ৰচনাৱলী দান কৰি

থৈ গৈছে। যেনে-- কাব্য, ভক্তি তত্ত্বমূলক গীত, নামপ্ৰসঙ্গ, অনুবাদ মূলক অংকীয়া নাট। তেওঁৰ ১২ স্কন্ধ ভাগৱত অৱদান উল্লেখ যোগ্য।

জাতীয় সংহতিলৈ শংকৰ দেৱৰ অন্যতম অৱদান হল কীৰ্ত্তন ঘোষা আৰু গুণমালা। প্ৰতি ফাঁকি পদৰ আঁহে আঁহে ভক্তবৃন্দক মধুৰ হৰিনামৰ মধুপান কৰিবলৈ সুবিধা দি থৈ গৈছে। অসমীয়া জাতি মহাপুৰুষৰ অৱদানেৰে সোণালী আখৰেৰে জিলিকি থাকিব।

শ্ৰীমন্ত শংকৰ দেৱ যদিও আমাৰ মাজত জীৱিত অৱস্থাত নাই, তথাপিও তেখেতৰ আৱদান আজিৰ অসমীয়া জাতিৰ মাজত আকাশৰ ধ্ৰুৱ তৰা জিলিকাৰ দৰে জিলিকি আছে। তেখেত বৈকুণ্ঠগামী হৈ অসমীয়াৰ মাজত কীৰ্ত্তন, দশম, বৰগীত অংকীয়া নাট আদি কবিতাৰ ৰসেৰে ভৰপূৰ কৰি কাব্যিক সাহিত্যৰ ভঁৰাল টনকিয়াল কৰি থৈ গৈছে। গুৰুজনাই ওপৰুক্ত অৱদান খিনি অসমীয়াৰ মাজলৈ দান কৰি ১৫৫৮ খৃষ্টাব্দত ইহলীলা সম্বৰণ কৰে।

তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু ॥

# বিজুলীৰ আৱিষ্কাৰ ★

বিদ্যাধৰ চেতিয়া
প্ৰাক্‌স্নাতক, বাণিজ্য

বৰ্ত্তমান যুগত বিজ্ঞানৰ আশ্চৰ্য্য অৱদানে আমাৰ সকলোকে বিস্ময় কৰিছে। বিজ্ঞানে আজি পৃথিবীক শান্ত, সুন্দৰ আৰু কল্যাণকাৰী হিচাবে গঢ়ি তুলিবলৈ সমৰ্থ হৈছে। ঠিক সেইদৰে বৈজ্ঞানিক সকলে বিজুলী আৱিষ্কাৰ কৰি মানুহৰ নৈতিক পৰিবৰ্ত্তন সাধন কৰিছে। বিজ্ঞানে যেনেদৰে আনৱিক শক্তিৰ দ্বাৰা পৃথিবীক ধ্বংস কৰিবলৈ শিকিলে, ঠিক তেনেকৈ শিকিলে বিজুলীৰ দ্বাৰা পৃথিবীক পোহৰ দান কৰিবলৈ।

কেতিয়া কেনেকৈ আৰু কিভাবে এই বিজুলী আৱিষ্কাৰ কৰি মানৱ জাতিক কল্যাণকাৰী হিচাবে গঢ়ি তুলিবলৈ সমৰ্থ হৈছিল তাকে ইয়াত উল্লেখ কৰিছো।

অতি প্ৰাচীন কালত মানুহে দুটা পদাৰ্থ ঘৰ্ষণ কৰি বিজুলী উৎপন্ন কৰিব পাৰিছিল; কিন্তু তেতিয়া ইয়াৰ ব্যৱহাৰ কেনেদৰে কৰিব লাগে তাক নাজানিছিল। ডুকে নামৰ এজন বিখ্যাত বৈজ্ঞানিকে সৰ্ব্ব প্ৰথম এম্বাৰ (amber) নামে এক প্ৰকাৰ কঠিন পদাৰ্থৰ অস্তিত্ব প্ৰমাণ কৰিলে, যাক তেওঁ গ্ৰীক ভাষাত ইলেক্‌ট্ৰন (electron) আখ্যা দিছিল। তেওঁৱে সৰ্ব্ব প্ৰথম প্ৰমাণ কৰিলে যে ইলেক্‌ট্ৰনৰ ঘষণত অধিক বিদ্যুৎ উৎপন্ন হয়। এইদৰে তেওঁ চল - তড়িৎ (current elctricity) ঘৰ্ষ তড়িৎ (fractional electricity) প্ৰমাণ কৰিলে। এই বিজুলীকে আৰু উন্নত কৰিবৰ উদ্দেশ্যে আগবাঢ়ি আহিছিল আমেৰিকাৰ বৈজ্ঞানিক বেঞ্জামিন ফ্ৰাঙ্কলিন (Benjamin Franklin)। তেওঁ প্ৰায়েই আকাশৰ ডাৱৰে ডাৱৰে ঘৰ্ষণ হৈ বিজুলী মৰা দেখিছিল। এদিন তেওঁ দেখিলে যে, আকাশখন কলা ডাৱৰে বিয়পি পৰিছে। তৎক্ষণাত তেওঁ মুগা সূতাৰদৰে এবিধ সূতা লৈ ঘৰ এটাৰ ওপৰত উঠি চিলা এখন উৰুৱাবলৈ ধৰিলে। গৈ গৈ যেতিয়া চিলাখন ডাৱৰৰ গাত ঠেকা লাগিল তেওঁ আচৰিত হৈ চাবলৈ ধৰিলে যে দুভাগ ডাৱৰ পৰস্পৰৰ লগত খুন্দা খাই এটা পোহৰ ৰেখা প্ৰচণ্ড শব্দ কৰি

অদৃশ্য হৈ গ'ল। আৰু লগে লগে মুগা সূতা ডালৰ মাজেদি বিজুলীও বৈ আহিল। এই পোহৰৰ গতি প্ৰতি চেকেণ্ডত ১,৮৬০০০ মাইল আৰু শব্দৰ গতি প্ৰতি চেকেণ্ডত ১১০০ ফুট। তেওঁ আৰু দেখিলে একখণ্ড ডাৱৰৰ লগত আন একখণ্ড ডাৱৰৰ যদি ঘৰ্ষণ হয়, তাৰ ফলত বিজুলী সঞ্চালন হয়। তেতিয়া বতাহ উত্তপ্ত হৈ যি শব্দ তৰঙ্গৰ সৃষ্টি কৰে তাৰ ভায়বহ দৃশ্য বৰ্ণনা কৰা বৰ কঠিন। এইটোৰ পৰাই তেওঁ বিজলীৰ positive Negative (ধনাত্মক ঋণাত্মক) আখ্যান দিয়ে।

এই বিষয়ে অনুসন্ধান কৰি বৈজ্ঞানিক কেলভিনেও (kelvin) ম্যাক্সওয়েলৰ কল্পনাৰ সেই ঢৌবিলাক অস্তিত্বৰ হাৰটীয়া (Hertz) পৰীক্ষাৰ সহায়েৰে প্ৰমাণ কৰে। এই ক্লোৰোফৰ্ম আৱিষ্কাৰ হোৱাৰ আগতে ১৮৪৬ চনত ডব্লিউ টি, জি, মটনে (Adentist from the U. S. A) ৰোগী সকলক অচেতন কৰাবৰ বাবে ব্যৱহাৰ কৰিছিল। ইয়াৰ পিছত ইটালীৰ অধ্যাপক গালভানীয়ে (Galvani) পৰীক্ষা কৰিবৰ উদ্দেশ্যে এটা ভেকুলীৰ মাংসপেশী নিমখ পানীত ডুবাই এডাল তামৰ তাঁৰ দি বাৰান্দাৰ লোহাৰ ৰেলিঙৰ ওপৰত ওলোমাই ৰাখিছিল। হঠাৎ তেওঁ লক্ষ্য কৰিলে যে, যেতিয়া মাংস পেশীটো বতাহৰ চাপত লোহাৰ ৰেলিঙত লাগে তেতিয়া মাংসপেশী সঙ্কোচন হয়। এই বিষয়ে লক্ষ্য কৰি বৈজ্ঞানিক ভল্টায়ে (voltal) এটা চীনামাটিৰ পাত্ৰত নানা ৰাসায়নিক প্ৰক্ৰিয়াৰ দ্বাৰা বিদ্যুৎ প্ৰবাহ উৎপন্ন কৰিলে। সেই টোৱেই প্ৰথম বৈদ্যুতিক বেটাৰি (electric battery) ৰূপে পৰিগণিত হয়। ইয়াৰ পিছতেই আৰম্ভ হয় বিজুলী প্ৰবাহৰ দ্বাৰা মানৱ সমাজৰ উন্নতি। ইয়াৰ বাবে আগবাঢ়ি আহিছিল ১৮৩১ চনত ফেৰাডে (Faraday)। তেওঁ বিজুলী প্ৰবাহৰ অনেক নতুন নতুন তথ্য উদ্ঘাটন কৰি দেখিলে যে, এটা তাঁৰৰ কুণ্ডলীৰ ওচৰত এডোখৰ চুম্বক ধৰিলে কুণ্ডলীৰ মাজেদি তড়িৎ প্ৰবাহ বৈ যায়। সেই তথ্যটোৰ পৰাই তেওঁ ডাইনামাৰ (Dinamar) আৱিষ্কাৰ কৰে। ইয়াৰ পিছত আমেৰিকাৰ বিশ্ববিখ্যাত বৈজ্ঞানিক আলভা এডিচনে (Alva Edison) বিভিন্ন ধৰণৰ বস্তু আৱিষ্কাৰ কৰি মানৱ জাতিৰ কল্যাণৰ বাবে বিলাই দিছিল। তেও আৱিষ্কাৰ কৰা বস্তু বিলাক হ'ল ইলেকট্ৰিক বাল্ব, গ্ৰামফোন। ১৮৭৮ চনত ইলেট্ৰিক লেম্পৰ দ্বাৰা মানুহৰ অনেক উপকাৰ সাধন কৰিলে।

এই বিজুলী প্ৰবাহ আৱিষ্কাৰ হোৱাৰ আগতে কাল গহ্বৰ কয়লাখনিত যিমান হাজাৰ হাজাৰ লোকৰ প্ৰাণহানি হৈ গৈছিল সেই বেদনাৰ দৃশ্য বৰ্ণনা কৰাৰ ক্ষমতা পৃথিৱীৰ দুই এজন লোকৰহে আছে। এই বিলাক দুখ-কষ্ট দেখি সেইসময়ৰ ইংলেণ্ডৰ বৈজ্ঞানিক হামফ্ৰে ডেভিদে অনেক কষ্ট আৰু চেষ্টা কৰি ১৮১৬ চনত কয়লাৰ খনিৰ পোহৰ আৱিষ্কাৰ কৰে।

এইদৰে বিজ্ঞানৰ অগ্ৰগতি হয় আৰু

মানৱৰ অনেক দুদৰ্শা দূৰ হৈ থাকে। ১৮৭৬ খৃষ্টাব্দৰ আমেৰিকাৰ বৈজ্ঞানিক বেলে টেলিফোন আৱিষ্কাৰ, জাগদীশ বসুৰ মাৰ্কোনি কৃতিত্ব ১৮৯৫ চনত বেতাৰযন্ত্ৰ, ১৯৪৪ চনত ইংলেণ্ডৰ বৈজ্ঞানিক বেয়াৰ্ডে'ৰে আৱিষ্কাৰ কৰা টেলিভিচনে পৃথিবীৰ এক নতুন পৰিৱৰ্ত্তন আনি দিয়ে । এই বিজুলীৰ দ্বাৰাই এতিয়া আৰু দহতলাৰ ঘৰত উঠিবলৈ শ শ চিৰি বগাই বা উঠি গৈ আমনি লগাব নালাগে। মূহূৰ্ততে বিজুলী চালিত যন্ত্ৰ Lift ৰে আমাৰ সকলোকে প্ৰয়োজনীয় গন্তব্য স্থানলৈ লৈ যায় । এই বিজুৰী প্ৰৱাহৰ দ্বাৰাই ১৮৯৫ চনত জাৰ্মানী বৈজ্ঞানিক ৰয়েন্টসেনৰ কৃতিত্ব এক্সৰে আৱিষ্কাৰ হয় । ইয়াৰ সহায়েৰে মানুহৰ শৰীৰৰ ভিতৰৰ চিত্ৰ লব পাৰি । এই এক্সৰে আৱিষ্কাৰ নোহোৱা হলে কিমান যে শ শ লোক বিভিন্ন ৰোগত মৃত্যু হলহেতেন তাৰ হিচাব নহল হেতেন । এই বিজুলীৰ উন্নতিৰ বাবে আজি আমি ঘৰতে বহি দূৰ বিদেশৰ বা - বাতৰি ৰেডি'অৰ যোগে শুনিবলৈ পাইছো, টেলিভিচনৰ দ্বাৰা ঘৰৰ টেবুলতে দেশ বিদেশৰ খেল ধেমালি দেখিবলৈ পাইছো। আল্‌ভা এডিচনে তৈয়াৰ কৰা চলচ্চিত্ৰ ? প্ৰেক্ষাগৃহৰ ভিতৰত চকীত বহি দেখিবলৈ পাইছো । এক কথাত কবলৈ হলে এই বিজুলী বিহীন মানৱ জীৱন কল্পনাৰো অতীত ।

= ★ =

তুমি লিখা বাক্য কেইটা আকৌ এবাৰ পঢ়ি চোৱা ম'তেই তোমাৰ বাক্য গাঁঠনি বিশেষভাৱে শুৱলা যেন লাগিছে ঠিক সেই বাক্য কেইটাই কাটি দিয়া ।

ডঃ জনছন —

# ৰক্তাক্ত প্ৰভাত

শ্ৰীজনাৰ্দন দাস
স্নাতক ২য় বাৰ্ষিক (কলা)

নিঃশোষিত ৰক্তত
বঞ্চিতৰ কলিজাৰ জুইঁকুৰা
জ্বলাই দে,
আমাক পোহৰ লাগে
মুক্তিৰ বাবে ॥
ৰক্তলোলুপ দানৱৰ
আবেষ্টনি ভাঙি
মুক্তিৰ ৰণ-চালি হাতত লৈ
আমি আগবাঢ়িম
ধুমুহাৰ গতিত ।
মুক্তি বিহীন ঐক্যতাই
ধ্বংসৰ বীজ আনে
আমাৰ বাবে ॥
আমাৰ বিদ্ধ কলিজাৰ
তপ্ত শোণিতেৰে
আমি জ্বলাইছো
আমাৰ 'সংকল্প শিখা'
এই শিখা মুক্তিৰ শিখা
এই শিখা অনিৰ্বাণ, মৃত্যুঞ্জয়,
এই শিখা ৰক্তপিপাসুহঁতৰ
প্ৰতিৰোধৰ শিখা ॥
আৰু
এই শিখাৰ মাজেৰে
উদয় হব, কাইলৈ
ৰক্তাক্ত প্ৰভাত ।

# মোৰ সেই চিৰস্মৰণীয় দিন কেইটা

শ্ৰীপ্ৰহ্লাদ কুমাৰ বড়া
দ্বিতীয় বাৰ্ষিক স্নাতক (বিজ্ঞান)

নাজানো কোন ঠাইলৈ তেওঁলোকে আমাক লৈ যাব তেওঁলোকে আমাক ঠাইখনৰ নামটোও নকয় - খুউব গোপনীয় কথা হেনো। চিন্তাও লাগিছে! তথাপি যে যাবলৈ খুউব ইচ্ছা! গতিকে যাবই লাগিব।

পুৱা ঠিক ছয় বজাৰ লগে লগে মই ডিগবৈ ৰেলষ্টেচনত উপস্থিত হলোগৈ। প্ৰায় লগে লগেই মোৰ লগতে যাবলৈ ওলোৱা লগৰজনো উপস্থিত হলহি। ভাল লাগিল তেওঁক দেখি। ইতিমধ্যে, আমাক আগবঢ়াবলৈ অহা চাৰজনো উপস্থিত হৈছিলহি। দুয়োৱে একেলগে তেখেতক সন্মান জনাই কৰমৰ্দন কৰিলো।

এইয়া মোৰ এক স্মৰণীয় **Army Attachment camp** ৰ যাত্ৰাৰ আৰম্ভণি! উক্ত শিবিৰত যোগ দিবলৈ ডিগবৈ কলেজৰ পৰা আমি দুজন লৰা নিৰ্বাচিত হৈছো। এটা সময়ত আমি তিনিওজন তিনিচুকীয়া ৰেলষ্টেচন পালোহি। ইয়াতেই আমি আমাৰ লগত যাব লগা ডিব্ৰুগড়ৰ তিনিজনক লগ পালো। কিছুসময়ৰ পাছতেই আমাক নিবলৈ সৈনিক বাহিনীৰ গাড়ী আহি আমাৰ কাষত উপস্থিত হল। লৰা লৰিকৈ আমি আটায়ে গাড়ীত উঠিলো। ইয়াতেই চাৰে আমাক সৈনিকৰ হাতত গতাই দি বিদায় লৈ গুচি গল। সৈনিক বাহিনীৰ গাড়ীৰে আমাক তিনিচুকীয়াৰ পৰা প্ৰায় আঠ কিঃ মিঃ মান আঁতৰত থকা ২৩২ নং **Tranjit camp** লৈ লৈ গল। ই হল সৈনিক বাহিনীৰ এক আলহী ঘৰ। অৰ্থাৎ ইয়াৰ পৰা পূৰ্বাঞ্চলৰ ষিবিলাক গোপন সৈনিকৰ শিবিৰ আছে, য'ত নেকি আন কোনো সাধাৰণ মানুহৰ আৰু যান বাহনৰ যাতায়তৰ সুবিধা নাই, তেনে ঠাইলৈ সৈন্যবাহিনীক কঢ়িয়াই অনা নিয়া কৰাই এই শিবিৰৰ প্ৰধান উদ্দেশ্য।

এই শিবিৰত উপস্থিত হোৱাৰ লগে লগেই আমি সম্পূৰ্ণ সৈনিকৰ তত্বাৱধানত মাজলৈ আহো। ইয়াতেই আমাৰ আৰু বাহিৰৰ সমাজৰ মাজত সম্পৰ্ক নাইকিয়া হৈ পৰে। তেতিয়াৰ পৰাই আমি এক সম্পূৰ্ণ বেলেগ পৰিবেশৰ মাজত আবদ্ধ হৈ পৰো। লগে লগে অনুভৱ হল আমি যেন প্ৰত্যেকেই একোজন সৈনিক। তেতিয়াৰ পৰাই আমি বহু কথাত গোপনীয়তা আৱলম্বন কৰিব লগা হৈছিল। এই শিবিৰত উপস্থিত হোৱাৰ প্ৰধান উদ্দেশ্য হল, সকলো ঠাইৰ কেডেট ইয়াতেই একগোট হৈ একেলগে ইয়াৰ পৰা লক্ষ্যস্থলৈ ৰাওনা হোৱা। ইতিমধ্যে সকলো ঠাইৰ সৰ্বমুঠ পঞ্চাছজন কেডেট এই শিবিৰত উপস্থিত হ'লহি।

এই শিবিৰত দুদিন থকাৰ পাছত আঠ ডিচেম্বৰৰ দিনা পুৱা আমাক জানিবলৈ দিয়ে যে অৰুণাচল প্ৰদেশৰ লোহিতপুৰৰ কোনো এক গোপন ঠাইত 9th Maratha light Infantry নামে এক গোপন শিবিৰৰ লগত আমাৰ শিবিৰ অনুষ্ঠিত হয়। লগে লগে আমাক সাজুহবলৈ অনুমতি দিলে। আমিও সকলোৱে পলম নকৰি - লৰা লৰিকৈ বিছনা পত্ৰ বান্ধি প্ৰত্যেকৰেই লগত Packet Lunch লৈ সৈন্য বাহিনীৰ গাড়ীত দুভাগ হৈ উঠিলো। পুৱা প্ৰায় ছয় মান বজাৰ লগে লগে আমাৰ গাড়ী লোহিতপুৰৰ অভিমুখে ৰাওনা হল! অকোৰা পকোৰা বাটেৰে আমাৰ গাড়ী ক্ষিপ্ৰ গতিত আগবাঢ়িবলৈ ধৰিলে। এটা সময়ত আমি অৰুণাচল প্ৰদেশত প্ৰবেশ কৰোঁ। অচিনাকী ঠাইবোৰ দেখি আৰু অৰুণাচলৰ মনোৰম প্ৰাকৃতিক দৃশ্যৰাজিয়ে মোৰ মন প্ৰফুল্লিত কৰিছিল। ক্ষন্তেকৰ বাবে মই যেন হেৰাই গৈছিলোঁ, সেই সেউজীয়া সৌন্দৰ্য্যৰ মাজত। পাহৰি গৈছিলো মোৰ যাত্ৰাৰ কথা। ঠিক বাৰ মান বজাত আমাৰ গাড়ী নামচাই নামে ঠাইত ৰলগৈ। তাতে আমি লগত লৈ যোৱা Packet lunch খাই লওঁ। তাৰ পাছত পুনৰ আৰম্ভ হল আমাৰ যাত্ৰা। যিমানেই আমি আগবাঢ়ি গৈছিলো সিমানেই মোৰ মনটো আনন্দত নাচি উঠিছিল। কিয়নো যিমানেই আমি অৰুণাচলৰ ভিতৰুৱা ঠাইলৈ আগবাঢ়ি গৈছিলো, সিমানেই যেন তাৰ প্ৰাকৃতিক দৃশ্যবোৰৰ শোভাও বাঢ়ি গৈছিল। কোনো কোনো নৈৰ ওপৰত এতিয়াও দলং হোৱা নাই। সেয়েহে আমি কেইখনমান নৈত ফেৰিৰে আৰু কেইখনমান নৈত পানীৰ ওপৰেৰে গাড়ী পাৰ কৰিব লগা হৈছিল। মাজে মাজে অৰুণাচলৰ পাহাৰৰ বৰফপৰা ওখ ওখ টিং বিলাকৰ - অপৰূপ সৌন্দৰ্য্য মোৰ চকুত পৰিছিল। তাৰোপৰি সূৰ্য্যৰ পোহৰত জিলিকি উঠা প্ৰায় শুকান বালিময় অকোৰা পকোৰা নৈবোৰ নামনিলৈ বৈ অহা সীমাহীন সৌন্দৰ্য্যৰাজি দেখি মোৰ সৌন্দৰ্য্য পিপাসু মন আনন্দত আত্মহাৰা হৈছিল। সেই দৃশ্য দেখি ভাব হৈছিল মই যেন কোনোবা শিল্পীয়ে আঁকি থোৱা ছবিহে উপভোগ কৰিছো। এটা সময়ত সূৰ্য্যদেৱতা পৃথিৱীৰ বুকুৰ পৰা হেৰাই গৈছিল। প্ৰায় লগে লগে ময়ো মোৰ

সেই হেপাহ নপলোৱা প্ৰাকৃতিক দৃশ্য উপভোগ কৰাৰ পৰা বঞ্চিত হৈ পৰছিলো । গাড়ীৰ লাইটৰ পোহৰত গম পাইছিলো আমি ক্ৰমে দুৰ্গম অটব্য হাবিৰ মাজেৰে আগবাঢ়িব ধৰিছোঁ। এটিও জনপ্ৰাণী দেখিবলৈ নোপোৱা হাবিৰ মাজে মাজে ঠেক সৰু বাটেৰে ক্ৰমে আমি ওপৰলৈ পাহাৰৰ অকোৱা পকোৱা বাটেৰে আগবাঢ়ি গৈছো ।

এইদৰে গৈ গৈ এটা সময়ত নিশা প্ৰায় আঠমান বজাত আমি আমাৰ লক্ষ্যস্থানত উপস্থিত হলোগৈ । ইতিমধ্যে আমি প্ৰায় ভাগৰি পৰিছিলো । কাৰণ ইমান দীঘলীয়া অকোৱা পকোৱা বাট ভ্ৰমণ কৰাৰ আমাৰ অভিজ্ঞতা প্ৰায় নাছিল বুলিবই পাৰি । লৰা লৰিকৈ আমি গাড়ীৰ পৰা বিছনা পত্ৰ নমাই একগোট হলো । এনেতে তেওঁলোকৰ এজন অফিচাৰ আহি আমাক আদৰণি জনাই অলপ সময় শিবিৰৰ নিয়ম-কানুনৰ বিষয়ে কৈ আমাক নিজৰ নিজৰ শিবিৰলৈ যাবলৈ অনুমতি দিলে । আমিও সময় নষ্ট নকৰি শিবিৰত বিছনা পত্ৰ থৈ হাতমুখ ধুই ভাতপানী খাই নিশা দহমান বজাত শুই পৰোঁ । আমাৰ শিবিৰত আমি দহজন কেডেট আছিলো । আমাৰ মুঠ পাচটা শিবিৰ আছিল ।

তাৰ পাছতেই আৰম্ভ হল আমাৰ প্ৰশিক্ষণৰ দিন কেইটা অৰ্থাৎ ৯-১২-৮২ তাৰিখৰ পৰা মোৰ সেই চিৰ স্মৰণীয় কেতিয়াও পাহৰিব নোৱাৰা দিন কেইটা উপস্থিত হল । শিবিৰৰ নিয়ম অনুযায়ী পুৱা ৪-৩০ বজাত শুই উঠাৰ পৰা সন্ধিয়া ৪ বজালৈকে কেৱল প্ৰশিক্ষণৰ মাজতে আবদ্ধ থাকিব লাগে । জিৰণি বুলিবলৈ কেৱল ভাতখোৱা আৰু চাহখোৱা সময়কণেই । ইয়াৰ বাহিৰে আমি জিৰণি বুলিবলৈ অকণো সময় পোৱা নাছিলো । ভাত খাবলৈ মাত্ৰ দহ মিনিট মানহে সময় পাওঁ । চাহ খোৱাটো নকওঁৱেই । ভাত খায়েই লগে লগে বাছৰ প্ৰশিক্ষণৰ বাবে সাজু হব লাগে । পুৱাৰে পৰাই P.T', Drill', Theory, Practical আদি Class ৰ মাজেৰে ব্যস্ত থাকিব লাগে । অৱশ্যে দেওবাৰ দিনটো আমাৰ সম্পূৰ্ণ জিৰণিৰ দিন । প্ৰথম অৱস্থাত মই বৰ কষ্ট অনুভব কৰিছিলো । সেয়ে অলপ বিৰক্তিৰ ভাবো হৈছিল । পাছলৈ অৱশ্যে ই মোৰ অভ্যাসত পৰিণত হৈছিল আৰু ভালো লাগিছিল । প্ৰশিক্ষণ বিলাক কিন্তু বৰ সহজ বিধৰ নাছিল ।

প্ৰশিক্ষণৰ দিন কেইটাৰ মাজতে এদিনাখন আমাৰ Road March আৰু এদিনাখন Night March হৈছিল । Night March ৰ দিনা মোৰ এনে ভাব হৈছিল, মই যেন সঁচাই যুদ্ধলৈ যোৱা এজন সৈনিকেহে । নিশা যেতিয়া সম্পূৰ্ণ সৈনিকৰ বেশেৰে হাতত ৰাইফল লৈ পাহাৰৰ লুংলুঙীয়া হাবিময় অকোৱা পকোৱা বাটেৰে শাৰী শাৰী হৈ আগুৱাই যাওঁ

আৰু মাজে মাজে চাৰৰ ইঙ্গিত মতে যুদ্ধৰ অংগি-ভংগী কৰো তেতিয়া সঁচাই মোৰ খুউব ভাল লাগিছিল। তাৰোপৰি Rifle firing ৰ সময়ত শ শ গুলিৰ শব্দই যেতিয়া পাহাৰ বোৰত ঠেকা খাই তাৰ প্ৰতিধ্বনিয়ে হাজাৰ চিঞৰ মাৰি গোটেই অঞ্চলটো কঁপাই তুলিছিল, তেতিয়া সেই মুহূৰ্ত্তত এক ভাবিব নোৱাৰা পৰিবেশৰ সৃষ্টি কৰিছিল। ইয়াৰ মাজতে আমাক এদিন শিবিৰত থকা সকলো ধৰণৰ অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰি দেখুৱাইছিল। সেইদিনা ভাব হৈছিল অঞ্চলটোত যেন মহাসমৰৰ হে সৃষ্টি হৈছে। গুলি আৰু বোমাৰ শব্দই গোটেই অঞ্চলটো কঁপাই তুলিছিল। ভাবিলে আচৰিত লাগে যে কিমান ধৰণৰ উন্নত অস্ত্ৰ শস্ত্ৰ আমাৰ সেনা বাহিনীৰ হাতত আছে। সেইবোৰৰ ভিতৰত মোক বিশেষকৈ মুগ্ধ কৰিছিল 81 m. m Mortor, Machine Gun, Light Machine Gun Carbine Machine Gun, Unievrsal machine Gun, Rifle genet, 84 m. m. Rocket Lancer, S. L R আদিয়ে। 81 mm Mortor এনে এবিধ অস্ত্ৰ যিটোৱে নেকি ইয়াৰ পৰা প্ৰায় আঠ কিঃ মিঃ দূৰৈৰ কোনো ঠাইত গোলাবৰ্ষণ কৰিব পাৰি। আৰু ই চাৰিওকাষে এশগজ পৰ্য্যন্ত ধ্বংশ কৰিব পাৰে। m m. g ৰ দ্বাৰা প্ৰতি মিনিটত 236 Round গুলি একেৰাহে মাৰিব পাৰি। 1800 মিটাৰ দূৰৈৰ শত্ৰুকো ই ঘাইল কৰিব পাৰে। এটা m. m g য়ে এটা বেটেলিয়ানক অনায়াসে বাধা দিব পাৰে। Racket Lancer ৰ দ্বাৰা 1040 মিটাৰ আঁতৰত থকা উৰাজাহাজক ধ্বংস কৰিব পাৰি।

Army Attachment camp ৰ সেই দিন কেইটা সঁচাই মোৰ বাবে চিৰস্মৰণীয় হৈ ৰব। পুৱাৰে পৰাই যেতিয়া হাতত ৰাইফলনৈ সম্পূৰ্ণ সৈনিকৰ পোচাকেৰে প্ৰশিক্ষণ লবলৈ শিবিৰৰ পৰা ওলাই যাও আৰু গোটেই দিনটো যেতিয়া নানা প্ৰশিক্ষণৰ মাজত আবদ্ধ থাকো তেতিয়া মোৰ ভাব হয়, মই যেন কোনেকো ভয় নকৰা ভাৰতৰ মাতৃক ৰক্ষা কৰিবলৈ যুদ্ধলৈ যাবলৈ ওলোৱা এক সৈনিক। তাৰোপৰি উক্ত দিন কেইটাৰ ভিতৰত মই বহুবিধ প্ৰশিক্ষণ অতি সহজে আয়ত্ব কৰি লব পাৰিছিলো। তাৰ ভিতৰত প্ৰধানকৈ weapon Training অৰ্থাৎ কোনবিধ ৰাইফল কেনেকৈ চালনা কৰিব লাগে, সিহঁতৰ কোনবিধৰ শক্তি কিমান, কেনেকৈ শত্ৰুপক্ষৰ ওপৰত graned পেলোৱা হয়। কেনেকৈ শত্ৰু পক্ষক বাধা দিবলৈ Mnie ক পোতা হয় আৰো শত্ৰু পক্ষই পোতা mine ক কেনেকৈ উলিয়াই অনা হয়, Charge fitting অৰ্থাৎ গুদামঘৰ, দলং আদিত কি দৰে charge fitting কৰি সেইবোৰ ধ্বংস কৰা হয়; কেনেকৈ wire obsatcles লগোৱা হয় অৰ্থাৎ হাবিৰ মাজত শত্ৰু আহিব নোৱাৰাকৈ কেনেকৈ কাটা তাঁৰ লগোৱা হয়; কি দৰে খালি হাতে শত্ৰুক আক্ৰমণ কৰিব পাৰি ইত্যাদি বোৰৰ উপৰিও

First Aid, map reading, patrolling, leadership, Drill আদিও মই প্ৰশিক্ষণ কালছোৱাত আয়ত্ব কৰি লব পাৰিছিলো ।

এই প্ৰশিক্ষণ কালছোৱাত মই আৰু এটা কথা উপলব্ধি কৰিছিলো সেইটো হ'ল আমি ভিন ভিন ঠাইৰ কেডেটৰ লগত পৰস্পৰে পৰস্পৰৰ মাজত বন্ধুত গঢ়ি তুলিবলৈ সুবিধা লভিছিলো । ই মোৰ বাবে এক গৌৰৱৰ বিষ আছিল । গোপনীয়তা ৰক্ষা শৃঙ্খলাবদ্ধতা মানি চলাটো এই শিবিৰৰ এক প্ৰধান কৰ্ত্তব্য আছিল । কাৰণ ই এক গোপন শিবিৰ গতিকে আমি কোনো ধৰণৰ বিশেষ আলোচনা আদি কৰিব নোৱাৰিছিলো ! মই ঘৰলৈ উভতি গৈহে ঘৰত জনাব পাৰিছিলো — যে মই ইমান দিনে ক'ত প্ৰশিক্ষণ লৈছিলো । কাৰণ চিঠি পত্ৰত শিবিৰৰ বিষয়ে আৰু আমি কত প্ৰশিক্ষণ লৈছো আদি বিষয়বোৰ চিঠিত লিখা সম্পুৰ্ণ নিষেধ আছিল তেওঁলোকে আমাৰ সকলোবোৰ চিঠি পত্ৰ পঢ়ি চাইহে চিঠিবোৰ নিৰ্দিষ্ট ঠাইলৈ পঠিয়াইছিল । প্ৰক্ষিক্ষণ চলি থকাৰ কালছোৱাত শেষৰ দিনা আমাৰ ইমান দিনে লোৱা গোটেই প্ৰশিক্ষণৰ ওপৰত এটা পৰীক্ষা হৈছিল । সেই পৰীক্ষাত মই শতকৰা ৬৭ নম্বৰ পাই পঞ্চমস্থান অধিকাৰ কৰো তাৰোপৰি শিবিৰৰ শৃঙ্খলাবদ্ধতাৰ বাবে কেইবাদিনো আমাৰ শিবিৰে প্ৰথম স্থান অধিকাৰ কৰিছিল ।

চাৰিওফালে ওখ ওখ পাহাৰে আগুৰা এফালে বিৰাট দ নদীখাত তাৰ মাজতে এটলীয়া ঠাইত আমাৰ শিবিৰটো । পুৱা শুই উঠাৰ পৰাই চকুত পৰে বিশ্বখনিকৰে সজা সেই সেউজীয়া ওখ পাহাৰ আৰু দ নলীখাতৰ অপৰূপ প্ৰাকৃতিক দৃশ্যবোৰ । সচাই অতি মনোৰম সেই দৃশ্যবোৰ ।

এয়াই আছিল মোৰ বাইছ দিনিয়া Army Attachment camp ৰ সেই চিৰস্মৰণীয় দিন কেইটা । শেষত মই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰো যেন আগলৈ পুনৰ এইদৰে নন শিবিৰত যোগদান কৰি নন কথা শিকিবলৈ সুবিধা পাওঁ ।

গল্প*

# নতুন যাত্ৰা

শ্ৰীমীনু শইকীয়া
প্ৰাকস্নাতক ২য় বাৰ্ষিক (কলা)

টং ...... টং........টং........ । ঘড়ীটোৱে নিশা বাৰটা বজাৰ সংকেত দি গল । কিন্তু বিজনৰ চকুত এতিয়াও টোপনী নাই । অশান্তিত সি বিছনাতে ছট্‌ফটাইছে । বাৰে বাৰে চকুত ভাঁহি উঠিছে পানীৰ তলত বুৰ গৈ থকা সিহঁতৰ গাওঁখনৰ প্ৰতিচ্ছবি। ভাঁহি উঠিছে ধনবৰ কাই, সোমেশ্বৰ মেধি, 'মণিৰাম দদাইহঁতৰ নিৰাশাত ভাগি পৰা মুখবিলাক, আৰু ভাঁহি উঠিছে গাঁৱৰ মানুহ বিলাকৰ শুকান ভোকাতুৰ মুখবিলাক । কাণত তাৰ প্ৰতিধ্বনিত হৈছে । গাঁৱৰ সকলোৱে নিজক বচা-বলৈ কৰা চেষ্টাৰ আৰ্তনাদ । বিজনে শুব পৰা নাই । গাওঁখনৰ প্ৰতিচ্ছবি, ৰাইজৰ হাহাঁকাৰ ধ্বনিয়ে বিজনৰ বুকুত শেল বহুৱা-ইছে । বিজনৰ আজি ভাৱ হৈছে এই সকলোবোৰৰ মূলতে সি নিজেই । সি কৰা পাপ কৰ্মৰেই এইয়া পৰিণতি ।

বিহপুৰীয়া গাঁও এখনি সৰু গাওঁ । সেই গাৱঁৰ লৰা বিজন । গাৱঁৰ বোকাপানী বতাহতে বিজন ডাঙৰ হৈছে । গাঁৱৰ প্ৰতিটো ঘাট প্ৰতিঘাটক সি চিনি পায় । এই গাঁৱৰ বুকুতেই শৈশৱ এৰি যৌৱনত ভৰি দিলে । তাৰ প্ৰথম শিক্ষা জীৱনৰ পাতনি গাঁৱতেই । গাঁওখনৰ মাজেদি বৈ যোৱা দিহিং নৈ খনক সি ভালকৈয়ে চিনিপায় । চিনি নাপাবনো কিয় ? সিদিনালৈকে দেখোন সি সেইখন নৈৰ কাষে কাষে গৰখীয়া লৰাজাকৰ সৈতে গৰু চৰাই ফুৰিছিল ।

পাৰত বহি বৰশীৰে মাছ ধৰিছিল আৰু কত যে কি নকৰিছিল। কিন্তু বিজনৰ বাবে আজি সেইবোৰ দিন হেৰাই গৈছে। কালৰ বুকুত বিজনৰ অতীত নিঃশেষ হৈ গৈছে; বিজনে এতিয়া গাঁওখনক চিনিও নিচিনাৰ দৰে। গাঁওখনৰ লগত সি এতিয়া বৰ বেছি সম্পৰ্ক নাৰাখে। আজি বহুত দিনেই সি গাঁৱৰ কাৰো ঘৰলৈ যোৱা নাই। অথচ আজি কেইবছৰ মান আগলৈকে বিজনে গাঁৱৰ প্ৰতিঘৰলৈকে গৈছিল। অমলা পেহী, নুমলী খুৰী, বায়ন দদাইহঁতৰ ঘৰতো এপাক সদায়েই মাৰে। এদিন নগলেই পেহী, খুৰী, দদাইহঁতে তাৰ খবৰ লয়। বায়ন দদাইটিৰ ছোৱালী তগৰৰ লগত সি অলপ চুপতি মাৰিছিল। তগৰেই তাৰ জীৱনলৈ প্ৰথম যৌৱনৰ পচোৱা বতাহ জাক বোৱাই দিছিলে। তগৰৰ সংস্পৰ্শলৈ আহি তাৰ নিজকে ডেকা ডেকা যেন লাগি গৈছিল। বিহুতলিত, বিয়াই সবাহে, নামঘৰৰ ভোজ আদিত তগৰক লগ পাবলৈ তাৰ ডেকা মনটোৱে তেতিয়া ব্যাকুল হৈ পৰিছিল। কিন্তু বিজনে সেই অমলা পেহী, নুমলী খুৰী, বায়ন দদাইটি কাৰো ঘৰলৈকে বহুতদিন ধৰি যোৱা নাই। যি জনী তগৰৰ বাবে বিজনে প্ৰথম যৌৱনৰ সম্ভেদ পাইছিল সেইজনী তগৰৰ কোনো খা-খবৰ সি ৰখা নাই। অন্যহাতে তগৰে বিজন গাঁৱলৈ আহিলে এতিয়াও তাৰ খবৰ ৰাখে। তাৰ ওপৰত খং কৰি দেখুৱায় সিহতঁৰ ঘৰলৈ নোযোৱাৰ বাবে। তগৰৰ ব্যৱহাৰত সি মাথোন হাঁহে। কয়, সময় পালে যাম বুলি। কিন্তু নাযায়; সি গাঁৱত নুফুৰাৰ বাবে অমলা পেহীয়েও তাক বহুত কথা শুনায়। কিয় জানো আজিকালি তাৰ ভাল নালাগে গাঁৱৰ খবৰ বিলাক। গাঁৱত ফুৰিলে তাৰ নিজকে বৰ কিবা কিবা লাগে। তগৰে আগৰদৰে সিঁহতৰ ঘৰলৈ আহি হাঁহি ধেমালি কৰিলেও বিজনৰ কিন্তু তগৰৰ প্ৰতি কোনো সহানুভূতি নোপজে। তগৰক আজি কালি তাৰ বৰ বেকৱাৰ্ড লাগে। সেয়েহে তগৰৰ লগত এতিয়া ধেমালি কৰিলেও তাত কোনো আন্তৰিকতা নাই। চহৰৰ বিখ্যাত ব্যৱসায়ী মিঃ আৰ চৌধুৰীৰ ছোৱালী চঞ্চলাৰ কথা ভাবিলে তাৰ মনটো এনেয়ে ভাল লাগে। কিমান যে ধনী ঘৰৰ ছোৱালী চঞ্চলা। চঞ্চলাক জীৱনৰ লগৰী হিচাবে পালে বিজনৰ যথেষ্ট লাভ হব। চঞ্চলাৰ চৰিত্ৰটো অলপ বেয়া হলেও বিয়াৰ পিছত ঠিক হৈ যাব বুলি বিজনৰ পূৰা বিশ্বাস আছে। চঞ্চলা নগৰৰ আধুনিকা শিক্ষিতা ছোৱালী। তাই চঞ্চলা গাভৰু। অন্তৰত তাই সাঁচি ৰাখে কৃত্ৰিম ভালপোৱা। তাই জানে কেনেকৈ বিজনক কৰায়ত্ব কৰিব লাগে। বিজন আজি চঞ্চলাৰ হাতৰ পুতলা। আনকি আৰ চৌধুৰীৰো। আজিকালি বিজনে চঞ্চলাৰ নিৰ্দেশতেই কাম কৰে। আনহাতে তগৰ গাৱলীয়া অশিক্ষিত ছোৱালী। স্বাস্থ্যৱতী, ৰূপহী হলেও তগৰ চঞ্চলাৰ দৰে চঞ্চল নহয়। তগৰ ধীৰ, স্থিৰ

আৰু লাজকুৰীয়া । তাইৰ অন্তৰত আছে অকৃত্ৰিম ভালপোৱা । তাই অভিনয় কৰিব নাজানে, নাজানে ছলনা কৰিব ।

দুখীয়া খেতিয়ক হৰেশ্বৰ হাজৰিকাৰ একমাত্ৰ মাতৃহীন লৰা বিজন । সি নাজানে তাৰ কেতিয়াবা মাক আছিল বুলি । মাকৰ মৰম সি কোনোদিনেই পোৱা নাই । কিন্তু সি শুনিছে তাৰো বোলে এজনী মৰমীয়াল মাক আছিল । আছিল তিনিটা ককায়েক আৰু এজনী বায়েক । এই গোটেইকেইটা প্ৰাণীকে নিয়তিয়ে হৰেশ্বৰ হাজৰিকাৰ বুকুৰ পৰা কাঢ়ি লৈ গল । কালৰ বুকুত হেৰাই গল এই পাঁচোটা প্ৰাণী । হৰেশ্বৰ হাজৰিকাৰ পত্নী জুনুপ্ৰভাই পাঁচবছৰৰ ভিতৰত এটাৰ পাছত এটাকৈ চাৰিটা মৃত সন্তান প্ৰসৱ কৰি অৱশেষত বিজনক জীৱিত সন্তান হিচাবে জন্ম দি গুছি গল কোনো এক অজান ৰাজ্যলৈ । হৰেশ্বৰ হাজৰিকাই মাতৃহীন কেছুৱাটিক ডাঙৰ কৰিলে অতি কষ্টেৰে । বিজন ডাঙৰ হল । সি বুজিলে দেউতাকৰ কষ্টৰ কথা আৰু শিকিলে দেউতাকৰ শ্ৰমক মূল্য দিবলৈ । তাৰ বৰ দুখ লাগে । দেউতাকে মাথোন তাৰ বাবেই আনৰ ঘৰত অলপ মজুৰিতে হাজিৰা কৰে । আনৰ টান টান কথাবিলাক শুনে । কিন্তু সেই বাবে তাৰ কোনো উপায় নাই । কিয়নো দেউতাকে যি খেতি কৰে সেই খেতিয়ে সিহঁত দুটাৰ বাবে ছমাহো খাবলৈ নোজোৰে । সিহঁতৰ প্ৰায়খিনি খেতি বাৰিষা বানপানীৰ তলতেই দুই তিনিদিন ধৰি বুৰি থাকে । অৱশেষত যিখিনি পায় সেই খিনি অতি সামান্য । সেয়েহে বিজনৰ কেতিয়াবা বৰ খং উঠে পথাৰৰ মাজেৰে বৈ যোৱা দিহিং নৈ খনলৈ । এই দিহিং নৈখনে গোটেই গাঁওখনকে বছৰৰ পাছত বছৰ ধৰি জীয়াতু ভোগাইছে । খেতি বাতি নষ্ট কৰাৰ লগতে গোটেই গাঁওখনতে বান আহি কিমানযে ঘৰ-দুৱাৰ নষ্ট কৰিছে আৰু গৰু, ম'হ, হাঁহ কুকুৰা মাৰিছে তাৰ হিচাপ নাই । বান অহাৰ সময়ত গাঁওবাসীৰ শুকান মুখবিলাক চাই বিজনৰ বৰ দুখ লাগে । সেই সময়ত দেউতাকলৈ চালে সি দেখা পায় দেউতাকৰ চকুত থাকে নিৰাশ কলা ডাৱৰ । সিও কান্দে কোনেও নেদেখাকৈ । সময় বাগৰি যায় । বিজনে গাঁৱৰ প্ৰাথমিক স্কুলতেই প্ৰথম শিক্ষা জীৱনৰ পাতনি মেলে । বিজন চতুৰ তথা মেধা ছাত্ৰ । স্কুলত পঢ়িও দেউতাকৰ কামত সহায় কৰে । মেধা ছাত্ৰ হিচাবে চৰকাৰৰ পৰা বিজনে বৃত্তি পায় । বিজনে এদিন মেট্ৰিক প্ৰথম বিভাগত পাছ কৰি গাঁও খনৰ নাম উজ্বল কৰিলে । যিহেতু প্ৰথম বিভাগত মেট্ৰিক পাছ কৰা প্ৰথম বিজনেই । গোটেই গাঁওখনৰে বিজন অতি আদৰৰ হৈ পৰিল । বিজনেও গাঁওখনক আপোন কৰি ললে নিজৰ আদৰ্শৰে । লগতে আপোন কৰি ললে বায়ন দদাইৰ ছোৱালী তগৰক । বিজন গাৱলীয়া ডেকা । ৰূপহী তগৰৰ ৰূপত

বিজন আকৰ্ষিত হল। তগৰক বিজনে ভৱিষ্যতে নিজৰ কৰি লোৱাৰ কথাকে ভাবি থলে। গোটেই গাঁওখনৰ লগত বিজন মিলি গল। গাৱঁৰ সকলো অনুষ্ঠানতে বিজনে আগভাগ লয়। ঠিক তেনেসময়তে বিজন গুছি গল উচ্চ শিক্ষাৰ নিমিত্তে। দেউতাকৰ কঠোৰ শ্ৰমৰ বিনিময়ত অৰ্জ্জা পইছা আৰু নিজেও চৰকাৰৰ পৰা বৃত্তি লৈ বিজনে উচ্চশিক্ষা গ্ৰহণ কৰিলে। বিজনে বন্ধত গাঁৱলৈ আহে। বৰ ভাল লাগে তেতিয়া তাৰ নিজৰ গাঁওখনক। ভাল লাগে অমলাপেহী, নুমলী খুৰীহঁতে সি আহিব বুলি জানি জলপান পিঠাপনা আদি কৰি থোৱাৰ কথা ভাৱি। তাতোকৈ ভাল লাগে তগৰজনীক। সি আহিলে অপেক্ষাৰতা তগৰ জনীক সি বহুত কথা কয়। সেই কথা বিলাক তাইযে কিমান মনদি শুনে আৰু দুই এটা মন্তব্য দিয়ে সেই কথা ভাবি বিজনৰ অন্তৰত বুজাব নোৱাৰা আনন্দই আগুৰি ধৰে। কিবা এক শিহৰণত সি আপ্লুত হয়। বন্ধ শেষ হলে বিজন আকৌ পঢ়িবলৈ গুছি যায়। শেষত বিজনে এদিন ইঞ্জিনীয়াৰিং পাছ কৰে।

● ● ●

বিজন এতিয়া ইঞ্জিনীয়াৰ চাহাব। তাৰ এতিয়া বহুত টকা। আজিকালি সি গাঁৱত নাথাকে। গাঁওখন তাৰ ভাল নালাগে। তাতে আজিকালি সি চহৰৰ বিখ্যাত ধনী ব্যৱসায়ী চঞ্চলাৰ প্ৰেমত পৰিছে। চহৰত ডাওৰ ঘৰ দুৱাৰ আছে। তাৰ নিজাকৈ এখন গাড়ীও আছে। গাঁৱলৈ খুউব কম আহে। তাকো দেউতাকক এৰিব নোৱাৰিহে। দেউতাকক সি চহৰলৈ লৈ যোৱাৰ কথা কৈছিল। দেউ-তাকে কিন্তু যাবলৈ সন্মত নহল। তেওঁ গাঁও এৰি এতিয়া কলৈকো যোৱাৰ ইচ্ছা নাই। গাঁওখন তেওঁৰ বৰ আপোন। বিজনেও টাউনত ঘৰদুৱাৰ নাসাজি গাঁৱত সজা হেতেন বৰ ভাল পালেহেতেন। বিজনে আৰু চেণ্টা নকৰিলে তেঁওক চহৰলৈ নিবলৈ। তথাপিও এটা কাম কৰিলে–– গাঁৱৰ ঘৰটো প্ৰতিবছৰে বানপানীত বুৰাৰ বাবে বিজনে গাঁও খনৰ চৰকাৰী ৰাণ্টাটোৰ ইপাৰে খালি হৈ থকা এডোখৰ মাটি কিনি এটা ঘৰ সাজি নানা যুক্তি দৰ্শাই দেউতাকক লৈ আহিল। গোটেই গাঁওখনত বানপানী হলেও ওখ হোৱাৰ বাবে চৰকাৰী ৰাণ্টাৰ ওপৰলৈ বানপানী আহিব নোৱাৰে। গতিকে বিজন হঁতৰ এই ঘৰটোতো বানপানী নোসোমায়। যিকি নহওঁক এইবাৰ বিজন নিশ্চিন্ত হল দেউতাকক নিৰাপদে থৈ। ইয়াৰ পাছতে এদিন বিজনে চৰকাৰৰ পৰা অৰ্ডাৰ পালে সিহঁতৰ গাঁৱৰ মথাউৰিটো বন্ধাবলৈ। কেইবাহাজাৰো টকা চৰকাৰে মঞ্জুৰ কৰিলে। বিজনৰ অধীনত মথাউৰিৰ কাম আৰম্ভ হল। গোটেই গাঁওখনে এইবাৰৰ বানপানীৰ পৰা ৰক্ষা পোৱা বুলি ভাবি আনন্দিত হল। গাঁৱৰ মুখে মুখে প্ৰশংসা বিজনক লৈ।

ভৰ বাৰিষা। গাঁৱৰ ৰাইজে এইবাৰ নতুন উদ্যমেৰে খেতি কৰিলে। গাঁৱৰ সকলোৱে নিশ্চিত এইবাৰ বিহপুৰীয়া গাঁৱলৈ দিহিঙে বান আনিব নোৱাৰে। বান আহিব খুজিলেও মথাউৰিয়ে বাধা দিব। সেয়েহে ধনবৰ কাই, ৰতন, কৃষ্ণৰাম, দেৱেশ্বৰ হঁতৰ মুখৰপৰা হাল

বাঁওতে, আলি দিওঁতে ইটোৰ পাছত সিটো বিহুৰ জাত ওলায়েই থাকে । কিমানযে আনন্দ সিহঁতৰ এইবাৰ । সিহঁতৰ বিহুজাত বোৰৰ প্ৰত্যুত্তৰ হিচাবে ৰঙিলী, সাৱিত্ৰী, মোহিনীহঁতেও নতুন নতুন বিহুৰ জাত মাৰে । ৰাইজৰ লাহে লাহে খেতি প্ৰায় শেষ হল । যোৱা তিনিদিন ধৰি ধাৰাসাৰে বৰষুণ দি আছে । দিহিংখনেও ফেনে ফোটোকাৰে ওফন্দি উঠিছে । দিহিঙলৈ চাই ৰাইজে অলপ ভয় খাইছে । তথাপিও ৰাইজ নিশ্চিন্ত– মথাউৰিটোলৈ চাই । কিন্তু আজি চাৰিদিনৰ দিনা হঠাৎ শুনা গল দিহিঙে মথাউৰি ভাঙিলে । ৰাইজ সজু নাছিল বানপানী আহিলে পলাবলৈ । সেয়েহে সকলোৱে হুৰমূৰকৈ যত যি পালে তাকে উঠাই আনি মূল চৰকাৰী ৰাষ্টাটোলৈ আহিল । বস্তুবিলাক কোনেও ঠিক কৰি লব নোৱাৰিলে । অন্য হাতে বৰষুণ জাক দিয়েই আছে । গৰু মহৰ দিহা কৰিবলৈ ৰাইজৰ সময় নহল । অলপ পাছতে দেখা গল গোটেই গাঁওখনকে পানীয়ে বুৰাই পেলালে । গৰুমহ বিলাকে প্ৰাণ ৰক্ষাৰ বাবে নিজে নিজেই ৰাষ্টাত উঠিলহি । বহুতে উঠিব নোৱাৰিলেহি । বানপানীৰ বুকুতেই মৰণক আকোৱালি ললে । গোটেই ৰাইজ এইবাৰ বেছিকৈ নিৰাশাত ভাগি পৰিল । কিয়নো অন্যবাৰ বানপানী হলেও ৰাইজে আগতেই সতৰ্ক হয় । ফলত খাদ্যবস্তুৰ লগতে অন্য বস্তুবিলাকৰো নিৰাপত্তা ৰাইজে কৰিব পাৰে । এইবাৰ কিন্তু ৰাইজ সতৰ্ক হৈ নথকাৰ বাবে বিশেষ একো কৰিব নোৱাৰিলে । সেয়েহে ৰাইজৰ চকুত নিৰাশাৰ বেদনা । বিজন যোৱা কালিয়েই আহিছিল গাঁৱলৈ । বৰষুণ দি থকাৰ বাবে সি চহৰলৈ ঘুৰি নগল । আজিও পুৱাতে যাম যাম বুলিও যাব নোৱাৰিলে । দুপৰীয়া গাঁৱত বানপানী অহা বুলি জানি এনেয়ে নগল । ৰাষ্টালৈ ওলাই আহি দেখিলে ৰাইজৰ বেদনাক্লিষ্ট ভোকাতুৰ মুখবোৰ । মানুহবোৰে তালৈকে চাইছে । কোনেও একো কোৱা নাই । বিজনৰ নিজকে অপৰাধী অপৰাধী লাগিল । তাক যেন ৰাইজে তাৰ পাপ কৰ্মৰ বাবে এনেকৈয়ে নীৰৱে শাস্তি দিছে । অলপ দুৰৈত দেখিলে তগৰেও ছোৱালী জাকৰ মাজৰপৰা তালৈকে চাই আছে । তাইৰ চকুত আজি প্ৰেমৰ আকুলতা নাই । আছে তাত তীব্ৰ ঘৃণা । সি চকু নমাই আনিলে । কাকো একো নকৈ নীৰবে থৰথোজেৰে ঘৰত সোমাই থাকিল । ঘৰত দেউতাকলৈ চাই দেখিলে কিছুমান খোৱা বস্তুলৈ দেউতাকে ৰাষ্টাৰ মানুহ বোৰৰ ওচৰলৈ যাবলৈ উদ্যত হৈছে । সি একো নকলে । গধূলি হোৱালৈকে সি নীৰৱে মাথো কিবা কিবিবোৰ ভাবি গল । ৰাতি শুবলৈ লৈও বিজনে শুব পৰা নাই । বাৰে বাৰে ৰাষ্টাৰ ওপৰত থকা মানুহবোৰৰ কৰুণ মুখবোৰৰ প্ৰতিচ্ছবিয়ে তাক উন্মনা কৰি তুলিছে । তাৰ আজি নিজৰ ওপৰতেই খং উঠিছে । খং উঠিছে মন্ত্ৰী, অভাৰ চিয়াৰ, ঠিকাদাৰ আৰু

………আৰু……… সেই চৌধুৰীৰ কন্যা চঞ্চলালৈ। চঞ্চলাৰ কথা ভাৱি তাৰ সবাতেকৈ খং উঠিছে। কি কুক্ষণত বাৰু চঞ্চলাৰ সৈতে চিনাকী হৈছিল। তাৰ ভাৱ হৈছে চঞ্চলাই মুলতঃ আজি তাৰ মৰমৰ গাঁওখনৰ বাবে জগৰীয়া। চঞ্চলাৰ প্ৰৰোচনাত পৰিয়েই সি মথাউৰিৰ বাবে অহা কেইবাহাজাৰো টকা নিজৰ কৰি ললে। অকলসেয়াই নহয় ঠিকাদাৰ অভাৰচিয়াৰ আদিয়ে কামত ফাঁকি দিয়া বুলি জানিও সেই বিষয়ত কোনো গুৰুত্ব নিদিলে। অথচ সি ছাত্ৰ হৈ থাকোঁতে প্ৰায়ে ভাৱিছিল গাঁওখনক কেনেকৈ বানপানীৰ পৰা ৰক্ষা কৰিব পাৰি। সেয়েহে তাৰ খং উঠিছে নিজৰ নৈতিক অৱনতিৰ কথা ভাৱি।

হঠাৎ বিজন চঞ্চল হৈ উঠিল। সি ভাৱি ভাৱি এটা সিদ্ধান্তলৈ আহিল। সি আৰু কেতিয়াও এনেদৰে মানুহক প্ৰবঞ্চনা নকৰে সি আকৌ আগৰ বিজন হৈ পৰিব। গাঁৱৰ উন্নতিয়ে হব তাৰো উন্নতি। চঞ্চলা……চঞ্চলাৰ লগত সি আৰু কোনো সম্পৰ্ক নাৰাখে। চঞ্চলাৰ দেউতাকে মানুহক শোষণ কৰি অৰ্জা ধনেৰে সি ধনী হব নিবিচাৰে। চঞ্চলাৰ তুলনাত তগৰক আজি তাৰ দেৱী যেন লাগিছে। বিজনে হিচাপ কৰি চালে তাৰ বেঙ্কত থকা আৰু হাতত থকা টকাৰ অঙ্কটো। সি ঠিক কৰি পেলালে চহৰত থকা ডাঙৰ বিল্ডিংটো বেচি দিব। নেবেচে মাথো তাৰ গাড়ীখন। এই সকলোখিনি টকা সি দান কৰিব গাঁওখনৰ বাবে। এইবাৰ সি নিজৰ টকাৰে গাঁৱৰ মথাউৰিটো বন্ধাব। তাত নাথাকিব কাৰো ঠগ, প্ৰবঞ্চনা। বিজনৰ মনটো ভাল লাগি গল। আজিহে তাৰ নিজকে এজন প্ৰকৃত শিক্ষিত লোক বুলি ভাৱিবৰ মন গৈছে। ৰাতি পুৱাবলৈ এতিয়াও দুঘন্টা বাকী। বিজনে নিশ্চিন্ত মনে টোপনী গল কাৰণ পোহৰ হোৱাৰ লগে লগেই আৰম্ভ হব এক নতুন যাত্ৰা ॥

# মেগুমা গহ্বৰৰ পৰা
# মই লাভাই কৈছোঁ

শ্ৰীৰণ্টু শইকীয়া
প্ৰাকস্নাতক, প্ৰথম বাৰ্ষিক (বিজ্ঞান)

মাজনিশাৰ ধীৰ স্থিৰ বতাহেও কঢ়িয়াই আনে
কাৰোবাৰ কেঁচা তেজৰ গোন্ধ।
এই তেজৰ গোন্ধ দেখোন মোৰ অতি চিনাকী।
নিশ্চয় এইয়া সিহঁতৰেই তেজ।

মোৰ প্ৰত্যেকজন আত্মীয় কুটুম্ব, ভাই-ভনী
এই দুৰ্দ্ধৰ্ষ সাহসী তেজৰ অধিকাৰী।
যদিও সিহঁতক হত্যা কৰা হৈছে বহুদিনৰ আগেয়ে
সিহঁতৰ তপত তেজৰ গোন্ধে কিন্তু সকলোতে এতিয়াও
প্ৰভাৱ বিস্তাৰ কৰিছে।

বলিশালৰ আশে পাশে পৰি থকা সেই তপত তেজক
পুৱতী নিশাৰ তীব্ৰ শীতেও গোট মৰাব পৰা নাই।
সিহঁতৰ কেচাঁ উত্তপ্ত তেজৰ চেঁকুৰা, তাৰ কাষৰ
দুবৰি বনত এতিয়াও দেখিবলৈ পোৱা যায়।
বন্দীশালৰ নিৰ্জন চেলত বহুৱাই মোক
ফাঁচী কাঠৰ আমন্ত্ৰণ অপেক্ষা কৰোৱা হৈছে।
কিন্তু, মই সেই আমন্ত্ৰণ ৰক্ষা নকৰোঁ।

সেয়ে বৰ্বৰ নিষ্ঠুৰতাক মই চিঞঁৰি চিঁঞৰি কৈছোঁ
মৃত্যু পথৰ ময়েই শেষ যাত্ৰী হয়তো ।
কিন্তু তহঁতে আৰু বন্দীশাল ৰাঙলী কৰিব নোৱাৰ ।

শুন !
এইবাৰ এটা আগ্নেয়গিৰী উদগীৰণ হ'ব
নিৰীহ জনতাৰ ওপৰত তহঁতে চলোৱা অত্যাচাৰৰ
প্ৰতিবাদত
তহঁতে সৃষ্টি কৰা বৰ্ণ বৈষম্যবাদৰ প্ৰতিবাদত ।

মূৰ্খ হঁত !
তহঁতে এই উদগীৰণ ৰোধিব নোৱাৰ,
ব্যৰ্থ হ'ব তহঁতৰ চেষ্টা ।
আৰু উদগীৰণৰ উত্তপ্ত লাভাই তহঁতক ঢাকি পেলাব,
নিচিহ্ন কৰি পেলাব ।



সমাজ আৰু সংস্কৃতি । এই শব্দ দুটা যদিও বেলেগ বেলেগ ইহঁতৰ মাজত এটা ওতঃপ্ৰোত সম্বন্ধ আছে । সমাজ এখন সুকলমে চলিবলৈ হলে কিছুমান ৰীতি নীতি, আচাৰ ব্যৱহাৰ পিন্ধন উৰণ, বিশেষ প্ৰয়োজন । আৰু এই সকলো বোৰেই সংস্কৃতিৰ এটা উপাদান । সংস্কৃতি নাথাকিলে সমাজ নাথাকে আৰু সমাজ নাথাকিলে সংস্কৃতিও নাথাকে । ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে - "অসমৰ লোক সংস্কৃতি" নামৰ গ্ৰন্থখনত লিখিছে – ধৰ্ম অনুষ্ঠান, পূজা পাতল, লোক বিশ্বাস, নিয়ম কানুন, সাধু উপাখ্যান, পুৰাণ কাহিনী, প্ৰকৃতিৰ ব্যাখ্যা, নৃত্যনাট, অভিনয়, ক্ৰিয়াকৌতুক এই সকলোৰে সমাহাৰত লোক সংস্কৃতি সম্পূৰ্ণ ।"

# "অপসংস্কৃতিৰ গ্ৰাসত বৰ্ত্তমান অসমীয়া সমাজ আৰু সংস্কৃতি"

শ্ৰীৰুবুল শইকীয়া
১ম বাৰ্ষিক স্নাতক (বিজ্ঞান)

জাতীয় লোক সংস্কৃতিৰ স্বৰূপ লোক সাহিত্য আৰু লোকবিশ্বাস সমূহত প্ৰকাশ পায় । মানৱ জাতিয়ে যুগে যুগে লাভ কৰা অভিজ্ঞতা, নানান বিষয়ত জ্ঞান, চিন্তা আৰু চৰ্চ্চা এই সকলোৰে সঞ্চয় ভাণ্ডাৰ হ'ল লোক সাহিত্যৰ আৰু লোক বিশ্বাস । লোক সাহিত্য আৰু লোক বিশ্বাসৰ মাজতে জাতিৰ মনোজগত আৰু জীৱন যাপনৰ আদৰ্শৰ পৰিচয় ওলায় । এটা জাতিৰ ধাৰ্মিক, সামাজিক, মনস্তাত্বিক বিষয় সমূহৰ উপলব্ধিও লোক সাহিত্য হল অন্যতম উপাদান ।

জ্ঞানপীঠ বটাবিজয়ী ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য দেৱে তেখেতৰ "ডেৰশ বছৰৰ অসমীয়া সংস্কৃতিত এভুমুকি" নামৰ গ্ৰন্থখনত "নিউ ইউনিভাৰচেল এনচাইক্লপেডিয়াৰ" পৰা উদ্ধৃতি দি লিখিছে– "সাধাৰণতে একোটি জাতিৰ সামগ্ৰীক সাধাৰণ জীৱনৰ সকলো বিষয়কে সংস্কৃতিৰ অন্তৰ্ভুক্ত কৰা হয় সেয়েহে আমি অসমীয়া জনসংস্কৃতি বুলিলে অসমৰ জন - জীৱন, সামাজিক ৰীতি-নীতি, ধৰ্ম্মীয়–অনুষ্ঠান, বুৰঞ্জী সাহিত্য, ব্যৱসায়, বাণিজ্য, সাংবাদিকতা, ৰঙ্গমঞ্চ সকলোকে সামৰিব লাগিব ।

যিদৰে বিভিন্ন নৈ উপনৈ লগলাগি মহাবাহু ব্ৰহ্মপুত্ৰ এক বিশাল জলধাৰাত পৰিণত হৈছে, সেই একেদৰে বিভিন্ন জাতি উপজাতি লগ লাগি, বিভিন্ন জাতি উপজাতিৰ বাৰে বৰনীয়া কৃষ্টি সংস্কৃতি লগ লাগি বিশাল অসমীয়া জন সংস্কৃতিৰ সৃষ্টি হৈছে । এই অসমীয়া সংস্কৃতি সাগৰতকৈও বহল আৰু গভীৰ । কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাদেৱে অসমৰ কৃষ্টি, সংস্কৃতি সভ্যতাৰ

জনম আৰু ক্ৰমবৰ্দ্ধমানৰ বিভিন্ন বিচিত্ৰ তথ্য আৰু বিশিষ্টতাৰ জন্ম দিছে অসমীয়া কৃষ্টি নামৰ প্ৰবন্ধটিত।

সংস্কৃতি হ'ল জাতীয় ঐক্য আৰু সংহতিৰ দাপোন স্বৰূপ। যিদৰে সংস্কৃতিৰ প্ৰকৃত মূল্যাঙ্কনৰ অবিহনে এটা জাতি জীয়াই থাকিব নোৱাৰে, ঠিক সেইদৰে সংস্কৃতিৰ প্ৰকৃত মূল্যাঙ্কন অবিহনে এটা জাতিৰ মাজত ঐক্য আৰু সংহতি জীয়াই ৰখা অসম্ভৱ আৰু অবাস্তৱ কল্পনাহে মাথোন। সেয়েহে এটা জাতি ঐক্য সংহতিৰ মাজেৰে জীয়াই থাকিবলৈ হলে সেই জাতিৰ লোক সংস্কৃতিৰ প্ৰকৃত মূল্যাঙ্কন হবই লাগিব। এদিন অসমীয়া লোক সংস্কৃতিয়ে বিভিন্ন জাতিৰ মাজত ধৰ্ম্মৰ মাজত যি ঐক্যৰ বীজ ৰোপন কৰিছিল নি নিশ্চ ইতিহাসৰ এক গৌৰবোজ্জ্বল ইতিহাস ৰূপে সদায় অঙ্কিত হৈ থাকিব। আহোম ৰাজ বংশাৱলীৰ দিনতে অসমৰ হাজোত একেলগে, থকা হিন্দুৰ হয়গ্ৰীৱ মন্দিৰ আৰু মুছলমানৰ পোৱা মক্কাই আমাক আমাৰ গৌৰৱোজ্জ্বল ইতিহাসৰ কথা সদায় সোঁৱৰাই থাকিব। অসমৰ সংস্কৃতিৰ বৰঘৰৰ আন এক বলিষ্ঠ উপাদান হল জিকিৰ। আজানফকীৰে শঙ্কৰ মাধৱ গুৰুজনাৰ বৰ গীতৰ সুৰকে অনুকৰণ কৰি জিকিৰ ৰচনা কৰি মহাপুৰুষীয়া ধৰ্ম্মৰ মাজত এক সমন্বয়ৰ খুটি পুতিব পাৰিছিল। গুৰুজনাৰ এক শৰণ ভাগৱতী ধৰ্ম্মই পাহাৰী ভৈয়ামী হিন্দু মুছলমান সকলো জাতিৰ সকলো ধৰ্ম্মৰে লোকক আদৰি লৈছিল। অসমীয়া সংস্কৃতিৰ জনক মহাপুৰুষ শঙ্কৰদেৱৰ পিছতে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱলাদেৱেও একেই পথকে অনুকৰণ কৰি জাতি উপজাতিৰ সংমিশ্ৰণত গঢ়ি উঠা অসমীয়া সংস্কৃতিৰ ঐক্যৰ বাবে চেষ্টা কৰিছিল। জোতি প্ৰসাদে অসমীয়া সংস্কৃতিৰ ঐক্যৰ বাবে গাইছিল —

তিলক ডেকাৰ ময়ে সমনীয়া  
ময়ে অসমৰ ৰাতি পহৰীয়া  
বুকুপাতি তই ওলাই আহ অ'  
পৰ্ব্বতীয়া ভৈয়ামীয়া  
তই অসমীয়া  
তই অসমীয়া  
তই খিলঞ্জীয়া অসমীয়া  
পাহৰি গলি নে  
শৰাই ঘাটত  
তয়েই এদিন বলি লৈছিলি  
ৰাখি অসমীৰ মান ?  
যি কি ধৰ্ম্ম নহওক তোৰ  
বামুণ শুদিৰ যিয়েই নহৰ  
হিন্দু বা মুছলমান  
বৌদ্ধ হৰ; খৃষ্টান হৰ।  
মাথো মনত ৰাখিবি  
তই অসমৰ নজোৱান ॥

কিন্তু আজি বৰ দুখ আৰু পৰিতাপৰ বিষয় এয়ে যে আমাৰ এই ঐক্যৰ মাজত যেন

কিবা এটা হৈছে । অপ্রিয় হলেও এই কথা কবই লাগিব । আজি অসমীয়া সমাজ যুগৰ পৰিবৰ্ত্তনৰ লগত সমাজৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদি ক্ষেত্ৰত এক কল্পনাতীত পৰিবৰ্ত্তন হব ধৰিছে । যি পৰিবৰ্ত্তনৰ ফলস্বৰূপে অসমীয়া সমাজে নিজৰ সাজপোচাক, খাদ্য বস্তু আদিৰ প্ৰকৃত বস্তুখিনি এৰি পেলাব ধৰিছে । আজি অসমীয়া সমাজত মহাপুৰুষ জনাই দি থৈ যোৱা আপুৰুগীয়া সম্পদ নামঘৰৰ স্থান কি— মহাপুৰুষ জনাই দি থৈ যোৱা সত্ৰীয়া নৃত্য, ভাওনা, বৰগীত, লোকগীতৰ স্থান নাই । নামঘৰত বছেৰেকৰ মূৰত এদিন বা দুদিন সমূহীয়া ভাৱে প্ৰাৰ্থনাৰ নামত কিবা এটা কৰিবলৈ আহি কোনে আহোমৰ ছোৱালী বিয়া কৰালে , কোনে মুছলমানৰ ঘৰত চাহ ভাত খালে আদি বিষয়েহে আলোচনা কৰে । প্ৰকৃত উদ্দেশ্য কৰাত থাকে । ই জানো এটা সংস্কৃতি জীয়াই থকাৰ চিন ? মহাপুৰুষ জনাই দি থৈ যোৱা ধৰ্ম্মৰ নামত এক কলঙ্কহে অনাৰ দৰে হৈছে । যি স্থলত মহাপুৰুষ জনাই তেখেতৰ সনাতন ধৰ্মৰ প্ৰকৃত শিষ্য হিচাপে ছাঁন্দখা নামৰ এজনৰ হতোৱাই নামঘৰৰ থাই খুটি পোতাইছিল সেইজনা মহাপুৰুষৰ পবিত্ৰ ধৰ্ম্মত আজি অসমীয়া সমাজত নামঘৰত মুছলমান বা বঙালী সম্প্ৰদায় কোনোবা সোমালে তৰ্ক বিতৰ্কৰ সৃষ্টি হয় । ই জানো এটা অপসংস্কৃতি নহয় ; আকৌ আজি কেইজন অসমীয়া সমাজৰ নতুন পুৰুষে বৰগীত, লোকগীত শুনে ? তাৰ ঠাইত আজি হিন্দী বোলছবিৰ গানেহে প্ৰাধান্য বিস্তাৰ কৰিছে । আকৌ মহাপুৰুষজনাই দি থৈ যোৱা ভাওনা আজি কিমানে ভাল পায় বা কৰে । তাৰ ঠাইত নিম্ন মানৰ হিন্দী বোলছবিৰ স্থান । এইবোৰ এটা জাতিৰ বাবে একেবাৰে সুফল নহয় বৰঞ্চ কুফলহে ।

এটা সময়ত অসমীয়া সমাজত তিৰোতা সকলৰ বোৱা কটাত স্থান অতি উচ্চ আছিল । যাক প্ৰশংসা কৰি জাতিৰ পিতা মহাত্মা গান্ধীয়ে মুকুতা ফুল বচা বুলি কবলৈ অলপো সংকোচ কৰা নাছিল । কিন্তু আজি অসমীয়া সমাজত কেইগৰাকী শিপিনী ওলাব । কেইগৰাকী মহিলাই মুগা ৰিহা মেখেলা পিন্ধে । তাৰ ঠাইত ভমকাভমক শাৰী আদিৰহে প্ৰভাৱ বিস্তাৰ । পুৰুষৰ ক্ষেত্ৰতো একেই ধূতী পাঞ্জাবীৰ ঠাইত বেল বটমৰহে স্থান । আনহে নালাগে বিহুৰে সংক্ৰান্তয়ে কান্ধত গামোচা এখন লবলৈও আজি অসমীয়া যুৱকে লাজ কৰে । ইয়াত কৈনো পৰিতাপৰ বিষয় কি হব পাৰে । মানুহ সদায় অনুসন্ধিৎসু প্ৰাণী এই মানুহ জাতিটোৱে নোপোৱা বস্তু পাবলৈ সদায়েই হেঁপাহ কৰে । সেই বুলিয়েইনো নিজৰ কৃষ্টি সংস্কৃতি বিক্ৰি কৰি অন্য এটা জাতিৰ আৰ্হিত ফেৰ মাৰিব লাগেনে ? ই জানো আজি অসমীয়া সমাজত অপসংস্কৃতিৰ এক প্ৰভাৱ নহয় ? আকৌ আজি অসমীয়া সমাজত হুচৰি, বিহুগীতৰ স্থান কি, তাক এবাৰ উপলব্ধি কৰি চালে জলজল পটপটকৈ ওলাই পৰে ।

আজি কেইজন অসমীয়া যুৱকে ঢোল, খোল, মৃদঙ্গ বজায় বা শিকে। তাৰ ঠাইত আজি গিটাৰ, গীতাৰ, হাৰমোনিয়াম, বেহেলা, আদিয়েহে স্থান পাইছে। মুঠৰ ওপৰত আজি অসমীয়া সমাজৰ নিজস্ব সংস্কৃতি বুলি কোনোবাই প্ৰশ্ন কৰিলে তাৰ উত্তৰ সানমিহলি বুলি কোৱাৰ বাহিৰে অন্য উপায় নোহোৱাৰ অৱস্থা ত পৰিছেহি। ভূপেন হাজৰিকাৰ ভাষাৰে, মিলাব লাগে মিলিব লাগে কিছু দিব লাগে কিছু লব লাগে তেহে মিলনৰ সমন্বয় গঢ়ি উঠে"। কিন্তু আজি অসমীয়া সমাজে ইয়াকে কৰিবলৈ গৈ নিজৰ কিছুমান বস্তুলৈ একেবাৰে পিঠি দি দিয়াৰ নিচিনা হৈছে। ই জানো এটা জাতিৰ উন্নতিৰ পথ নিশ্চয় নহয় বৰঞ্চ ই ধ্বংসৰহে পথ।

অসমীয়া ভাষাটোত যে অপসংস্কৃতিয়ে ঠাই লোৱা নাই তাক কোনো পণ্ডিতে নুই কৰিব নোৱাৰে। আজি অসমীয়া মাধ্যমত পঢ়িলে লৰাছোৱালী স্মাৰ্ট নহয় বুলি এচামলোকে একেবাৰে কয়। তাৰ বিকল্পে ইংৰাজী মাধ্যমত পঢ়িলেহে বোলে ভাল। ইয়াতকৈনো দুখৰ বিষয় কি হ'ব পাৰে। নিজৰ মাতৃভাষা এৰি অন্য এটাৰ জাতিক আদৰি লয়। আজি কালি সভাই সমিতিয়ে ভাষণ দিলে ইংৰাজী মাধ্যমৰে ব্যাখ্যা এটা নিদিলে বক্তাগৰাকীৰ বক্তৃতা সম্পূৰ্ণ শুদ্ধ নহয় বুলিয়েই ধৰি লয়। নিজৰ মাকক 'আই' বা বৌতি বুলি মতা আজিকালি সমাজত এটি লাজ লগা বা পিছপৰা শব্দ। এই বিলাক জানো এক অপসংস্কৃতি নহয়।

এটা সময়ৰ অসমীয়া সমাজৰ প্ৰিয় খাদ্য. মাটিকাঁদুৰী, খুটুৰা মণ্ডমাহৰ জোল পুৰণি ঠেকেৰা আদিৰ ঠাইত বজাৰৰ চালানী বস্তুৱে স্থান পাইছে। চিৰা, পিঠাগুৰি, সান্দহ, ছুৰম, কোমল চাউল, দৈ গাখীৰ, আদি বস্তু বোৰ পাবলৈ নোহোৱা হল আৰু পালেও অসমীয়াই এইবোৰ হজম নহয় বুলি খাবলৈ এৰিলে। তাৰঠাইত আটা ময়দা আৰু লেতেৰা বনস্পতিয়ে ভজা লুচি পুৰিয়েহে অগ্ৰাধিকাৰ পালে। এই বিলাকেই হল আজি অসমীয়া সমাজৰ প্ৰিয় খাদ্য। মুঠৰ ওপৰত অপসংস্কৃতিয়ে অসমীয়া সমাজ তথা সংস্কৃতিক ভিতৰলৈকে শিপাইছে আৰু ইমানত যদি উঠি অহা যুৱক চামে আগভাগ লই অসমীয়া সংস্কৃতিক ৰক্ষা নকৰে তেন্তে এটা সময়ত একেবাৰে লুপ্ত পাব। তাৰোপৰি অসমৰ জাতীয় নাটশালা অসম সাহিত্য সভায়ো এইক্ষেত্ৰত ইতিমধ্যে যিবোৰ সমালোচনা আগবঢ়াইছে তাতকৈ অধিক গুৰুত্ব সহকাৰে লাগি অসমীয়া সমাজ তথা সংস্কৃতিক এটি নৱমূল্যায়ণ দি পৃথিবীৰ বুৰঞ্জীৰ পাত জিলিকাই তুলিবলৈ দৃঢ় সংকল্প বদ্ধ হল লাগিব। নহলে অসমীয়া সমাজ এটা সময়ত নিঃশেষ হৈ যোৱাটো স্বাভাৱিক। কিন্তু ইয়াক বচাই ৰাখিব লাগিব আজি অসমৰ প্ৰতিজন অসমপ্ৰেমী, অসমীয়া কৃষ্টিপ্ৰেমী ৰাইজে। তেতিয়াই অসমীয়া সমাজ তথা অসমীয়া সংস্কৃতি ভৱিষ্যতে পৃথিবীৰ অন্যান্য সমাজৰ সংস্কৃতিৰ লগত আগবাঢ়ি যাব পাৰিব। পুনৰ প্ৰতিজন অসমী আইৰ সচেতন নাগৰিকক শঙ্কৰ, মাধৱ

আজানফকীৰৰ আৰ্হিৰে আগবাঢ়ি যাব লাগিব । অসম সাহিত্য সভাই হেনো অসমীয়া ভাষা অসমীয়া জাতিৰ বাবে বিশেষ একো উন্নতি সাধন কৰা নাই বৰঞ্চ ক্ষতি কৰিছে এনে ধৰণৰ বহুতো কথা কয় । কিন্তু কথা হল অসম সাহিত্য সভাই যি ডাল পৰ্ব্বতে ভৈয়ামে সমন্বয়ৰ জৰী পিন্ধাই আছে অন্য কোনো অনুষ্ঠানেই পৰা নাই । "অসম সাহিত্য সভা" কেৱল সাহিত্যিক সকলৰ বাবেই বুলি যদি এটা ভুল ধাৰণা লই বহি থাকে তেন্তে অসম সাহিত্য সভায়নো কাৰ সহায়ত অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰত কাম হাতত লব পাৰিব । সেয়েহে অসমৰ জনসাধাৰণে গাৱে ভূঁএে সাহিত্য সভাৰ মহৎ উদ্দেশ্য বিলক জনাই অসমীয়া সমাজক নৱৰূপ দিব লাগিব । নতুন পুৰুষ চামে সংস্কৃতিৰ প্ৰকৃত স্বৰূপটো বুজি অপসংস্কৃতিবোৰ দূৰ কৰিবলৈ আগ বাঢ়ি আঁহক । তেতিয়া অসমৰ সংস্কৃতিৰ জয় অনিবাৰ্য্য ।

( সহায় লৈ লিখা )

আমি প্ৰত্যেকেই সকলোৰে বাবে হব লাগে আৰু সকলোৰে প্ৰত্যেকৰ বাবে হব লাগে । — মেক্সিম গৰ্কী

# আইনাৰ প্ৰাচীৰ

শ্ৰীমনমন্দিৰ কৌৰ
প্ৰাক স্নাতক ১ম বাৰ্ষিক (কলা)

ৰাতিৰ আন্ধাৰক বিদায় দি পৃথিবীয়ে দিনৰ পোহৰক আকোৱালি লৈছে। তেতিয়া ঠিক পাঁচ বাজিছে। চেপ্তেম্বৰ মাহৰ এটা ধুনীয়া পুৱাত ছায়াই বাহিৰৰ বাৰান্দাৰ এখন ইজি চেয়াৰত বহি বাতৰি কাকত পঢ়ি আছে আৰু মাজে মাজে চাইছে ওচৰতে খেলি থকা তাইৰ একমাত্ৰ সন্তান ঋতুক। সি এখন সৰু চাইকেলত বাৰে বাৰে উঠিবৰ চেষ্টা কৰিছে আৰু বাগৰি পৰিছে। তথাপিও কন্দা নাই। সৰুৰে পৰা সি এলাপেচা দুখত কেতিয়াও নাকান্দে। কিয় বাৰু ? ছায়াই নিজকে প্ৰশ্ন কৰিলে। সি মোৰ নিচিনানে বাপেক মানে ৰাজনন্দন বৰ্মাৰ নিচিনা। ৰাজনন্দন, ছায়াই দুবাৰ উচ্চাৰণ কৰিলে সচাকৈ ৰাজনন্দন বৰ্মা মানে তাইৰ স্বামী যদি জীয়াই থাকিলেহেঁতেন তেন্তে কিমান ভাল লাগিল হেতেন। তাতোকৈ বেছি ভাল লাগিল হেতেন যদি কল্লজিৎ থাকিল হেতেন। কল্লজিৎ নামটো মনত পৰাৰ লগে লগে ছায়াৰ মনত মৃদু কপনি উঠিল। মনতো বিষাদেৰে ভৰি পৰিল আৰু কৰ নোৱাৰাকৈয়ে চকুৰ পানী পঢ়ি থকা বাতৰি কাকতৰ ওপৰত পৰিল। আৰু লাহে লাহে তাইৰ মানস পঠত ভাঁহি উঠিল আজি প্ৰায় তিনি বছৰ আগৰ কিছুমান পাহৰিব নোৱাৰা ঘটনা।

তেতিয়া তাই স্কুলীয়া জীৱন শেষ কৰি কলেজৰ ৰঙিন মঞ্চত ভৰি দিছে। কলেজৰ এই ৰঙিন দিনবোৰত আন সকলোৰে দৰে ছায়াই নিজকে বিলাই দিছিল। স্কুলীয়া জীৱনত লগপোৱা চন্দন পঙ্কজ আদিৰ দৰে কলেজীয়া জীৱনৰ আৰম্ভণিতে লগ পাইছিল কল্লজিৎ বৰুৱা। কিন্তু চন্দন পঙ্কজ আদিক অতি সহজে প্ৰত্যাখ্যান কৰাৰ দৰে প্ৰত্যাখ্যান কৰিব পৰা নাছিল কল্লজিতক। কিয় বাৰু ? কলেজীয়া প্ৰেম কচু পাতৰ পানীৰ দৰে খন্তেকীয়া বুলি আন সকলোৱে ভাৱে। কিন্তু সেইদৰে ভাবিব পৰা নাছিল কল্লজিৎ আৰু ছায়াই।

তেওঁলোকৰ প্ৰেম আছিল এক গভীৰ প্ৰেম। সেই বাবেই হয়তো জাতি ধৰ্ম একো বিচাৰ নকৰি এক নিবিড় ভাল পোৱাৰ সৃষ্টি হৈছিল কল্লজিৎ আৰু ছায়াৰ মাজত।

ছায়া আগৰৱালা এজনী মাৰোৱাৰী ছোৱালী আৰু কল্লজিৎ বৰুৱা এজন অসমীয়া ডেকা। সেই বাবে ছায়াৰ ভয় হৈছিল মাজে মাজে। তেওঁলোকৰ ভালপোৱাক আৰু গভীৰ কৰি তোলাত সহায় কৰিছিল ছায়াৰ বান্ধৱী ৰশ্মিয়ে। ছায়া বাপেক আৰু ককায়েকৰ লগত থাকে আৰু মাকহঁত থাকে ৰাজস্থানত। কল্লজিৎ ককায়েকৰ বন্ধু সেইবাবে ককায়েকৰ লগত কল্লজিৎ প্ৰায় ছায়াঁহতৰ ঘৰলৈ আহিছিল। চিনাকী হিচাবে কলেজত সিহঁতৰ কথা বতৰা হৈছিল আৰু সেই চিনাকী এসময়ত ভালপোৱাত পৰিণত হৈছিল। ৰশ্মিৰ লগত ছায়াৰ গভীৰ বন্ধুত্ব থকাৰ কথা জানিছিল দেউতাকে সেই বাবে একো নকৈছিল। সেই অজুহাততে ৰশ্মিৰ ঘৰলৈ যাও বুলি ৰশ্মিক লগ কৰি তাই বাহিৰে বাহিৰে কোনোবা ৰেষ্টুৰা বা পাৰ্কত লগ কৰিছিল কল্লজিতক। সুদীৰ্ঘ তিনিটা বছৰৰ পিছত এদিন গম পাইছিল তাইৰ দেউতাকে আৰু লগে লগে তাইৰ জীৱনলৈ এটা ধুমুহা নামি আহিছিল।

এদিনৰ ঘটনা– তাই আনদিনাৰ দৰে সেইদিনাও ৰশ্মিৰ ঘৰলৈ যাঁও বুলি ফাকি দি আহিছিল। প্ৰথমে ৰশ্মিক লগ কৰি তাই সেইদিনা গৈছিল কল্লজিতৰ লগত এখত চিনেমা চাবলৈ। কল্লজিতৰো আগৰ দৰে সিহঁতৰ ঘৰলৈ অহা যোৱা কৰাতো বন্ধ হৈ গৈছিল। ককায়েকেও খুউব সম্ভৱ গম পাইছিল। সেই বাবে কল্লজিতৰ লগত বন্ধুৰ দৰে কথা বতৰা পতাৰ সলনি কেৱল সামান্য চিনাকী মানুহৰ দৰে এজনে আনজনক দেখিলে হাহিছিল। ইতিমধ্যে বাপেকে ছায়া যোৱাৰ ২ ঘন্টামান পাছত ঘৰৰ বন কৰা লৰা ৰামুক পঠিয়াই-ছিল ৰশ্মিৰ ঘৰলৈ।

— ৰশ্মি বাইদেউ, ছায়া বাইদেউক দেউতাই মাতিছে।

— অ', অলপ থৎমৎ খাই ৰশ্মিয়ে উত্তৰ দিলে– অলপ পাছতে আহিব বুলি কগৈ যা। ৰশ্মি চিন্তাত পৰিল। কি হব এতিয়া চিনেমা শেষ হবলৈ এতিয়াও এঘন্টা বাকী। তাৰ উপৰিও সিহঁত জানো ভঙাৰ লগে লগে ঘৰলৈ আহিব। কত কি চাই ফুৰিব ঠিক নাই। এইদৰে ভাবি থাকোঁতে প্ৰায় ১ ঘন্টা মান পাছত ৰামু আকৌ আহিল।

— বাইদেউ, ছায়াবাক সোনকালে মাতিছে।

— ৰ, ৰ, যাব, যাচোন চাহ খাই আছে বুলি কবিগৈ যা। উঁহ কি হব এতিয়া, ছায়াজনীয়ে কি, মই তাইক যিমান পাৰে সোনকালে আহিবি বুলি কলো। অথচ এতিয়ালৈকে খবৰ নাই। চিনেমা ভাগিল সম্ভৱ, এতিয়া কৰবা ৰেষ্টুৰাত সোমাই আছে ঠিক নাই।

— অ' ৰশ্মি, কি ইনটেৰেষ্টিং চিনেমা জান।

— ইন্টাৰেষ্টিং মানে, তোৰ নিজৰ ছিনেমাখন নে পৰ্দাৰখন ?

— যা এইজনী কিযে কথাবোৰ কৰ । জান আমি চিনেমা চাই বাহিৰে বাহিৰে কল্পজিতৰ বন্ধু জয়ন্তৰ ঘৰলৈ গৈছিলো ।

— পেট ভৰাই খাই আহিলি চাগৈ, সেইকাৰণে ইমান দেৰি ।

— নাই, নাই । একো খোৱা নাই । কেৱল কথা পাতিলো । অন্য একো কাৰণ নাই । তাৰ গা ভাল নহয় কাৰণে কল্পজিতে খবৰ লবলৈ সোমাইছিল ।

— এতিয়া কেনে আছে

— ভালে আছে, মানে খালি কাঁহ হৈছে । কিৰিলিং কিৰিলিং ....... — বাহিৰত কলিং বেল বাজি উঠিল

— অ' ৰামু আকৌ অহিছে ছাগৈ ।

— আকৌ আহিছে মানে ?

— জান, তই যোৱাৰ পাছৰ পৰাই এইবাৰৰ সৈতে তিনিবাৰ আহিল । মই ফাঁকি মাৰি আছো । তই যাগৈ যা । বেলেগ এদিন কথা পাতিম । দেউতাৰ কিবা জৰুৰি কাম আছে ছাগৈ ।

— বাৰু যাঁও দেই, আকৌ দেওবাৰে আহিম ।

— কলৈ গৈছিল ? ছায়া সোমোৱাৰ লগে লগে দেউতাকে প্ৰশ্ন কৰিলে

— 'ৰশ্মিৰ ঘৰলৈ' আপোনাকতো শুধি গৈছিলো

— অ' যা, ঘৰলৈ সোনকালে ঘূৰি আহিব লাগে বুলি তোক এতিয়াও শিকাব লাগিব নেকি ?

— ? — ছায়াই দেউতাকৰ গম্ভীৰ মুখখন দেখি একো সুধিবলৈ সাহ নকৰিলে । তাৰ পাছত তাই নিজৰ ৰুমলৈ গৈ কাপোৰ কানি সলাই বিচনা খনত শুই পৰিল আৰু লাহে লাহে তাইৰ টোপনি আহিল । ঠিক নিশা ন মান বজাত ককায়েকৰ মাতত তাইৰ টোপনি ভাগিল

— তোৰ কাপোৰ কানি ভৰাই ৰেদি কৰি থ আৰু শুন ৰাতিপুৱা সোনকালে উঠিবি । মই ভাত নাখাও । তই খাগৈ যা । দেউতায়ো খালে ।

— কাপোৰ কানি ভৰাই থবি মানে ?

— মানে আৰু কি ? বুলি পকেটৰ পৰা দুটা প্লেনৰ টিকট তাইৰ ফালে আগবঢ়াই কৈছিল এইয়া চা, দেউতাই ৰাতিপুৱাৰ ফ্লাইটত তোক ৰাজস্থানলৈ নিবলৈ কৈছে । তোৰ কিতাপ পত্ৰ সকলো সামৰি লবি তাতে এডমিচন লৈ দিবলৈ-কৈছে ।

— এইবোৰ কি হৈছে একো বুজিব পৰা নাই । আজি হঠাৎ এইদৰে দেউতাই ..................

— এতিয়া বুজি নাপাব, পিছত বুজিবি লাহে লাহে । যা এতিয়া কাপোৰ কানি যত যি আছে সামৰ ।

— উঁহ ভগবান ! হঠাৎ কি বিপদ । আচলতে দেউতাৰ হৈছে কি ? মই একো বুজিব পৰা নাই । মই এতিয়া কি কৰিম অন্ততঃ ৰশ্মিক কথাখিনি জনাব পৰাহেঁতেন । ৰাতি পুৱাই যাব লাগিব । তাইক লগ ধৰিবৰ সময় কত ?

আৰু যদি লগ নধৰে কল্লজিতে মোক ভুল বুজিব। কি হব এতিয়া ? একো ঠিক কৰিব নোৱাৰা হোৱা বেজাৰত ভাতপানী নোখোৱাকৈ শুই পৰিল। পিছদিনা ছায়াই ককায়েক আৰু বাপেকৰ আদেশত এখন ভাৱাক্ৰান্ত হৃদয় লৈ গুছি গৈছিল কল্লজিতৰ পৰা বহুত আঁতৰলৈ।

ইফালে কল্লজিতে বহুদিন ছায়াক কলেজত নেদেখি ৰশ্মিক শুধিছিল। তাৰ উত্তৰত ৰশ্মিয়ে ৰামুৰ মুখৰ পৰা শুনা সকলো কথা কল্লজিতক কৈছিল। লগে লগে কল্লজিতৰ ধুনীয়া মুখখন বিষাদৰ ছায়াই আৱৰি ধৰিছিল। কল্লজিতে নানা প্ৰকাৰে ছায়াৰ খবৰ কৰিছিল। কিন্তু কোনে দিব ছায়াৰ খবৰ ? বহুতো সন্ধানৰ পিছত প্ৰায় তিনি বছৰৰ অন্তত ছায়াই দেউতাকলৈ দিয়া এখন চিঠিৰ পিছফালে লিখা ঠিকনাত ছায়াৰ সন্ধান পাইছিল। ইয়াৰ আগতেও ছায়াই দেউতাকলৈ কেইখনমান চিঠি দিছিলে কিন্তু ঠিকনা লিখা নাছিল। কল্লজিতে এই কাম মনে মনে ছায়াই দেউতাকলৈ দিয়া চিঠিবোৰ আগতিয়াকৈ পিয়নক টকা দি চাইছিল কিন্তু প্ৰত্যেক বাৰেই হতাশ হৈছিল। তথাপিও নিজকে সংযত কৰি নিজৰ কাম কৰি গৈছিল। এসময়ত সি এই অভিযানত কৃতকাৰ্য্যতা লাভ কৰিছিল আৰু ছায়াই দেউতাকলৈ লিখা ঠিকনা মতে কল্লজিতে সুদুৰ ৰাজস্থানত ছায়াৰ ঘৰ বিচাৰি উলিয়াইছিল। সি পোনে পোনে তাইৰ ঘৰলৈ নগৈ অলপ আঁতৰে আঁতৰে থাকি ছায়াক লগ কৰিব বিচাৰিছিল। আৰু সেই মৰ্মে কিছুদিনৰ আগতে বাটত গৈ থকা অৱস্থাত কল্লজিতে ছায়াক লগ ধৰিছিল। কল্লজিতে ভাবিছিল ছায়াই নিশ্চয় মোক দেখি ··· ···

কিন্তু কি আচৰিত ছায়া যেন এতিয়াই শাওনৰ ঘনঘোৰ আকাশৰ দৰে শব্দ কৰি ভাগি পৰিব। কোনো মতে নিজকে সম্বৰণ কৰি তাই অতি কৰুণ ভাৱে কলে ঃ

— বহুত দেৰি হৈ গল কল্লজিৎ। তুমি বহুত দেৰি কৰিলা।

— কিন্তু ছায়া, তুমিতো আগৰদৰেই আছা। মোক কিবা সলনি হোৱা যেন দেখিছা নেকি ?

— নই তোমাৰ একো সলনি হোৱা নাই। কিন্তু মোৰ বহুত সলনি হৈ গল কল্লজিৎ। ইতিমধ্যে মোৰ বহুত পৰিবৰ্ত্তন হৈ গল।

— তুমি কি কৈছা ছায়া মই একো বুজা নাই

— মই তোমাৰ পৰা এতিয়া বহুত আঁতৰত কল্লজিৎ। মোৰ বিয়া হৈ গল।

— কি ? তোমাৰ বিয়া হৈ গল। কিন্তু তোমাৰ শিৰত যে ··· ···

— সকলো তিৰোতাৰ শিৰত সেন্দুৰ গোটেই জীৱন নাথাকে কল্লজিৎ।

— তাৰ মানে ··· তাৰ মানে ··· নহয়, এইটো কেতিয়াও হব নোৱাৰে।

— অ, এইটো হব নোৱাৰে। কিন্তু আমি যি হব খোজো সেইয়া আমাৰ সমাজে হবলৈ নিদিয়ে আৰু আমি যি হবলৈ নিবিচাৰো, সেইটো হবলৈ সমাজে বাধ্য কৰে।

— কিন্তু মই এইটো হব নিদিও, নিদিও

— নহয় কল্লজিৎ আমাৰ দৈহিক মিলন নহলেও মানসিক মিলন বহুত বছৰ আগেয়ে হৈ গল। বৰ্ত্তমান তোমাৰ আৰু মোৰ মাজত ধৰ্ম আৰু সমাজৰ এক বিৰাট আইনাৰ প্ৰাচীৰ আছে যত আমি এজনে আনজনক চাব পাৰোঁ কিন্তু স্পৰ্শ কৰিব নোৱাৰোঁ। মোক পাহৰিবলৈ চেণ্টা কৰিবা কল্লজিৎ, মোক পাহৰি যাবা।

— কিন্তু তুমি জীৱনৰ এই দীঘলীয়া বাট ছোৱাত একেবাৰে অকলশৰীয়া হৈ গলা ছায়া।

— নহয় মই অকলশৰীয়া নহয়, মই বৰ্ত্তমান এটা এবছৰীয়া শিশুৰ মাতৃ। এই বুলি কৈ ছায়াই দীঘল দীঘল খোজেৰে মানুহৰ মাজত বিলীন হৈ গৈছিল। চকুলোৰ ডাৱৰে কল্লজিতক অন্ধকৰি পেলাইছিল।

--- --- --- ---ঘৰলৈ আহি ছায়াই কান্দিছিল, মন গৈছিল কল্লজিতক আকোৱালি লবলৈ। কিন্তু তাইৰ আজি আৰু সেই অধিকাৰ নাই। তাইতকৈ ভাল ছোৱালী কল্লজিতে পাব যাক লৈ তেওঁ সুখী হব পাৰিব। কিন্তু সচাঁকৈয়ে তেওঁ সুখী হব পাৰিব জানো? তাই নিজেয়ো সুখী হব পাৰিছে জানো? নাই সিহঁত দুয়োজনে দুয়োজনৰ অবিহনে সুখী হব নোৱাৰে। কিন্তু উপায়? উপায় জানো আছে? এইদৰে ভাবি থাকোতে দুটাদিন পাৰ হল। পিছদিনা দুপৰীয়া পিয়নে দি যোৱা চিঠিখনৰ ঠিকনা লিখা আখৰ কেইটাত ছায়াৰ চকু স্থিৰ হৈ ৰৈ গ'ল। হাতদুখন কঁপিবলৈ ধৰিলে। কম্পিত হৃদয়েৰে চিঠিখন খুলি পঢ়ি গ'ল —

— ছায়া —

তোমালৈ চিঠি লিখাৰ অধিকাৰ মোৰ কেতিয়াবাই শেষ হৈ গল। তথাপি লিখিলোঁ পাহৰি যাম বুলি কোৱা কথাষাৰ কবলৈ যিমান সহজ, কিন্তু পাহৰাটো জানো সিমান সহজ? মই তোমাক পাহৰিবলৈ বহুত চেণ্টা কৰিলোঁ, কিন্তু নোৱাৰিলো গতিকে মোৰ ওচৰত তোমাক পাহৰাৰ এটাই উপায় আছে–আত্মহত্যা। যদি সম্ভৱ হয়, ক্ষমা কৰিবা, হয়তো এই চিঠিখন পোৱাৰ আগেয়ে মই তোমাৰ পৰা বহুত আঁতৰলৈ গুছি যাম। বিদায়!

কল্লজিৎ

★ ● ★ ● ★ ● ★

# মানসিক ৰোগ : বিশ্লেষণ আৰু চিকিৎসা

শ্ৰীভুইটী শইকীয়া
স্নাতক, ২য় বাৰ্ষিক (বাণিজ্য)

মানসিক ৰোগী বা সাধাৰণ কথাত পাগল কাক কয় ? ইয়াৰ উত্তৰত বাঁচীৰ এজন প্ৰখ্যাত মনোচিকিৎসক ডা. এল. পি. বাৰ্মাই কৈছিল, "সহজ ভাষাত যি ব্যক্তিয়ে তেওঁৰ সামাজিক পৰিবেশক অস্বীকাৰ কৰি পৰিবেশৰ উৰ্দ্ধত জীয়াই থাকিব বিছাৰে বা জীয়াই থাকে তেৱেঁই অস্বাভাৱিক ব্যক্তি । এই অস্বাভাৱিকতাৰ সীমা চেৰাই গলেই তেওঁ হৈ পৰে পাগল । মানসিকতা আৰু বিবেকৰ সম্বন্ধ বিচ্ছিন্ন হলেই ব্যৱহাৰ আদিত সামান্য বিভিন্নতা আহি পৰে ।

মানসিক ৰোগৰ কাৰণ, প্ৰকাৰ আদিৰ আলোচনা কৰাৰ আগতে আহক আমি বিভিন্ন মনোৰোগৰ বিশ্লেষণ কৰো —

## বিভিন্ন মনোৰোগ আৰু বিশ্লেষণ—

কবিতাৰ বিয়াৰ তিনি মাহৰ পাছতেই তাই মাকৰ ঘৰলৈ ঘূৰি আহিল ---- ---- ---- ---- ---- শ্যামলীয়ে এটি সুন্দৰ শিশুৰ জন্ম দিলে, কিন্তু তাই নিজৰ সন্তানটিক চুবলৈও ভয় কৰে---- ---- নৰেন্দ্ৰ এজন শিক্ষিত, বুদ্ধিমান পুৰুষ আৰু তেওঁৰ পত্নীও সুগঢ়ী, সুন্দৰী; কিন্তু কিয় জানো নৰেন্দ্ৰই পত্নীৰ লগত সদায়েই বেয়া ব্যৱহাৰ কৰে ।

এনে হাজাৰ কাহিনী শুনা যায় । এই সকলোবে সমস্যা বেলেগ হলেও কাৰণ সেই একেটাই— মস্তিস্কৰ গভীৰৰ ভাৱনা । অশান্তি আৰু অন্তৰক খুলি খুলি খোৱা কিবা গভীৰ দুখ । ব্যক্তিৰ মানসিক স্থিতিৰ পূৰ্ণ ৰূপে বিশ্লেষণ কৰিলেহে এনে সমস্যাৰ সমাধান সম্ভৱ । এনে কেইটিমান ঘটনাৰ মনোচিকিৎসক সকলে কিদৰে বিশ্লেষণ কৰিলে চাওঁক —

কবিতা আৰু অনুপমৰ বিয়া ধুমধামেৰেই হৈছিল । কিন্তু তিনিমাহ পাছতেই তাই মাকৰ ঘৰলৈ ঘূৰি আহিল । কাৰণ তাই কোনো কাৰণ নোহোৱাকৈ গিৰীয়েকক ভয় কৰে আৰু মাজে মাজে এই ভয়তেই তাই জ্ঞান হেৰুৱাই । কবিতাক মনোচিকিৎসকৰ ওচৰলৈ লৈ যোৱা হল । বহু প্ৰশ্ন কৰাৰ পাছত জনা গল আন এক কাহিনী । সৰুতে এবাৰ ঘৰৰ চাকৰ এটাই কবিতাক বলাৎকাৰ কৰাৰ চেস্টা কৰিছিল । সেই ভয়েই তাইৰ অন্তৰৰ গভীৰত থাকি গল । সেই সৰুকালৰ অৱচেতন মনৰ ভয়েই আজিও তাই অকাৰণতে গিৰিয়েকক ভয় কৰে ।

শ্যামলীয়ে এটি সুন্দৰ শিশুৰ জন্ম দিলে । কিন্তু শিশুটিক দেখা পায়েই তাই ভয়তে চিঞৰ বাখৰ লগালে । শিশুটক চুবলৈও তাই অমান্তি হল । স্বামী আৰু সম্বন্ধীয় সকলে বহু চেষ্টা কৰিও তাইৰ মনৰ পৰা এই ভয় আঁতৰাব নোৱাৰিলে । মনোচিকিৎসক আহিল । বহু চেষ্টাৰ পাছত পোহৰলৈ আহিল এক বিচিত্ৰ অতীত । বাংলাদেশৰ যুদ্ধত শ্যামলীক হোষ্টেলৰ পৰা শত্ৰু পক্ষৰ চিপাহীয়ে অপহৰণ কৰি নিছিল । যুদ্ধ শেষ হোৱাৰ পাছত তাই ঘৰলৈ ঘূৰি অহাত ঘৰৰ মানুহে তাইক কলিকতালৈ পঢ়িবলৈ পঠিয়ালে । পঢ়া শেষ হলত তাইক বিয়া দিলে । ছোৱালী জনী জন্ম হোৱাত তাই এক আচৰিত ভয়ে খুলি খুলি খাইছিল । তাইৰ মনতে ভাব হৈছিল যে তাই ছোৱালী জনীক চুলেই ছোৱালী জনী অপৱিত্ৰ হৈ পৰিব ।

শ্ৰীমতী ৰেখা বৰুৱাই বেডমিণ্টন খেল চাই আছিল । এবাৰ হঠাতে চাটলককটো শ্ৰীমতীৰ ফাললৈ আহিল । তেওঁ চিঞৰি উঠিল আৰু জ্ঞান হেৰুৱালে । এই ঘটনাৰ পাছৰ পৰা উৰি যোৱা চৰাই দেখিলেও শ্ৰীমতী ভয়তে চিঞৰি উঠে । তেখেতে বুজি পাইছিল এটা চৰাইয়ে তেওঁৰ একো অনিষ্ট কৰিব নোৱাৰে । কিন্তু তথাপিও তেওঁৰ মনৰ পৰা ভয় আঁতৰি যোৱা নাছিল । মনোচিকিৎসকৰ চেষ্টাত শ্ৰীমতীৰ ভয় দূৰ হল । আচলতে তেখেতৰ স্বামী অফিচত কাম বেছি হোৱাৰ বাবে কেইদিন মানৰ পৰা দেৰাকৈ ঘৰলৈ উভতিছিল । এই ঘটনাক লৈ শ্ৰীমতীৰ মনত সন্দেহৰ জন্ম হল । সেই সময়তে শ্ৰীমতীৰ মাকৰ মৃত্যু হল; যাক তেওঁ খুব বেছি ভাল পাইছিল । ঘৰৰ লৰা ছোৱালী কেইটাৰ মাকৰ প্ৰতি মনোভাৱ বৰ ভাল নাছিল । এনে বোৰ কাৰণতে শ্ৰীমতীৰ অন্তৰত নিৰাপত্তাৰ অভাৱৰ ভাবনাই খোপনি পুটিলে । সৰু কালত এবাৰ শ্ৰীমতীয়ে পকৰা খাই থাকোতে এটা কাউৰীয়ে তেওঁৰ হাতৰ পৰা পকৰা কাঢ়ি নিছিল । তেতিয়াও এবাৰ তেওঁ চিঞৰ মাৰি জ্ঞান হেৰুৱাইছিল । যেতিয়া তেওঁ জ্ঞান পাইছিল কাউৰীৰ এখন পাখী তেওঁৰ হাতৰ মুঠিত আছিল । এই ঘটনা তেওঁ পাহৰি গৈছিল যদিও নিৰাপত্তাৰ অভাৱৰ ভাৱনা তেওঁৰ অন্তৰৰ গভীৰত ৰৈ গৈছিল । ডাঙৰ হোৱাৰ পাছত যেতিয়া তেওঁ আকৌ এবাৰ নিৰাপত্তা অভাৱ অনুভৱ কৰিলে । তেতিয়াই উৰি অহা চাটলককটো দেখি তেওঁৰ সেই 'ভয়' আকৌ মনলৈ আহিল আৰু তেওঁ চিঞৰ মাৰি অজ্ঞান হৈ পৰিছিল ।

এগৰাকী মহিলাই যি কোনো কাম কৰাৰ আগতে হাত ডুখন ভালকৈ ধুই লৈছিল । তাই ভাৱি লৈছিল যে 'যৌন মিলন' এক মহাপাপ । স্বামীৰ খাতিৰত এই পাপ স্বীকাৰ কৰি লৈছিল যদিও তাই ভাবি লৈছিল যে তাই অপৱিত্ৰ হৈ পৰিছে । সেই বাবেই তাই যি কোনো কাম কৰাৰ আগতে হাত ডুখন ধুই পবিত্ৰ কৰি লৈছিল ।

ৰাকেশ এজন লাখপতি ব্যৱসায়ী । তেওঁৰ কান্ধত এটুকুৰা ঘা আছে যি টুকুৰা তেওঁ কেতিয়াও শুকাবলৈ নিদিয়ে । শুকাব ধৰা যেন দেখিলেই তেওঁ কটাৰীৰে কাটি ঘা টুকুৰা গভীৰ কৰি লয় । তেওঁৰ এই অস্বাভাৱিক স্বভাৱৰ কাৰণ আছিল এনে ধৰণৰ— ৰাকেশৰ ঘৰত সুন্দৰী পত্নী থাকোতেও তেওঁ অন্য মহিলাৰ লগত গোপন সম্বন্ধ ৰাখিছিল । এই কাৰণতেই তেওঁ পত্নীক নানা কষ্ট দি আহিছিল । এই অত্যাচাৰত অতিষ্ঠ হৈ তেওঁৰ পত্নীয়ে বিহ খাই আত্মহত্যা কৰিছিল । মৃত্যুৰ আগ মুহূৰ্ত্তত তাই যেতিয়া চটফটাই আছিল তেতিয়া ৰাকেশে তাইক বচাবলৈ আপ্ৰাণ চেষ্টা কৰিছিল । তেতিয়াই পত্নীৰ মুখৰ পৰা ওলোৱা বিষাক্ত ফেন ৰাকেশৰ কান্ধত পৰিছিল । কান্ধৰ এই অংশতেই ৰাকেশে ঘাৰ সৃষ্টি কৰি তেওঁৰ পাপৰ প্ৰায়চিত্ত কৰি আহিছে ।

ৰাঁচীৰ মানসিক চিকিৎসালয়ৰ এজন ৰোগীৰ কথা শুনক । এই ৰোগী বিহাৰৰ কোনোবা সমষ্টিৰ বিধায়ক আছিল । ডাক্তৰৰ সকলো প্ৰশ্নৰ উত্তৰ তেওঁ শালীনতাৰেই দিছিল । শেষত তেওঁ ডাক্তৰক প্ৰশ্ন কৰিলে – "কওঁকছোন লালবাহাদুৰ শাস্ত্ৰী কেনেকৈ প্ৰধানমন্ত্ৰী হল ।

'যোগ্যতাৰ আধাৰত' ডাক্তৰ জনে মিচিকিয়াই কলে ।

"নহয়, যেতিয়া জৱাহৰলাল নেহেৰুৰ মৃত্যু হল তেতিয়া দেৱতা আৰু দানৱৰ মাজত কাজিয়া লাগিল নেহেৰুক কাৰ কাষলৈ আনিব পাৰে । কাজিয়াৰ অন্তত 'জৱাহৰ' গল দেৱতাৰ কাষলৈ, 'নেহেৰু' গল দানৱৰ কাষলৈ আৰু 'লাল' পৃথিৱীত থাকি গল । এই 'লাল', লাল-বাহাদুৰ শাস্ত্ৰী হল । ৰোগী জনে পণ্ডিতৰ দৰে কৈছিল ।

ডাক্তৰৰ মতে মন্ত্ৰী হবলৈ ইচ্ছুক এই বিধায়কৰ যোগ্যতাতকৈ ভাগ্যৰ ওপৰত বেছি অভিভূত আছিল । এয়া সাধাৰণ ৰোগ, যি মূখ্যত উচ্চ অভিলাষ পূৰণ নোহোৱাৰ বাবে হয় ।

## মনোৰোগৰ কাৰণ আৰু প্ৰকাৰ—

আমাৰ শৰীৰত এনে কিছুমান গ্ৰন্থি আছে যিবিলাকে হৰ্মোণৰ ক্ৰিয়াৰ দ্বাৰা আমাৰ মন আৰু বিবেকৰ লগত পোনপটীয়া সম্বন্ধ ৰাখি চলে । এই হৰ্মোণ প্ৰয়োজনতকৈ কম হোৱাটোৱেই মনোৰোগৰ মূখ্য কাৰণ ।

কাৰণ বিলাকক মূখ্যত দুটা ভাগত ভাগ কৰিব পাৰি — বহিঃ কাৰণ আৰু অন্তঃ কাৰণ । সামজিক অৱৰোধ, আৰ্থিক শোষণ, গালি গালাজ আদিৰ দ্বাৰা হোৱা মনোৰোগক বহিঃ কাৰণ আৰু অন্তঃকাৰণত হোৱা মনোৰোগ হল বিষযুক্ত আহাৰ, আত্ম অসন্তুষ্টি, অসফল প্ৰেম, বাসনা, তৃপ্তি আদিৰ বাবে হোৱা মনোৰোগ ।

মনোৰোগক মুখ্যতঃ দুটা ভাগত ভাগ কৰিব পাৰি । প্ৰথমে স্নায়ুৰ নিষ্ক্ৰিয়তাৰ ফল স্বৰূপে হোৱা ৰোগক স্নায়ুৰোগ (নিউৰ'চিছ) বোলা হয় আৰু যেতিয়া এই প্ৰক্ৰিয়াই শৰীৰক সঞ্চালিত কৰে তেতিয়াই ইয়াক কোৱা হয় মনোবিক্ষিপ্ত (চাইক'চিছ) ৰোগ । মনো চিকিৎসক সকলে সুবিধানুসাৰে মনো ৰোগক ছয়ভাগত ভাগ কৰিছে---

প্ৰথম ভাগৰ ৰোগ হল মানসিক বাধা ( মেণ্টেল ৰিটাৰ্ডেশন ) । এই ৰোগ শিশুয়ে গৰ্ভৰ পৰাই লৈ আহে । এনে ৰোগীৰ বয়স বঢ়াৰ লগে লগে বুদ্ধিৰ বিকাশ নহয় । গৰ্ভ কালত হোৱা অসাৱধানতাই ইয়াৰ মুখ্য কাৰণ । এনে ৰোগী সম্পূৰ্ণ ৰূপে আৰোগ্য হোৱাৰ ঘটনা বিৰল ।

দ্বিতীয় ভাগ হল বিভক্ত মনস্কতা (স্কিজোফ্ৰেণিয়া ) । এনে ৰোগী নিজৰ মনোজগতৰ পৰিধিৰ মাজতে আৱদ্ধ হৈ থাকে । আনন্দ আৰু বিষাদৰ কোনো প্ৰতিক্ৰিয়াই এওঁলোকৰ নহয় । এওঁলোকৰ কথা বাৰ্ত্তা অসংলগ্ন । এনে ৰোগ সাধাৰণতে লাজকুৰীয়া স্বভাৱৰ মানুহৰ হে হয় । আত্ম বিশ্বাসৰ অভাৱৰ বাবে মানুহ কব নোৱাৰাকৈয়ে হীন ভাৱনাৰ চিকাৰ হয় । ফলস্বৰূপে তেওঁ অন্তৰ্লিপ্ত হৈ থাকিবলৈ বা অসংলগ্ন কথা কোৱাৰ অভ্যাস গ্ৰহণ কৰে । মনোবৈজ্ঞানিকৰ মতে শিশুকালত ৫ বছৰ বয়সলৈকে শিশুৰ অৱচেতন অৱস্থাত শিশুৱে যি কোনো অভ্যাস গ্ৰহণ কৰিব পাৰে । সাধাৰণতে ৫ বছৰ বয়সলৈকে শিশুৰ পিতৃ মাতৃ নৱবিবাহিত হোৱাৰ তন্দ্ৰাতে ডুব গৈ থাকে । ফলত শিশু অৱহেলাৰ চিকাৰ হয় আৰু পৈণত বয়সত ইয়াৰ প্ৰতিক্ৰিয়া সমুখলৈ আহে । এই ৰোগৰ চিকিৎসা-আত্ম বিশ্বাস ।

মনোৰোগৰ তৃতীয় ভাগ হল নাৰকোটিক্ চাই্কঁচোমেটিক্ ডিচ্অৰ্ডাৰ । এই ৰোগ নিচা হোৱা পদাৰ্থ যেনে গাঁজা, ভাং, এল, এছ, ডি আদি সেৱন কৰাৰ ফলত বেচিভাগ হোৱা দেখা যায় । অধিক ধোঁৱাৰ বাবেও এই ৰোগ হব পাৰে । এই ক্ষেত্ৰত ৰোগীৰ মস্তিষ্ক আৰু শৰীৰৰ বাকী অংশৰ মাজৰ 'কানেকটিভ বাল্ব' নিষ্ক্ৰিয় হৈ পৰে । সাধাৰণ অৱস্থাত দৃশ্য স্পন্দন চকুৰ ৰেটিনাৰ পৰা 'এপ্টিকল নাৰ্ভছ' হৈ মস্তিষ্কত প্ৰৱেশ কৰে আৰু মস্তিষ্কত দৃশ্যটিক অনুভূত কৰায় । এই দৃশ্য স্পন্দনৰ পুনৰ বিপৰীত দিশত ঘূৰি অহাৰ প্ৰবৃত্তিও থাকে । এই ঘূৰি অহাক বাধা দিবলৈ আমাৰ স্নায়ুকোষত কিছুমান 'বাল্ব' আছে । মাদক দ্ৰব্য সেৱন কৰা সকলৰ এই 'বাল্ব' বোৰ নিষ্ক্ৰিয় হৈ পৰাৰ বাবে এনে ৰোগীৰ দৃশ্য স্পন্দন ৰেটিনাৰ পৰা মগজুলৈ নেযায়, মগজুৰ পৰাহে ৰেটিনালৈ ঘূৰি আহে । এনে ধৰণে এই ৰোগীৰ মস্তিষ্কত উদয় হোৱা কোনো আকৃতি যেতিয়া ৰেটিনালৈ আহে তেতিয়া ৰোগীয়ে সেই আকৃতিৰো আভাস পায় । এই আভাস কাল্পনিক হলেও চকুৰে দেখা যায় । এনে অনুভৱক 'পৰিভ্ৰম' কোৱা

যায়। নিচা হোৱা পদাৰ্থৰ পৰা দূৰত থাকিলেই এনে ৰোগী আৰোগ্য হয়।

চতুৰ্থ ভাগ হল মনঃ তন্ত্ৰিকা ( ছাইকো নিউৰ'টিক্ ) ৰোগ। ই স্নায়ুতন্ত্ৰ সম্বন্ধিত ৰোগ 'ভ্ৰম' এই ৰোগৰ মুখ্য কাৰণ। এনে ৰোগীৰ মতিভ্ৰম, দৃষ্টিভ্ৰম, শ্ৰুতিভ্ৰম আদি হয়। এনে এজন ৰোগীৰ দৃষ্টিভ্ৰম আছিল। তেওঁ সকলোতে কেৱল সাপ দেখা পায়। এবাৰ টেবুলৰ ওপৰত পৰি থকা ৰচী এডাল দেখি তেওঁ "সাপ সাপ" বুলি চিঞৰ বাখৰ লগালে। সেই দৃশ্য দেখি ডাক্তৰ এজনে ৰচীডাল টেমা এটাত ভৰাই টেমাতো জ্বলাই দিলে। সাপ ডাল জ্বলি যোৱা দেখি ৰোগী জন স্বাভাৱিক হৈ পৰিল। 'হিষ্টিৰিয়া' আদিও এই ভাগৰে ৰোগ। ঔষধৰ উপৰিও ভাৱনাত্মক সমাধানেৰেও এই ৰোগ নিৰাময় হয়।

মনোবিক্ষিপ্ততা আৰু এক প্ৰকাৰ ৰোগ। অৱশ্যে এই ৰোগ ক্ষণিক সময়ৰ বাবেহে হয়। তথাপি সেই সময় ছোৱাতে ৰোগী অস্বাভাৱিক ভাৱে বিচলিত হৈ পৰে। এনে ৰোগীৰ বিবেকৰ লগত কোনো সম্বন্ধ নেথাকে, অৱশ্যে সময়ত ৰোগী আকৌ স্বাভাৱিক হৈ পৰে। এই ৰোগৰ ভাল ঔষধ হল বশীকৰণ ( হিপনোটিজম্ )। এনে ৰোগৰ আৰু এটা ভাগ হল 'ডিপ্ৰেচন ছাইক'চিছ,'। ব্যগ্ৰতাৰ বাবে হোৱা এই ৰোগক অৱশ্যে ডাক্তৰ সকলে ৰোগ বুলি নধৰে। এনে ৰোগীৰ লক্ষণ হল নখ কামোৰা, আঙুলিৰে চাদৰৰ আঁচল মেৰিওৱা, ওঁঠ কামোৰা, ভৰি কঁপোৱা আদি।

ষষ্ঠ আৰু শেষ ভাগ ৰোগেই আটাইতকৈ বিপদজনক। সেয়া হল মনোৰোগময় বিকৃতি এনে ৰোগীৰ মস্তিস্ক কাৰ্য্যক্ষমতা পুৰ্ণ ৰূপে শূণ্য হৈ পৰে। ইতিহাস প্ৰসিদ্ধ চেংগিজ খাঁ, নাদিৰশ্বাহ আদি এই বিভাগৰ ৰোগী আছিল। বাল্য কালত অৱচেতন মনে গ্ৰহণ কৰা ভাৱনাই ইয়াৰ বাবে দায়ী।

ভাৰতবৰ্ষত সাধাৰণতে মনোৰোগৰ চিকাৰ হয় যুৱাৱস্থাৰ লোক, যি সময়ত মনৰ ভাৱনা তুলাৰ দৰে কোমল হয়। কিন্তু বিদেশত ইয়াৰ সম্পূৰ্ণ বিপৰীত। তাৰ মনোৰোগীৰ ৭০% বৃদ্ধ অৱস্থাৰ। বৃদ্ধাৱস্থাৰ অকলশৰীয়া জীৱনৰ ভয়েই ইয়াৰ মূল কাৰণ। আমাৰ দেশত এনে বৃদ্ধ ৰোগীৰ হাৰ মাত্ৰ ১৫%।

**মনোৰোগৰ চিকিৎসা ঃ অতীত আৰু এতিয়া—**

অতীতত মনোৰোগক ভূত-প্ৰেত প্ৰেতাত্মাৰ প্ৰভাৱ বুলিহে ধৰা হৈছিল। কোনো ক্ষেত্ৰত বেজ ফকীৰৰ সহায়ত এনে ৰোগ নিৰাময়ো হৈছিল। বিজ্ঞানৰ প্ৰগতিয়ে ভূত- প্ৰেতৰ সম্ভাৱনাক গৰকি মনোৰোগক শাৰীৰিক ৰোগৰ লাত চামিল কৰিলে। ১৫ শতাব্দীৰ উত্তৰাৰ্দ্ধত

প্ৰসিদ্ধ বৈজ্ঞানিক ডাঃ এমিল ক্ৰেয়ালিনে সৰ্ব্বপ্ৰথম মনোৰোগক এক মানৱীয় ৰোগৰ নাম দিলে ১৬ শতিকাত বৈজ্ঞানিক পাৰাচেলচছে মনোৰোগ নিৰাময়ৰ উপায় উলিয়ালে । ১৭ শতিকাত হাৰ্ডে 'মন'ব্ৰমেড ছল্ট, ৰোগ নিৰাময়ৰ বাবে প্ৰয়োগ কৰে । জাৰ্মান ন্যায়াধীশ জেব্ৰিয়ল টাৰ্ডেই মনোৰোগক মনোবিজ্ঞানৰ লগত সংযোগ কৰিলে । নোবেল পুৰস্কাৰ বিজেতা ইভান পেট্ৰভিছ পাব্লোৱ আৰু বেস্থাময়ট লগলাগি বিশ্বৰ প্ৰথম 'মনোচিকিৎসা প্ৰয়োগশালা' খুলে । তেওঁলোকে ৰোগ নিৰাময়ৰ বাবে 'হাইড্ৰো থেৰেপি' বিধিৰ আৱিষ্কাৰ কৰে । এই বিধি অনুসৰি ৰোগীক তিনি মিটাৰ দীঘল টাবত শোৱাই ভৰিৰ পৰা ডিঙিলৈকে পানীত ডুবাই থোৱা হয় । বৰফৰ সহায়েৰে পানী খিনি আৰু বেছি ঠাণ্ডা কৰা হয় । এনে দৰে ৰোগী যেতিয়া অজ্ঞান হৈ পৰে তেওঁক পানীৰ পৰা উলিয়াই অনা হয় । জ্ঞান অহাৰ পাছত ৭৫% ৰোগী স্বাভাৱিক হৈ পৰা দেখা যায় । এই বিধি বহু বছৰলৈ জনপ্ৰিয় আছিল । এই বিধিৰ দুৰ্ঘটনাৰ সম্ভাৱনাও যথেষ্ট আছিল ।

ইয়াৰ পাছত লাহে লাহে ঔষধৰ প্ৰয়োগ হবলৈ ধৰিলে । ১৯৩৮ চনত ইটালীৰ বৈজ্ঞানিক এল বিনী আৰু বি চিমেটে 'বিদ্যুৎউপচাৰ' বিধি আৱিষ্কাৰ কৰি মনোৰোগৰ জগতত এক নতুন দিগন্তৰ উন্মোচন কৰে । এই বিধি আজিও প্ৰচলিত । এই বিধি অনুসৰি ৰোগীক প্ৰয়োজন অনুসৰি ১১০ ভল্টৰ পৰা ১৩০ ভল্টলৈকে বিদ্যুৎশক্তি ⅒ চেকেণ্ডৰ পৰা ১ চেকেণ্ডলৈকে মস্তিষ্কৰ দুয়ো ফালৰ পৰা 'ইলেকট্ৰোড'ৰ দ্বাৰা প্ৰৱেশ কৰোৱা হয় । ইয়াৰ ফলত ৰোগীৰ মস্তিষ্কৰ নিষ্ক্ৰিয় 'বাল্ব' বিলাক পুনৰ সংবেদনশীল হয় ।

অধিক উন্নত বিধিৰ আৱিষ্কাৰৰ বাবে বিজ্ঞানে আজিও চেষ্টা চলাই আছে । বৰ্ত্তমান 'নিথিয়াম' বিধিৰ ওপৰত পৰীক্ষা চলি আছে । যি হয়তো মনোৰোগক সম্পূৰ্ণ ৰূপে বাধা দিবলৈ যথেষ্ট পৰিমানে সফল হব ।

ভাৰতবৰ্ষত সৰ্ব্বপ্ৰথম ১৪ মাৰ্চ ১৭৪৫ চনত বোম্বেৰ এখন চৰকাৰী চিকিৎসালয়ত মনোৰোগীৰ বাবে এক আচুতীয়া বিভাগ খোলা হৈছিল । তেতিয়া এই বিভাগক 'ল্যুনেটিক এচাইলম' নামেৰে জনা গৈছিল । দ্বিতীয়তে কলিকতাত ১৭৮৭ চনত আৰু মুংগেৰ (বিহাৰ) ত ১৭৯৫ চনত দুটা বিভাগ খোলা হৈছিল ।

বৰ্ত্তমান আমাৰ দেশত ৩৮ খন মানসিক চিকিৎসালয় আছে, যত ২৫,০০০ ৰোগীৰ থকা খোৱাৰ ব্যৱস্থা আছে । কিন্তু এই সময়ত ভাৰতবৰ্ষত মানসিক ৰোগীৰ সংখ্যা হল ১ কোটি ৩০ লাখ, যাৰ প্ৰায় আধাখিনিৰ অতি সোনকালে চিকিৎসাৰ দৰকাৰ । ডাক্তৰ আছে প্ৰায় ৪০০ জন । তথ্যমতে আমাৰ প্ৰতি ৫ জন ব্যক্তিৰ মাজত গড়ে এজন অস্বাভাৱিক ব্যক্তি আৰু প্ৰতি ১৪ লাখ ৰোগীৰ বাবে আছে এজন মনোচিকিৎসক । উপৰোক্ত ৩৮ খন চিকিৎসালয়ৰ উপৰিও ডাঙৰ চিকিৎসালয় সমূহত মনোৰোগৰ বাবে একোটাকৈ বিভাগ আছে । অসমৰ

তেজপুৰত এখন মানসিক চিকিৎসালয় আছে ।

মনোৰোগীৰ সংখ্যা যি দ্ৰুতগতিত বাঢ়িছে সেই অনুপাতে ইয়াৰ চিকিৎসা দুৰ্লভ হৈ পৰিছে । প্ৰতি এক লাখ ৰোগীৰ বাবে মনোচিকিৎসক আছে আমেৰিকাত কেৱল ১২.৫ জন ছোভিয়েতত আছে ৫.৫ জন, পশ্চিম জাৰ্মানীত ৪.৭ জন, লণ্ডনত ৩.৭ জন তথা ভাৰতবৰ্ষত আছে মাত্ৰ ০.১৫ জন ।

আমাৰ দেশত মানসিক ৰোগীক চিকিৎসাৰ উপযোগী বুলি ভবা নহয় । গাৱত এনে ৰোগীক ভূত প্ৰেতৰ প্ৰভাৱ বুলি বেজ তান্ত্ৰিকৰ সহায়ত ভূত খেদা হয় আৰু চহৰত 'বেচেৰা পাগল' বুলি হয়তো লুকুৱাই ৰখা হয় ( যেন পাগল হোৱাতো এক অপৰাধহে ) নহয় পাগল থানাত ভৰাই দিয়া হয় এই ভাবি যে ইয়াৰ কোনো চিকিৎসা নাই । আমাৰ দেশত শৰীৰিক ৰোগক যিমান গুৰুত্ব দিয়া হয়, মস্তিষ্কক সিমানেই অৱহেলা কৰা হয়, য'ত নেকি মস্তিষ্কই শৰীৰৰ আটাইতকৈ গুৰুত্ব পূৰ্ণ অংগ । এই বিলাক কাৰণতে আজিও মানুহে অন্তৰৰ অন্ধকাৰ গলিত হাবাথুৰি খাই ফুৰিছে ।

[ বিঃ দ্ৰঃ ৰচনা খনত উল্লেখিত ঘটনা বিলাক সত্য, কিন্তু চৰিত্ৰৰ নাম বিলাক কাল্পনিক । সামাজিক কাৰণতে প্ৰকৃত নাম প্ৰকাশ কৰিব পৰা নগল । ৰচনাখন যুগুতাওঁতে হিন্দি সাপ্তাহিক 'ধৰ্মযুগ'ৰ সহায় লোৱা হৈছে । ]



# নকৈ নোৱাৰো / বেয়া পাওঁ

১। তেওঁক, যিজনে মহাবিদ্যালয়ৰ শ্ৰেণীত ধূমপান কৰে।

২। সেইজনক, যিজনে বন্ধু-বান্ধৱ বা অন্যান্য ছাত্ৰ-ছাত্ৰী সকলৰ লগত বাৰ্ত্তালাপ কৰোঁতে অশ্লীল শব্দ প্ৰয়োগ কৰি সুস্থ পৰিৱেশ নষ্ট কৰে।

৩। সেইসকলক, যি সকলে মহাবিদ্যালয়ৰ দেৱাল, বকলা, ব্লেকবৰ্ড আৰু টেবুল চকী আদিত অশ্লীল শব্দ লিখি বিকৃত ৰুচিৰ পৰিচয় দিয়ে।

৪। তেওঁলোকক যি সকলে মহাবিদ্যালয়ৰ লাইট, ফেন, চুইচবৰ্ড আদি ভাঙি ফুটি কৰে।

৫। তেওঁক, যিজন ছাত্ৰই ছাত্ৰ-জিৰণী কোঠাত জিৰণি নলৈ ছাত্ৰী-জিৰণী কোঠাতহে জিৰণি লৈ ভাল পায়।

৬। তেওঁক, যিজনে চাইকেল ষ্টেণ্ডত চাইকেল থন নিয়াৰিকৈ নাৰাখে।

৭। সেইজনক, যিজনে জাননী বৰ্ডৰ পৰা জাননী বিলাক ফালি আনসকল ছাত্ৰ-ছাত্ৰীক অযথা বিপৰ্য্যস্ত কৰে।

৮। সেইসকলক, যিসকলে মহাবিদ্যালয়ৰ অনুশাসন অমান্য কৰে।

৯। সেইসকলক, যিসকলে মহাবিদ্যালয়ৰ সভা-সমিতি পাতিলে নাথাকি ঘৰলৈ দৌৰ মাৰে, অথচ পাছদিনা আহি "এইটো হব নালাগিছিল" বুলি বিজ্ঞ মন্তব্য দিয়ে।

১০। সেইসকলক, যি সকলে কোঠাৰ ভিতৰত Class হৈ থাকোঁতে বাৰান্দাত বা দুৱাৰ-খিৰিকীৰ মুখত হাঁহি খিকিন্দালিৰ ৰসালাপ কৰি আনন্দ অনুভৱ কৰে।

# যোগ-সূত্ৰ

শ্ৰীবৰুণ শইকীয়া
স্নাতক প্ৰথম বাৰ্ষিক (বিজ্ঞান)

ইব্ৰাহিমে শেষত সিদ্ধান্ত কৰিলে সি আৰু বিয়া নাপাতে । 'আপুনি বয়স হৈলে বুদ্ধি হৈবে ভাল' —- কথাষাৰ আজি সি উপলব্ধি কৰিলে । দোষ তাৰেই, আনক বিচাৰ কৰাৰ আগতে নি নিজকে বিচাৰ কৰি চালে । কিমান দিন সি কপালৰ ঘাম মাটিত পেলাই ঠেলা ঠেলিলে অথচ কিবা জানো কৰিব পাৰিলে তাইৰ বাবে, আনকি নিজৰ বাবেও । ইব্ৰাহিমে তাৰ বাহুযোৰ ফুলাই চালে । এৰা ইয়াত আৰু আগৰ সৌষ্ঠৱ নাই, সি ইতিমধ্যে বুঢ়া হৈ আহিছে ।

'কেঁ- এঁ- এঁ - কেঁ' — — । কেচুৱাটোৰ কান্দোনত সচকিত হল ইব্ৰাহিম । সি কণমানি মুখখনত দুধদানীটো লগাই দিলে । কিন্তু নাচোৰ বান্দা কেচুৱাটোৰ কান্দিবলৈকে যেন আগমন । এই কেচুৱাটোৱে তাক কেতিয়াবা বিমোৰত পেলায়, তাৰ সমস্ত মানসিকতাক বিকল কৰে । তাৰ মানসিকতাৰ বিপক্ষে সি সবল যুক্তি দাঙি ধৰি সি কান্দি কান্দি যেন কয়, "তুমি বিয়া নাপাতিলে মই কেনেকৈ ডাঙৰ হম মামা" । ইব্ৰাহিমে জোৰেৰে নিজৰ মূৰটো জোকাৰি দিয়ে, ভাবৰ জোলোঙাত যুক্তি বিচাৰি যেন নিলিখা কলম এটাহে জোকাৰিছে । অৱশেষত সি স্থিৰ সিদ্ধান্তলৈ আহে, সি তাৰ উপাৰ্জনেৰে খুৱাব নোৱাৰে মানে বিয়া নাপাতে । বিয়া নপতাৰ দুৰ্বল যুক্তি দাঙি ধৰে সি । সি কেচুৱাটোক যেন কয়, "তোমাক মই ডাঙৰ কৰি মানুহ কৰিবলৈ গাত লব পাৰো, কিন্তু মই বিয়া পাতিব নোৱাৰো" ।

'ঘটং' গৰুজনীয়ে পানী খাবলৈ আহি বালিটটো পেলাই দিয়ে ইব্ৰাহিমে ভাৱনাৰ ৰাজ্যৰ পৰা ঘূৰি আহে বাস্তবলৈ, গৰুজনী খেদাই দিলে । সিও যেন আজি পিয়াহত ককবকাই ফুৰিছে । মুদ্ৰাদোষ থকা মানুহৰ দৰে "ৰাম ৰাম" বুলি এনেয়ে মাতিলে । সি ভাত ৰান্ধিবলৈ উঠিল । টানতহে ৰাম বোলে । সি আজি সচাঁসচিকৈ আল্লাক ৰাম বুলি পেলালে । চাউলৰ জোলাটোৰ পৰা দ্বিতীয় পত চাউল দিবলৈ লৈ ইব্ৰাহিম থমকি ৰ'ল । এৰা তাৰ আজি বাৰু কৈয়ে মনত পৰিছে ছায়েৰালৈ । কিয়ে বা দিব পাৰিলে সি তাইক ।

ছায়েৰা ইব্ৰাহিমৰ ভনীয়েক । আজি দহ বছৰমানেই হ'লনেকি তাৰ দেউতাক বেহে-স্তলৈ যোৱা, তাৰ পিছতে মাক । দুখীয়া সৰু পৰিয়ালটোত সি আৰু ভনীয়েক ছায়েৰা বাকী ৰৈছিল । কুৰি বছৰীয়া ইব্ৰাহিমে তেতিয়াতো ভবা নাছিল্ এনে হব বুলি । চফিকুল মণ্ডলেও চাকৰিৰ সামান্য টকাৰে এই ভাবি ছায়েৰাক নাইনলৈকে আৰু তাকো মেট্ৰিকৰ দেওনাখন পাৰ কৰোৱা নাছিল নিশ্চয় । কিন্তু······ । দেউতাকৰ বেহেস্ত হোৱাৰ পাছদিনাই মৌজাদাৰ দেউতাই লিখাই লৈছিল সিহঁতৰ ছকথা মাটি পৈত্ৰিক ঋণ স্বৰূপে । প্ৰতিবাদ কৰা নাছিল ইব্ৰাহিমে । সি জানে বাদ প্ৰতিবাদবোৰ সিহঁতৰ বাবে অৰ্থহীন । সেয়ে সি মৌজাদাৰক ফেঁপেৰি পাতি ধৰা নাছিল । ওপৰাউপৰি সংঘাতত জুৰুলা হৈছিল ইব্ৰাহিম । কিন্তু থামি ডাঠ ইব্ৰাহিমে ধৈৰ্য্য হেৰুউৱা নাছিল । জীৱিকাৰ সন্ধানত ইফাল সিফাল কৰি চালে কেইদিন মান কিন্তু ইমান সোনকালে এটা চাকৰি পোৱাটো পৰ্বতত কাছ কণী বিচৰা সমান । অভাৱেই স্বভাৱৰ মূল । তেন্তে সি চুৰ কৰিব নেকি ? খেয়ালি মনটোৱে তাৰ জঁট লগা সুতা এনেচাৰ আঁতহে বিচাৰি ফুৰিছে যেন । অৱশেষত সি ঠিক কৰিলে বাকী দুকথা মাটিও মৌজাদাৰ দেউতাক বন্ধক দিয়াটোকে । তাৰ পাছত ঠেলাখন কিনিলে । আৰম্ভ হল জীয়াই থকাৰ সংগ্ৰাম, এসাগৰ পানীৰ ধুমুহাত পতিত এখন টুলুঙা নাৱৰ দৰে । অন্য নহলেও সৎপ-থত দুপইছা আৰ্জিব পাৰিব, ইয়াতেই সন্তুষ্ট সি, বেছিকৈ মুখ মেলিলে মুখ ফাটে । কিন্তু পেটে ভাতে দুসাঁজ পূৰা হলেই জানো জীয়াই থাকিব পাৰি ? নাই নোৱাৰি । জীয়াই থাকিবলৈ আৰু কিবাকিবিৰ প্ৰয়োজন, তাৰবাবে নহলেও, গাভৰু ভনীয়েক ছায়েৰাৰ বাবে ।

কবিন বৰুৱা চিনাকী নাম যোৰহাট নগৰৰ । সিহঁতৰ সন্মুখা- সন্মুখিকৈ থকা আৰ চি চি বিল্ডিংটোৱেই বৰুৱাৰ ঘৰ । বৰুৱাৰ নিচিনা মানুহ টাউনত খুব কমেই আছে হাতদীঘল মানুহ । কাকতে পত্ৰই লিখা মেলাও কৰে বোলে । ইব্ৰাহিমৰ খবৰ কাকত পঢ়িবলৈ আহৰি নাই । অন্যে কণাকণি কৰাহে শুনিছে । অন্য পৰিচয়, বৰুৱাই বেঙ্কতেই নে কাছাৰী ঘৰতেই চাকৰি কৰে । ৰমেন, বৰুৱাৰ এক-মাত্ৰ পুতেক ।

সিদিনা "মডাৰ্ণ ফাৰ্নিচাৰ"ত কাঠৰ টিপটো থৈ দুপৰীয়া ভাত কেইটা খাই যাঁও বুলি ঘৰলৈ উভতিছে । দূৰৰ তিনি আলিৰ পৰাই দেখিলে সিহঁতৰ ঘৰৰ সন্মুখত এজুম মানুহ । কিবা এটা ভাবিবলৈ নৌ পাঁওতেই ৰামচিং উধাতু খাই দৌৰি আহি তাৰ আগত ওলালহি । "আৰে ইব্ৰাহিম ভাই চৰ্বনাচ হৈছে, তই এতিয়া ঘৰত নাইযাবি তোক মাৰি পেলাবে সিহঁতে" ।

"কচোন ৰামচিং কথাটো কি ? অতি আচৰিত হৈ সুধিলে সি, মইটো ভাত খাবলৈহে

আহিছো ।

"ছায়েৰা ভাগি গৈছে বৰুৱাবাবুৰ লৰা লগত, তই এতিয়া গ'লে মাৰিবে, বহুত ৰাগত আছে বুজিছ" ৰামচিঙে ফোঁপাই কলে ।

ইব্ৰাহিম খৰ হৈ ৰৈ গৈছিল বজ্ৰপাত পৰা মানুহৰ দৰে। সেইদৰেই সি বহুতপৰ ভাবিলে, বিচাৰি যোৱাৰ কথা চিন্তা নকৰিলে । এয়া অকল বয়সৰ ভুলেই নহয়, লগতে তাৰ ভুলো জড়িত আছে । সি তাৰ গাভৰু ভনীয়েকক বিয়া দিব পৰা নাই। তাৰ জানো কোনো দায়িত্ব নাছিল । ইব্ৰাহিমে এখন কান্ধ পাতল পোৱা যেন পালে । ছায়েৰাই যেন তাক গোৰ মাৰি গঙ্গাতহে পেলালে । কিন্তু আক্ষেপ থাকি গ'ল। ৰমেন উচ্চবৰ্ণৰ হিন্দু মানুহৰ লৰা—সম্ভ্ৰান্ত পৰিয়ালৰ। ছায়েৰাক পুতলা খেলা নেখেলেতো ?

বৰুৱা অগ্নিশৰ্মা । যিয়েই নহওঁক একমাত্ৰ পুতেক । ষ্টাফৰ মানুহৰ আগত নাক কাণ কটাযোৱা অৱস্থা। তা:ত অহিন্দু ভিকহুৰ ছোৱালী । মানুহ পঠিয়াই বিচাৰ খোচাৰ কৰোৱাইছে । পিছে সকলো ফুটুকাৰ ফেন । ৰমেন সচাঁকৈয়ে নিখোঁজ হৈছে । সিদিনা চাৰি আলিৰ চকটোতে পাই বৰুৱাই ইব্ৰাহিমক বাৰুকৈয়ে কিছু কথা শুনাই দিলে । " আৰে বেশ্যা তুলিছ হ, লোকৰ ঘৰ সংসাৰ ধ্বংস কৰিবলৈ ' ইত্যাদি । আৰু 'ফোঁচ' কৈ স্কুটাৰ ষ্টাৰ্ট কৰি গুচি গ'ল ।

এই সৎ মানুহবোৰ ইমান অসৎ, অন্তঃসাৰশূন্য হব পাৰে কেনেকৈ ? সি ভাবি নাপায় । মান—সন্মানবোৰ যেন সিহঁতৰ এক চেতিয়া সম্পত্তি । ইব্ৰাহিমৰ নিজকে ধুমুহাত ভঁগা গাঁজটোৰ দৰে লাগিল । একাঙ্গী বেমাৰীৰ দৰে কিছুপৰ থৰহৈ ৰ'ল সি ।

তিনিমাহ বাহিৰত কটাই ৰ.মন ঘূৰি আহিল লগত ছায়েৰা, শিৰত জেতুলীপকাৰদৰে টিক—টিঁককৈ ৰঙা এটা সেন্দুৰৰ ফোট। তাই যেন আদৰ্শ হিন্দু ঘৰৰ বোৱাৰী। ছায়েৰাৰ যুগ্ম জীৱনৰ নিটোল ৰূপদেখি তাৰ বৰ আনন্দ লাগিছিল । সিহঁত উভতি আহিছিল ভুল শুধৰণিৰ বাবে ক্ষমা বিচাৰি । ভুল মানুহৰ হয়েই । মানুহেই সংস্কাৰ কৰি বাছি দিয়ে শুদ্ধ পথ । সেয়ে মানুষ্যত্ব । কিন্তু জাত যোৱাৰ ভয়ত, এঘৰীয়া হোৱাৰ ভয়ত বৰুৱাৰ সেইকণ সৎসাহস নহ'ল । তেওঁ দণ্ড ভৰি ৰমেনক প্ৰায়শ্চিত্ত কৰি ল'লে । ৰমেন শুচি হল ; কিন্তু ছায়েৰা গুচি আহিছিল চৰম ঘৃণাত। ইমান পাপতো কি, মনিকুট শুৱাই থকা মহা-ভাগৱত থন অশুচি হোৱা নাই ? কতা সিহঁতৰ কোৰাণৰ ধৰ্মততো এনে বিসঙ্গতি নাই ? বহু হিন্দু তিৰোতা'কো সিহঁতৰ সমাজে আদৰি লৈছে । তেন্তে এইবোৰ কিহৰ বৈষম্য ? সিহতঁৰ নিষ্কলুশ প্ৰেমততো পাপ নাছিল, কোন দায়ী ইয়াৰ বাবে ? তাই নে তাইৰ দৈন্যতা ? ৰমেন নে ৰমেনৰ সমাজখন ? তাইৰ ঘৃণা লাগে নিজকে । তাইৰ গৰ্ভত হিন্দুৰ ভ্ৰূণ । ছায়ে-ৰাই খোজ ললে । ঘৰলৈ নহয়, ভোগদৈ

নৈৰফালে ।

ৰাখে হৰি মাৰে কোনে ? অপ্ৰত্যাশিত ভাৱে ঘৰলৈ ওভতাৰ বাটত ইব্ৰাহিমে ল'গ পালে ছায়েৰাক । জোৰেৰে লৈ আহিল ঘৰলৈ । সকলো শুনাৰ পাছত অশান্ত হৃদয়েৰে শান্তনা দি কলে- বোকাৰ পদুম বোকাতে সৌৰভ বিলাই, বোকাতেই লীন হয়' ।
'আত্মহত্যা কৰি কিয়, দুটা মহাপাপৰ ভাগী হব লাগে'' আদি । অশান্ত আৰু ভগ্ন হৃদয়েৰে উভতি আহিছিল ছায়েৰা, হয়তো কিবা ভাবি ।

আকৌ আৰম্ভ হ'ল ইব্ৰাহিমৰ জীৱন সংগ্ৰাম । ক্ষুধাৰ সংগ্ৰাম । দুটা পেটৰ বাবে । আৰু এমুঠি অনাগত সমস্যা ।

কেইমাহমান পাছতে ছায়েৰাই এটা পুত্ৰ সন্তান প্ৰসৱ কৰি ৰেহেস্তলৈ গ'লগৈ । খুব কান্দিলে ইব্ৰাহিমে । ওচৰ চুবুৰীয়াই মন্তব্য দিলে- অসময়ত সন্তান জন্ম হোৱাৰ বাবে প্ৰসৱ বেদনাতে ছায়েৰাৰ মৃত্যু হ'ল ।
অন্য কোনোৱে ক'লে 'অস্থিৰ মানসিকতাৰ বাবে ।' কিন্তু মেট্ৰিকৰ দেওনা পাছ কৰি থকা ইব্ৰাহিমে ছায়েৰাৰ নীলবৰণীয়া দেহাটো চাই ঠিকেই বুজি পালে ।

ইতিমধ্যে এমাহ অতীত হৈ গ'ল । যন্ত্ৰ চালিত দৰে ইব্ৰাহিমে কণমাণি কেচুৱাটোক এটা চুমা খালে, হয়তো ছায়েৰাই তাক ন সমাজৰ মিলনৰ জ্যোতিকণা ৰূপে এৰি থৈ গৈছে । ই হব এখন ন সমাজৰ যোগসূত্ৰ ৰূপে ।

দ্বিতীয় কাপ চাউল দিবলৈ লৈ ইব্ৰাহিমে পুনৰ মোনাটোত ঢালি থলে ।



॥ আধুনিকতাৰ প্ৰলেপযুক্ত এটা বিদ্ৰোহী কবিতা (সাধাৰণ) ॥

# ★...... এটা যোগফল শক্তিৰ !!!

১ম পুৰুষ + ২য় পুৰুষ + ৩য় পুৰুষ = শক্তি ।

—মই ইয়াতে আছোঁ
তয়ো ইয়াতেই........
আৰু........
সিয়ো ইয়াতেই আছে ॥

এখন— দুখন— তিনিখন—
তিনিখন হাত,
মুষ্টিবদ্ধ !!!
মুষ্টিত তিনিখন বিশ্বব্ৰহ্মাণ্ড (!)

মই, তই আৰু সি—
হাতুৰীৰ কোব পৰা চকু আমাৰ........
( শোষণ )

তিনিটা ৰঙাচকু
*.... এটা যোগফল—শক্তিৰ !!!
মহাশক্তি ॥

শীঘ্ৰেই এক পৰিবৰ্তন ঘটিব
অগতানুগতিক পৰিবৰ্তন ॥ +

শ্ৰীজ্যোতিপাৰ্থ লুখুৰাখন
প্ৰাক্ স্নাতক ২য় বাৰ্ষিক ।

# টাই জাতি আৰু টাই-আহোম হঁতৰ সংস্কৃতি !

শ্ৰীপ্ৰেমধৰ ফুকন ।
১ম বাৰ্ষিক, স্নাতক ম·লা (বিজ্ঞান)

আজিৰ অসম আৰু অসমীয়া জাতি সমন্বয়ৰ এক জ্বলন্ত নিদৰ্শন স্বৰূপ । যুগে যুগে লুইতৰ দুই পাৰলৈ উত্তৰ পুব দক্ষিণ আদি কেউটা দিশৰ পৰাই বিভিন্ন জাতি উপজাতিৰ প্ৰব্ৰজন ঘটিছে । এই জাতি উপজাতি সমূহৰ ভাষা সমাজ-সংস্কৃতিৰ সমন্বয়ত লুইতৰ পাৰত গঁজালি মেলিলে এক উমৈহতীয়া ভাষা কৃষ্টি সংস্কৃতিয়ে । আৰু গঢ়ি উঠিলে বৃহৎ অসমীয়া জাতি । লুইতৰ ফটিক ধাৰ বৈ থাকিল আৰু থাকিব অসমীয়া জাতিটোৰেও সমন্বয়ৰ বঙ্গোপ সাগৰলৈ বৈ থাকিব— বুকুত সাৱটিলৈ তাৰ বাৰেৰহণীয়া কৃষ্টি সংস্কৃতিক । এই মহান সুঁতিটোতে দক্ষিণ পূবৰ পৰা অহা এটা জাতি মিলি গ'লহি । চাওলুং চুকাফাৰ অধীনত টাই জাতিৰ এটা ঠাল পাটকাই পাৰহৈ লুইত উপত্যকা সোমালহি । ই ১২২৮ খৃঃ ৰ ঘটনা । কালক্ৰমত এই ঠালটোৱে 'আহোম' নামৰে জনাজাত হৈ অসমীয়া জাতিৰ অন্তভুক্ত হ'ল । এই টাই আহোম সকল (খামটাই) ৰ বিষয়ে আলোচনা কৰাই ৰচনাখনিৰ উদ্দেশ্য ।

টাই আহোম সকলৰ বিষয়ে কবলৈ যোৱাৰ আগতে টাই ভাষা গোষ্ঠী আৰু বৰ্ত্তমানে এই ভাষাগোষ্ঠীৰ অৱস্থান সম্পৰ্কে এটা বৰ্ণনা দিবলৈ প্ৰয়াস কৰিছো ।

বৰ্ত্তমানে টাই জাতিৰ লোকসকল দক্ষিণ, পূব আৰু দক্ষিণ পূব এচিয়াৰ ৮ খন সাৰ্ব্বভৌম ৰাষ্ট্ৰত বিয়পি আছে । দেশ কেইখন হ'ল— ভাৰতবৰ্ষ, চীন, ভিয়েটনাম, লাওছ, থাইলেণ্ড, কমপুছিয়া, মালয়েছিয়া আৰু ব্ৰহ্মদেশ । ইয়াৰ ভিতৰত লাওজ আৰু থাইলেণ্ডতে সকলো অংশতে টাই সকলৰ অৱস্থান ।

থাইলেণ্ডৰ টাই সকল 'থাই' আৰু অন্যান্য অঞ্চলৰ সকল 'টাই' নামেৰে পৰিচিত। ৰাষ্ট্ৰ বা অঞ্চলভেদে এওঁলোক বিভিন্ন নামেৰে জনাজাত। ইয়াৰ ফলতে এওঁলোকৰ মাজত বিভিন্ন শাখা উপশাখাৰ সৃষ্টি হৈছে। একেখিনি মানুহেই বিভিন্ন ঠাইত বিভিন্ন নামেৰে পৰিচিত। এই-খিনিতে টাই সকলৰ প্ৰচলিত ভাগ সমূহৰ এটা বৰ্ণনা দিয়া হল— (বাসস্থানৰ মতে)

১। আহোম (খাম টাই) :— অসমৰ উজনি অঞ্চল। এই শাখাৰ লোকসকল ব্ৰহ্মদেশ আৰু থাইলেণ্ডত 'টাই-য়াই' নামেৰে জনাজাত।

২। আইটন :— অসম আৰু অৰুণাচল।

৩। খাম্ য়াঙ :— অসম আৰু সামান্যভাবে অৰুণাচল।

৪। খাম্‌টি :— অৰুণাচল, অসম আৰু ব্ৰহ্মদেশৰ খাম্‌টিলুং উপত্যকা।

৫। জুৱাং :— চীনৰ গুৱাংছি স্বায়ত্ব শাসিত প্ৰদেশ।

৬। টাই-থে :— চীনৰ য়ুন্নান, ব্ৰহ্মদেশৰ ভামো আৰু উত্তৰ থাইলেণ্ড।

৭। টাই-ডাম্ :— উত্তৰ ভিয়েটনাম, লাওছৰ লুৱাং, প্ৰবাং, চিয়াং, খোৱাং, ভিয়েটিয়ান প্ৰদেশ আদিত।

৮। টাই-ডেঙ :— ভিয়েটনামৰ থানহুৱা প্ৰদেশ, লাংচান, কুৱানহুৱা নানছং আদিত।

৯। তুৰুং :— অসমৰ শিৱসাগৰ (গোলাঘাট মহকুমা) আৰু কাৰ্বি আংলং জিলা।

১০। থাই :— থাইলেণ্ড, মালয়েছিয়া আদিত।

১১। নাঙ :— চীনৰ য়ুন্নান প্ৰদেশ আৰু ভিয়েটনামৰ উত্তৰ সীমা অঞ্চল।

১২। ফাকে :— অসম আৰু অৰুণাচল। এই শাখাৰ লোক সকল বৰ-ফাকিয়াল আৰু নাম ফাকিয়াল নামেৰে দুটা ভাগেৰে বিভক্ত।

১৩। লাও :— লাওছ আৰু থাইলেণ্ড।

১৪। ল্যু :— চীনৰ য়ুন্নান প্ৰদেশ, কেনটুঙ, উত্তৰ থাইলেণ্ড আদিত।

১৫। য়ু-আন্ :— উত্তৰ ভিয়েটনাম, লাওছৰ মেকং নৈৰ পাৰ।

১৬। টাই খাও :— ভিয়েটনামৰ ছঙ্কৈ নদীৰ পাৰ, লাওছ — ভিয়েটনাম সীমান্ত।

১৭। টাই-খো :— ছঙকৈ নদীৰ ব-দ্বীপ অঞ্চল, গুৱাংছি প্ৰদেশৰ সীমান্ত অঞ্চল, ভিয়েটনামৰ উত্তৰ সীমান্ত অঞ্চল।

টাই ভাষাগোষ্ঠীৰ কেইটামান প্ৰধান শাখাৰ বাসস্থানৰ বৰ্ণনা দিয়া হ'ল। লোকসংখ্যাৰ হিচাবত থাই, লাও আৰু জুৱাং আদি কেইটামান ঠাল শক্তিশালী।

ধৰ্ম্ম বিশ্বাসৰ ক্ষেত্ৰত টাইসকলৰ মাজত বিভিন্নতা আছে। মুলতঃ প্ৰায় সংখ্যকে বৌদ্ধধৰ্ম্মী। ব্ৰহ্মদেশ, থাইলেণ্ড, লাওছৰ টাইসকল খেৰাবাৰ্তী, অসম, অৰুণাচলৰ খাম্‌টি, আইটন্, টুৰুং, ফাকে আৰু খাম-য়াঙ সকলো খেৰাবাদী। আনহাতে জুৱাং, আৰু খো উপশাখাৰ খো-টি সকল। বৌদ্ধধৰ্ম্মৰ মহাযান পন্থীৰ। চীন, ভিয়েটনাম আদিৰ অন্যান্য টাইসকল বৌদ্ধ (মহাযান), তাও আৰু কনফুচিয়াচৰ আদি ধৰ্ম্মৰ মিশ্ৰিত প্ৰভাৱত প্ৰভাবান্বিত। অসমৰ টাই-আহোমসকল আদিতে বৌদ্ধধৰ্ম্মী আছিল। কোনোৰ মতে তাত মতাদৰ্শৰ আছিল। কনফুছিয়াছ ধৰ্ম্মৰ প্ৰভাৱো কোনো কোনো ক্ষেত্ৰত দেখা যায়। ইয়াৰ পৰা অনুমান কৰা যায় আহোম সকলৰ আদি ধৰ্ম্মবিশ্বাস বৌদ্ধমতাদৰ্শই মুল হলেও অন্যান্য প্ৰতিবেশী ধৰ্ম্মাদৰ্শৰেও প্ৰভাৱান্বিত। বৰ্ত্তমানে কিন্তু সৰহ সংখ্যক আহোমেই হিন্দুধৰ্ম্মী (শ্ৰীশ্ৰীশঙ্কৰদেৱৰ বৈষ্ণৱ মতাদৰ্শত দীক্ষিত।)

এটা বিস্তৃত অঞ্চলত টাইসকল সিচঁৰিত হৈ থাকিলেও কিছুমান মৌলিক বৈশিষ্ট্যৰ সাদৃশ্য তেওঁলোকৰ মাজত আছে। সৰু-বৰ নদী উপত্যকাত বাস কৰা, মহৰ হালেৰে খেতি কৰা, পথাৰত আলি বন্ধা, তিৰোতা সকলৰ তাঁতবোৱা পদ্ধতি, চুঙা-চাউল, বৰা-ভাত প্ৰিয়খাদ্য, জাপীৰ ব্যৱহাৰ, বাৰীৰ চৌপাশে ধাপ-মৰা আদি উল্লেখযোগ্য। স্থানবিশেষ ও পৰিবেশ পৰিবৰ্তনে টাইসকলৰ ভাষাৰ কিছু ভেদ থাকিলেও মূলতঃ একেই। মূলভাষাৰ লিপি ব্যাকৰণো একেই আছে। সকলোৱে 'স্বন' বিশ্বাস কৰে; 'স্বন' মতে (বিকুস্বন) উপৰি পুৰুষক সন্মান জনায়। 'ফি' কম-বেছি পৰিমাণে সকলোৱে মানে; আহোম সকলেও 'মে ফী', 'মে-দাম' পাতি উপৰি পুৰুষৰ প্ৰতি সন্মান জনাই তৰ্পণ আগবঢ়ায়। সকলো শাখাৰ মাজতে কিছুমান একেধৰণৰ কিম্বদন্তী প্ৰচলিত।

এই টাই ভাষা গোষ্ঠীৰ আহোম (খাম টাই) সকলে ১৩ শ শতিকাত অসম সোমায়। চুকাফাৰ নেতৃত্বত অহা টাইসকল পৰ্ব্বতৰ শিখৰৰ পৰা লুইত উপত্যকা দেখি চিঞৰি উঠিছিল 'মুং-ডুন-চুন খাম্' (মুং-দেশ, -ডুন- পূৰ্ণ, চুন-বাগিছা, খাম্-সোণ) অৰ্থাৎ সোণালী বাগিছাৰে ভৰা দেশ"। চুকাফাৰ নেতৃত্বত অহা এই মানুহখিনি সংখ্যাত কম আছিল, লগত তিৰোতাও অনা নাছিল। গতিকে স্থানীয়, বলিষ্ঠ, সাহসী বৰাহী, মৰান; চুটিয়া, কছাৰীৰ সৈতে সম্পৰ্ক স্থাপন কৰিব লগা হ'ল। 'আও-হুম্' (একগোট হোৱা get together) মন্ত্ৰৰ দ্বাৰাই এটা নিৰ্ভীক, সাহিয়াল জাতি গঠন কৰিলে। লোকৰ মুখত পৰি এই 'আওহুম্' শব্দ দুটাৰ পৰাই 'আহোম' নামৰ সৃষ্টি হ'ল বুলি কোৱা হয়। আহোম শাসন পদ্ধতিৰ 'আওহুম্' আছিল মুলমন্ত্ৰ, যাৰ উদ্দেশ্য মহান — একত্ৰীকৰণ (integration) জাতিভেদ প্ৰথাত বিশ্বাস নকৰা আহোম সকলে সকলো জাতিৰ লগতে বৈবাহিক সম্বন্ধ স্থাপন কৰিছিল। এক কথাত কবলৈ

গ'লে — বৰ্ত্তমানৰ আহোম সকলৰ ৰক্তত টাই, মৰান, বৰাহী, কছাৰী, চুটীয়া, নগা, জয়ন্তীয়া আদি সকলো জাতিৰে ৰক্ত মিহলি হৈ আছে ।

অসমীয়া জাতি আৰু ভাষা গঠনত টাই - আহোম সকলৰ অৱদান অনস্বীকাৰ্য্য । অসমীয়া ভাষাই আহোম স্বৰ্গদেউ সকলৰ পৰা ৰাজ অনুগ্ৰহ লাভ কৰি জ্যোতিস্মান হৈ পৰিছিল । আহোম সকলে নিজৰ ভাষা সংস্কৃতি ত্যাগ কৰি ঘাই সুঁতিটোত মিলি গৈছিল । বুৰঞ্জী-বিদ সকলে আহোম সকলৰ নিজ ভাষা ত্যাগ সম্পৰ্কত নিম্নোক্ত কাৰণ সমূহ দৰ্শায় ঃ (১) চুকাফাৰ লগত অহা আহোমৰ সংখ্যা কম আছিল । (২) লগত তিৰোতা নথকাত স্থানীয় লোকসকলৰ ছোৱালী বিয়া কৰালে । তেওঁলোকৰ লগত টাই ভাষাত ভাৱ আদান প্ৰদান কৰাত অসুবিধা হ'ল । একোটা টাই ভাষাৰ শব্দৰ স্থান কালও উচ্চাৰণ অনুসাৰে বিভিন্ন অৰ্থ হয় বাবে সহজে আনে আয়ত্ব কৰিব নোৱাৰে । গতিকে আহোম সকলে অসমীয়া ভাষা শিকিব লগাত পৰিল । (৩) ওচৰ চুবুৰীয়া অন্যান্য দেশত টাই ভাষা গোষ্টিৰ ৰজা বা ৰাজ্য নথকাত টাই আহোম ভাষাত চিঠি পত্ৰৰ আদান প্ৰদানৰ অসুবিধা । (৪) আহোম ৰজা, ডা-ডাঙৰীয়া, বৰুৱা, ফুকন সকলে স্থানীয় জাতি সমূহৰ মাজৰ পৰা লিগিৰা লিকচৌ, বান্দী বেটী আদি লৈছিল । এওঁলোকৰ সতে কথা বাৰ্ত্তা পতাত টাই ভাষাই অসুবিধাৰ সৃষ্টি কৰে এনে কিছুমান কাৰণতে টাই আহোম ভাষাৰ চৰ্চা কমি আহিল ; কালক্ৰমত আহোম সকলে ভাষাটো পাহৰিয়েই পেলালে । মাথোন বিভিন্ন প্ৰকাৰ পূজা, উৎসৱ, বিবাহ অনুষ্ঠান আদিত আৱশ্যক হোৱাৰ বাবদ দেওধাই, বাইলুং, মহন, মুক্তং আদি সকলৰ মাজত ভাষাৰ চৰ্চা থাকি গ'ল । ধৰ্ম পৰিবৰ্ত্তন ইত্যাদি অন্যান্য কাৰণত এওঁলোকৰো প্ৰয়োজন নাইকিয়া হৈ অহাৰ লগে লগে ভাষাৰ আয়ুস টুটি আহিল । বহুতে কব খোজে বাধ্যত পৰিয়ে আহোম সকলে নিজৰ ভাষাটো এৰিলে । কিন্তু বুৰঞ্জীয়ে এই কথা সত্য নহয় বুলিহে প্ৰমাণ দিয়ে । উদাহৰণ স্বৰূপে ভাৰতবৰ্ষত এমুঠি ইংৰাজৰ শাসন আৰম্ভৰ কথাটোকে লব পাৰি । ইচ্ছা কৰা হলে স্বৰ্গদেউ সকলে জোৰ কৰি নিজৰ ভাষা লোকসকলৰ ওপৰত জাপি দিব পাৰিলেহেঁতেন । বিজিত হৈয়ো পৰাতৰ ভাষা ধৰ্ম সংস্কৃতি গ্ৰহণ কৰি আহোম স্বৰ্গদেউ সকলে উদাৰতাৰ পৰিচয় দিছিল । এই উদাৰতাৰ ফলস্বৰূপে আহোম শাসনৰ অন্ত পৰাৰ পাছৰে পৰা আহোম সকলক "ধাননীৰ পকা ধানেও বাট এৰি নিদিয়া" হ'ল । স্বৰ্গদেউ সকলে মাটি - ভেটি দি সত্ৰ থাপিবলৈ সুবিধা কৰি দিছিল । কালক্ৰমত এই সত্ৰ সমূহৰ ক্ষুদ্ৰ ৰজা স্বৰূপ সত্ৰাধিকাৰ সকলে হলা গছ পাই বাগি কুঠাৰ মৰাৰ দৰে আহোম সকলক অসংস্কৃত জাতি বুলি "পাটনাদৰ পানী আহোমে

নিজহাতে তুলি খালে, তাৰ পৰা এশ কলহ পানী উঠাই পেলাই দিলেহে, ব্ৰাহ্মণ আদি সংস্কৃত জাতিয়ে খাবৰ হয়" এই অনুসাৰে নীতি ঘোষণা কৰিছিল। বৰ্ত্তমানে যুগৰ বতাহে এই নীতি সমূহ অৱশ্যে নাইকিয়া কৰিছে, তথাপিও উচ্চ-নীচ ভাব সম্পূৰ্ণ ৰূপে নাইকিয়া হোৱা নাই। ইয়াৰো উৰ্দ্ধত অসমীয়া ভাষাকে মাতৃভাষা বুলি গ্ৰহণ কৰা আহোম সকল 'আহোম' হৈ নাথাকি অসমীয়া হ'ল।

আহোম সকলে নিজৰ ৰীতি-নীতি সংস্কৃতিৰ প্ৰায়সংখ্যাকে পাহৰি পেলালে - যদিও সংমিশ্ৰিত আৰু পৰিবৰ্ত্তনৰ প্ৰভাৱ পৰি কিছু কিছু এতিয়াও বিৰাজমান। অন্যান্য সম্প্ৰদায়ৰ লগত আহোম সকলৰ সম্বন্ধ বুজোৱা মাত কথা আৰু পদ্ধতিৰ কিছু পাৰ্থক্য আছে। ডাঙৰ ঠালৰ সকলো ডাঙৰ" এই ৰীতি এতিয়াও অপৰিবৰ্ত্তিত ৰূপে চলি আছে। এই ৰীতিমতে বাপেকৰ ককায়েক বা মাকৰ ককায়েক বা বায়েকৰ পুতেক বা জীয়েকক বয়সত সৰু হলেও ডাঙৰ সম্বোধন ধৰিব লাগে। সম্বোধন বুজোৱা শব্দসমূহ :— পুলিন, পুথাও, বা পুথাদেউ, য়ালিন, জাথাও বা বাইচাও, এনাই বা এনাইদেউ, লুঙচাও বা নিচাও বা নিচাদেও বে-থাই আজিকালি খুড়া বা দদাইদেউ; প-চাও বা আপাও বা আপাদেউ, পু তাই — আজিকালি পেহী বা পেহীদেউ, পু-তায় — আজিকালি মাহী বা মাহীদেউ: পি-কাই কাই — আজিকালি কাই বা ককাইদেউ, পা-পি বাও — আজিবালি বাইদেউ, আইতা- মে - আজিকালি আই বা আইতা, পা-লু-কাওঁ — আজিকালি বৌ বা বৌদেউ ইত্যাদি - ইত্যাদি।

বুৰঞ্জীলিখা আৰু বুৰঞ্জী সংৰক্ষণ কৰা আহোম সকলৰ এটা ৰীতি আছিল। বংশাৱলী সংৰক্ষণ কৰাও ৰীতি আছিল। আহোম বুৰঞ্জী সমূহৰ সমুখতে বুৰঞ্জীসমূহ যাকে তাকে নিদিয়াৰ বাবে শপত দিয়া আছে। সেইবাবে আজি কালিত আহোম সকলে পুৰণি সাঁচীপতীয়া পুথি বা বুৰঞ্জী আনক দিবলৈ টান পায়।

আহোম যুগত সাজপাৰ আদিৰ পয়োভৰ হৈছিল। পূৰ্ব্বতে আহোম সকলে ক'লা কাপোৰ পিন্ধিছিল। বুৰঞ্জীত আছে "মানুহবোৰ লণ্ডা মুণ্ডা, গাত কলীয়া কাপোৰ"। পাছত এই ক'লা কাপোৰ এৰি বগা কাপোৰ পিন্ধিবলৈ ললে। বৰ্ত্তমানত ফাঁকিয়াল, খামটি, শ্যাম সকলে ক'লা কাপোৰ পিন্ধে। আহোম সকলৰ নিজৰ জাতীয় পোছাক এৰাৰ বাবে এতিয়াও "টাই- খ্যুং - হুন" অৰ্থাৎ 'বগা কাপোৰ পিন্ধা টাই' বুলি ভিতৰুৱাকৈ এটা ইতিকিং কৰা হয়। পুৰুষ সকলে মূৰত পাগুৰি গাত চেলেং কাপোৰ লৈছিল। তিৰোতাসকলেও মূৰত চেলেং, কাপোৰ জাপি-মেৰিয়াই লৈছিল। ওৰণি লোৱা পদ্ধতি নাছিল। মোগল বাদছাহসকলৰ লগত যোগাযোগৰ

ফলত মোগল সাজপাৰৰ প্ৰভাৱ পৰে। পাট, এৰি, মুগাৰ ৰিহা মেখেলা চেলেং ছকটীয়া আদিৰ প্ৰচলন আছিল। মেজাংকৰী আৰু চপাপতীয়া কাপোৰৰ প্ৰচলনো আছিল।

বৰা চাউলৰ পৰা তৈয়াৰী ‘লাও’ বা মদ আহোমসকলৰ নিত্য-ব্যৱহাৰ্য্য বস্তু আছিল। লাওপানী নিত্য ব্যৱহাৰ্য্য বস্তু হোৱাৰ বাবে ছশ বছৰীয়া আহোম শাসনত কোনো প্ৰকাৰ মদাহী আৰু মাতলামীৰ কথা উল্লেখ নাই। সকাম নিকাম, উৎসৱ-পাৰ্বণ, অতিথি সৎকাৰ আদিতো ইয়াৰ ব্যৱহাৰ আছিল। ‘ছুকম’ নামৰ এবিধ জলপান আহোমসকলৰ বাদে অন্যান্য সম্প্ৰদায়ত ব্যৱহাৰ নাছিল। ভাপত দিয়া বা চেৰা দিয়া বৰা-ভাত জনপ্ৰিয় খাদ্য আছিল। হাহঁ, কুকুৰা, গাহৰি, মাছ-কাছ, কুঁচিয়া মুগা-লেটা ইত্যাদিৰ সৰ্ব্বভক্ষক আছিল। গৰু-ম'হ কাটি উচৰ্গা দিয়া হৈছিল বাবে এই মঙহো ব্যৱহাৰ কৰিছিল বুলি অনুমান হয়। মেটেকা, মেচেকা, মেজেঙা, নেফাফু, নলটেঙা, ঢেকীয়া, পকাখৰিচা, শুকান খৰিচা, মাটিমাহ, বৰলি মাছ আদি প্ৰিয় খাদ্য। নেফাফু, মেচাকী, মেজেঙা, টংলতি আদি আহোম মতে পতা পূজা আদিত আগ্‌বা দিব লাগে। কালক্ৰমত বিভিন্ন জাতি-উপজাতিৰ লগত সমন্বয় সাধন হোৱাত খাদ্য ৰীতিও বৈশিষ্ট্যপূৰ্ণ হৈ উঠে।

চাইফা, উম্‌ফা চাইকাই পূজা, বিকৃশ্বন পূজা, আদি কেইটামান উল্লেখযোগ্য পূজা অনুষ্ঠান। মানুহ মৰিলে মৈদাম দিয়া পদ্ধতি আছিল। ৰজা-প্ৰজা ডা ডাঙৰীয়াসকলৰ মৈদাম নিৰ্ম্মাণৰ কিছু পাৰ্থক্য আছিল। স্বৰ্গদেউসকলৰ শৱদেহ উৰিয়াম কাঠেৰে সজা ৰংতামত ভৰাই লুথুৰাখন খেলৰ লোকসকলে কাৰেং-ৰং-ডামত শুৱাই থৈ আহে। [লুথুৰাখন খেলৰ লোকৰ সংখ্যা পূৰ্ব্বতে কম আছিল; ৰজাই এওঁলোকক সততে এসাজ খাবলৈ মাতে বাবে পাছলৈ সৰহ হ'ল।] মে দাম -মে-ফী পাতি মৃতকজনক সন্মান জনোৱা হয়।

বিবাহ-অনুষ্ঠানক বোলা হৈছিল ‘চক্‌লং’। চক্‌লং বিবাহ পদ্ধতিত বৰ-কন্যাক বুৰঞ্জী মাতি শুনোৱা হৈছিল। একে ঠাল খেল বা বংশৰ মাজত, যেনে বুঢ়াগোহাঁই – বুঢ়াগোহাঁইয়ে, ৰাজকোঁৱৰ – সন্দিকৈ – বৰপাত্ৰ গোহাঁই; লাহনে – লাহনে; মহনে – বৰগোহাঁইয়ে, দেওধায়ে – বুঢ়াগোহাঁইয়ে; দেওধায়ে – দেওধায়ে আদি; বিবাহ হব নোৱাৰিছিল। আনহাতে কোঁচ, কছাৰী, চুতীয়া, মৰাণ, আহোম, বৰাহী আদি সম্প্ৰদায়ৰ মাজত মুকলিভাৱে বিবাহ হৈছিল। সেইমতে এওঁলোকৰ মাজত সামাজিক ৰীতি-নীতিতো মিল আছিল।

আহোম সকলৰ মাজত যৌথ পৰিয়াল ব্যৱস্থাৰ প্ৰচলন আছিল। তিৰোতাৰ স্থান

পুৰুষৰ সমানে আছিল । সেই বাবেই ওৰণি পদ্ধতিৰ প্ৰচলন নাছিল । পুৰুষৰ সমানে অৰ্থত অংশ গ্ৰহণ কৰিছিল ।

ইয়াৰ উপৰিও আহোম যুগৰ চিত্ৰকলা, ভাস্কৰ্য্য বিদ্যা, স্থাপত্য শিল্পৰ নিদৰ্শন বিভিন্ন পুথি পাজি বিভিন্ন ঠাইত সিঁচৰিত হৈ আছে ।

শাসন পদ্ধতিত ৰজাই সৰ্ব্বেসৰ্ব্বা । তিনিজন ডাঙৰীয়া বুঢ়াগোহাঁই বৰগোহাঁই, বৰপাত্ৰগোহাঁই । উক্তনি নামনিত দুজন শাসন কৰ্ত্তা বৰবৰুৱা, বৰফুকন । ৰাজমন্ত্ৰী বুলিও এটা বিষয় বাব আছিল । এই বিষয় বাব ওপৰত উল্লেখিত যিকোনো এজনক ৰজাই দিছিল । শাস্তি প্ৰদান ব্যৱস্থা বৰ কঠিন । ডা-ডাঙৰীয়া, গোসাই মহন্ত সকলোৰে ক্ষেত্ৰতে শাস্তি প্ৰদানৰ ব্যৱস্থাৰ লৰচৰ নহৈছিল ।

আহোম যুগৰ ছশ বছৰীয়া ৰাজত্বৰ স্মৃতিচিত্ৰ ৰাজনৈতিক দিশতকৈ সাংস্কৃতিক দিশতেই অধিক । 'অসম-' আৰু 'অসমীয়া' - দেশ আৰু জাতিৰ জন্ম এই যুগতেই । অসমীয়া ভাষাই আঞ্চলিক ভাষাৰ মৰ্য্যদা লাভ কৰিলে এই যুগতেই । অসমীয়া জাতি গঠনত আহোম সকলৰ অৱদান সকলো দিশতে । ভাষা ধৰ্ম্ম- ৰীতি-নীতি সংস্কৃতি সকলোতে । শ্ৰীশ্ৰী শঙ্কৰদেৱৰ নাম ধৰ্ম্মত দীক্ষা লৈ , অসমীয়া ভাষাক মাতৃভাষা ৰূপে লৈ নিজ বংশৰ লগত সম্বন্ধ ছিঙি আহোম সকলে আজি বৃহৎ অসমীয়া জাতিৰ এটা শক্তিশালী অঙ্গ হৈ আছে । তাহানিৰ পৰাক্ৰমী আহোম ৰাজশক্তি আজি নাই, কিন্তু তেওঁলোকৰ--- 'আই-হুম' (get together—intignation) মন্ত্ৰ জীয়াই আছে— আজিও ।



# মন প্ৰজাপতি

শ্ৰীভৰত চন্দ্ৰ নেওগ, স্নাতক বিজ্ঞান

"ক'ত যাব তিনচুকীয়া ? বহক বহক

"কিমান সময়ত এৰিব ?"–ঘড়ীটোলৈ চাই মই শুধিলো ।

"নাই নাই বেচি সময় নাই । এই যামেই এতিয়া । আৰু চাৰিজনমান যাত্ৰী হলেই হ'ল ।" ড্ৰাইভাৰৰ কথামতে খৰধৰকৈ উঠি বহি ললো ।

মেটাড'ৰ খনৰ আগৰ চীট কেইটা ইতিমধ্যে সম্পূৰ্ণ হৈ আছিল । বাকী আছিল মাত্ৰ পাছৰ চীট্ দুটা । পাছৰ চীট্ দুটাত তিনিজনকৈ মুঠ ছজন যাত্ৰী বহুৱাই । মই এজন হলো, আৰু পাচঁজন যাত্ৰী হলেহে বোধ কৰো গাড়ী এৰিব । পাছ মিনিট মানৰ পাছতে আৰু দুজন যাত্ৰী আহিল । তেওঁলোকে মোৰ সন্মুখৰ চীটটোতে বহিল । মই আকৌ এবাৰ ঘড়ীটোলৈ চালো । বাহিৰত হেন্দিমেন জনে "এই, তিনিচুকীয়া তিনিচুকীয়া – বুলি বিকট চিঞৰ লগাইছে । অলপ সময়ৰ পাছতে আৰু তিনিজন যাত্ৰী আহিল । এহাল নৱ দম্পতি আৰু এগৰাকী যুৱতী । এইবাৰহে মনটো ভাল লাগিল ।

ন-কন্যা আৰু যুৱতী গৰাকী মই বহা চীটটোতে বহিল । কন্যা একেবাৰে ন-কন্যাহে আছে । বিয়াহোৱা বোধকৰো খুউব বেছি এমাহ মানহে হৈছে । পিন্ধনত এযোৰ অসমীয়া পাটৰ মেখেলা চাদৰ । কাণত – গলত হাতত সোণৰ গহণাই জিলমিলাই আছে । ইমান দামৰ দিনতো ভাল সোণ পিন্ধাইছে দেই মানুহজনে । কমেও দুতোলা মান সোণ মানুহ জনীৰ গাত আছে । যুবতী গৰাকী একেবাৰে অত্যাধুনিক । পিন্ধনত এখন চিল্ চিলিয়া পাতল আকাশী ৰঙৰ শাৰী আৰু একে ৰঙৰ এটি ব্লাউজ । ব্লাউজটো খুউব কম কাপোৰ খৰচ কৰি চিলাইছে চাগে । উদং বাহু দুটা আৰু মঙহাল দেহটো বৰ লাজ লগাকৈ জিলিকি আছে ।

যুবতী গৰাকী মোৰ একেবাৰে কাষতে বহিল । ন-কন্যা গৰাকী যুৱতীৰ সিফালে । ঠাই নথকা সত্বেও মই যুৱতী গৰাকীৰ পৰা অলপ আতৰি বহিবলৈ চেষ্টা কৰিলো । যুৱতী গৰাকী আৰু মোৰ মাজত অলপ ব্যৱধান ৰাখি বহিবলৈ যত্ন কৰিলো । ড্ৰাইভাৰে এইবাৰ গাড়ী ষ্টাৰ্ট দিলে ।

গাড়ী চলাৰ লগে লগে মোৰ আৰু যুৱতী গৰাকীৰ মাজৰ ব্যৱধান কণ নাইকিয়া হৈ আহিল। যুৱতীৰ উদং বাহু লাহে লাহে কাষ চাপি আহি মোৰ বাহুত লাগিলহি। কিবা ধৰণৰ এক উত্তাপ অনুভৱ কৰিলো। গাটো ৰিম্ ৰিম্ কৰি উঠিল। লগে লগে আকৌ অলপ ব্যৱধান ৰাখি বহিবলৈ চেষ্টা কৰি কুচি মুচি হৈ বহিলো। যুৱতী গৰাকীয়ে মোৰ ফালে চাই মোৰ অৱস্থা বুজিয়ে বোধকৰোঁ এনে এটা হাঁহি মাৰিলে যে মোৰ গোটেই শৰীৰত হঠাৎ বিজুলী প্ৰবাহিত হোৱা যেন লাগিল। অলপ সময়ৰ বাবে সন্মুখৰ আইনা খনেদি বাহিৰলৈ চাই পঠিয়ালো। কিন্তু কিয় জানো মনটোৱে এইবাৰ উচ্ গিচ্ লগাবলৈ ধৰিলে। মোৰ দৃষ্টি বাৰে বাৰে যুৱতী গৰাকীৰ ফালে ঘূৰি আহিব খুজিছে। বহু চেষ্টা কৰিয়ো মনটোক বুজাব পৰা নাই। কাৰো দৃষ্টিত নপৰাকৈ এইবাৰ মোৰ দৃষ্টি লাহে লাহে বাহিৰৰ পৰা ঘূৰাই আনি যুৱতী গৰাকীৰ ওপৰত ৰাখিলো। বাঃ কি সুন্দৰ। কি অপূৰ্ব্ব! কিছকিছকৈ ক'লা মুক্ত চুলি কোছা মূৰৰ পৰা ঢৌ খেলি ক্ৰমে পিঠিৰ মাজভাগলৈকে বৈ আছে। চুটিকৈ কটা হলেও চুলিকোছা বেচ ডাঠ আৰু ক'লা। কেইডাল মান চুলি আকৌ উদং বাহুটোৰ ওপৰত আউল বাউলকৈ পৰি থাকি বাহুটোৰ সৌন্দৰ্য্য বঢ়াইছে। লাহে লাহে মোৰ দৃষ্টি বাহুটোৰ পৰা নামি আহি এঠাইত থৰ লাগি ৰ'ল। চিলচিলীয়া পাতল শাৰীখনৰ মাজেদি দেহৰ ................। হঠাৎ বতাহ লাগি শাৰীখনৰ আগটো উৰি আহি মুখত লগাতহে সম্বিৎ ঘূৰি আহিল। নিজকে বৰ অপৰাধী অপৰাধী যেন লাগিল। সন্মুখৰ যাত্ৰী কেইজনে মোৰ কাণ্ড বোৰ দেখিলনেকি বাৰু? শৰতৰ কোনো এক নিৰিবিলি সন্ধ্যা। ফট্ ফটীয়া জোনাক। তৰা ভৰা আকাশৰ তলত নদীৰ পাৰত বহি আমি দুয়ো সপোনত বিভোৰ। সুখৰ সংসাৰৰ সপোন। দুয়ো আপোন পাহৰা। মই আৰু মোৰ কাষত বহি অহা সেই ৰূপহী যুৱতী গৰাকী। মোৰ কোলাত মূৰ গুজি তাই তন্ময় দৃষ্টিৰে যেন মোৰ চকুলৈ চাই আছে। আৰু মই এহাতে তাইৰ সুমসৃন বাহুৰ ওপৰত হাত বুলাই আছো। আনখন হাতৰ আঙুলি বোৰে তাইৰ কাজল ক'লা কিচ্ কিচিয়া চুলিৰ মাজে মাজে যেন কিবা বিচাৰি ফুৰিছে। কাৰো মুখত মাত নাই। দুয়ো আপোন—পাহৰা। এটা সময়ত মোৰ ওঠ জুৰিয়ে তাইৰ পাতল লাহী গোলাপী ওঁঠ জুৰিব ফালে লাহে লাহে..... ....। হঠাৎ গাড়ীৰ ব্ৰেক মৰাতহে মোৰ তন্ময়তা ভাগিল। "ধেৎতোৰি ইমান ধূনীয়া সপোন এটা দেখিছিলো।" ড্ৰাইভাৰজনৰ ওপৰত মনে মনে বৰ খং উঠিল।

গাড়ী পুনৰ চলিল। ৰুমালেৰে মুখ খন আকৌ এবাৰ মোহাৰি ললো। পোনহৈ মূৰ তুলি বাহিৰলৈ চালো। চাহ বাগিচাৰ শাৰী শাৰী গছবোৰ চকুত পৰিল। কন্তু ...

বাগিচাৰ এই সেউজীয়া অপৰূপ সৌন্দৰ্য্য ৰাশি-য়েও মোৰ মন আকৰ্ষণ কৰিব পৰা নাই। বাৰে মনলৈ কিবাকিবি চিন্তাবোৰ আহিবলৈ ধৰিছে। গাড়ীখনে এইবাৰ থেকেছিবলৈ আৰম্ভ কৰিলে। বাটটোৰ এই অংশ ভাল নহয় বোধকৰো। থেকেচনিৰ কোবত যুৱতী গৰাকী এইবাৰ মোৰ একেবাৰে কাষ পালেহি।

যুৱতী গৰাকী অলপ আগবাঢ়ি বহাত মোৰ দৃষ্টি এইবাৰ ন-কন্যাৰ ওপৰত পৰিলে। সচাঁয়ে বেচ ধুনীয়া। যুৱতী গৰাকীৰ সৈতে প্ৰায় মিলিছে। বায়েক ভনীয়েক বোধকৰো। ন-কন্যা গৰাকীলৈ চাই চাই ভাবিলো, মইওতো আজি মোৰ পাত্ৰী নিৰ্ব্বাচনৰ বাবে আহিছো। মোৰ ন-কন্যা গৰাকী কেনে হব এবাৰ কল্পনা কৰিলো। মা দেউতাহঁতৰ মতে ছোৱালী সম্ভ্ৰান্ত পৰিয়ালৰ। স্বভাব চৰিত্ৰও ভাল বোলে। কিন্তু দেখাত কেনে তাকেহে তেওঁলোকে কোৱা নাই। তাকে চাবলৈ আজি মোক পঠাইছে। আকৌ ভাবিলো— এই যুৱতী গৰাকীৰ ঠিক-নাটোকে লৈ থও নেকি? ধেৎ কৰ বা ছোৱালী? স্বভাৱ চৰিত্ৰ বা কেনেকুৱা? কোনে জানে? এইবাৰ ন-কন্যাৰ ডিঙিত জিল মিলাই থকা কন্ঠহাড় ডালত চকু পৰিল। এৰাতো বিয়া কৰাত কি আপত্তি, কিন্তু এই সোণৰ গহনাবোৰ ক'ত পাম? তাতে আজি কালি সোণৰ যিহে দাম। কমেও পাঁচ হেজাৰ টকাতো সোণৰ গহণা কেইপদৰ কাৰণেই লাগিব। অন্তত পোন্ধৰ হেজাৰ টকা বিয়াখনত লাগিব। এই টাইপিষ্টৰ দৰমহাৰ টকা কেইটাৰে কেনেকৈ সম্ভৱ বাৰু। চাল্লা লটাৰীতে টকা এক লাখমান পোৱাহেতেন। আকৌ এবাৰ মুখ চকুবোৰ মোহাৰি বাহিৰলৈ চাই পঠিয়ালো। ইটোৰ পাছত সিটো মনলৈ বহুত কিবা কিবি চিন্তাবোৰ আহিল। লাহে লাহে চকু কেইটা টানি ধৰা যেন অনুভৱ কৰিলো তাৰ পাছত ..................

"গাড়ীখনৰ গতি ক্ৰমে দ্ৰুতৰ পৰা দ্ৰুততৰ হৈ গৈ আছে। এনেতে হঠাৎ কিবা বিজুতি ঘটি গাড়ীখন গৈ বাটৰ কাষৰ পানীৰে ভৰি থকা খাৰৈটোত পৰিলগৈ। সৌভাগ্য বশতঃ মই কোনো আঘাত নোপোৱাকৈ বাচি গলো। পানীৰ তলৰ পৰা সাঁতুৰি ওপৰলৈ উঠি আহি চালত খুন্দা মাৰিলোহি। সৰ্ব্বনাশ! গাড়ীৰ ছাললৈকে পানী। বাচিবৰ উপায় বিচাৰি খৰধৰকৈ ইফালে সিফালে ফুৰিলো। ইতিমধ্যে মোৰ উশাহ নিশাহ বন্ধ হওঁ হওঁ। হঠাৎ অকণমান খালী ঠাই পাই মোৰ জীৱন ঘূৰাই পোৱা যেন লাগিল। গাড়ীখনৰ পাছ ফালৰ এই চুকটোতে অকণমান খালী ঠাই আছিল। মানে পানী আৰু ছালখনৰ মাজত অকণমান খালি ঠাই পালো। খালি ঠাইকণ পাই দীঘল দীঘল কৈ কেইবাৰমান উশাহ টানি লৈ ভাবিলো — সৰ্ব্বনাশ। ইয়াততো কুৰিজনকৈ অধিক যাত্ৰী আছিল। কি হব

এতিয়া। মোৰ বাদে আন কোনেও সাঁতুৰিব বা ডুব মাৰিব নাজানে নেকি বাৰু ? অ' দৰ্জ্জাবোৰোতো বন্ধ হৈ আছে। এইবাৰ পলম নকৰি দৰ্জ্জা এখন খুলিবৰ বাবে পানীত ডুব মাৰিলো। দুই তিনিবাৰ মান ডুব মাৰি কোনোমতে পাছফালৰ দৰ্জ্জাখন খুলি বাহিৰলৈ ওলাই আহিলো। গাড়ীখনৰ ওপৰত উঠিলৈ ইফালে সিফালে চাই অসহায় ভাৱে দুটামান চিঞৰ মাৰিলো। কিন্তু কি হব। কোনে শুনিব মোৰ চিঞৰ। ওচৰত মানে চকুৰে মনিব পৰালৈকে মই কোনো মানুহ বা মানুহৰ ঘৰো নেদেখিলো ; ততালিকে পানীত জাপদি আগফালৰ দৰ্জ্জা এখন খুলিবলৈ যত্ন কৰিলো। কিন্তু বহু চেষ্টা কৰিয়ো দৰ্জ্জাখন খুলিব নোৱাৰিলো। যিমান পাৰো মই চিঞৰিবলৈ ধৰিলো। ভয়ত মোৰ মাত হৰিল।

হঠাৎ কাৰোবাৰ মাত শুনি সাৰ পাই উঠিলো। ইফালে সিফালে চাই দেখো যে মই বিচনাতে আছো। ভয়ত বুকুখন ধক্ ধক্ কৈ কঁপিবলৈ ধৰিলে। হে ভগবান ইমান বেয়া সপোনবোৰনো দেখিব লাগেনে ?

ইতিমধ্যে মোৰ চিঞৰ শুনি ঘৰৰ সকলো উঠি আহিছিল। মোৰ কোঠাৰ দুৱাৰত চকিয়াই চকিয়াই দুৱাৰ খুলি দিবলৈ হুলস্থুল লগালে। মা দেউতাই চিঞৰিলে — "এই ডাঙৰ পোণা, কি হৈছে তোৰ। চাঁও দুৱাৰ খোল, দুৱাৰ খোল সোনকালে। "

"নাই নাই একো হোৱা নাই। যোৱা তোমালোক শুই থাকাগৈ।" মই বিচনাৰ পৰাই কলোঁ।

"একো হোৱা নাই ? তেন্তে কিয় চিঞৰিছিলি ইমান জোৰে ? খোল খোল দুৱাৰ খোল। এতিয়া আৰু শুৱলৈ সময় নাই। ৰাতি পুৱাবৰ হ'ল।" মায়ে পুণৰ দুৱাৰত চকিয়াবলৈ ধৰিলে। উপাই নেপায় গৈ দুৱাৰখন খুলি দি কলো "নাই একো হোৱা নাই অ' সপোন এটা দেখিছিলো।"

দুৱাৰ খোলাৰ লগে লগে মায়ে কোঠালৈ সোমাই আহি মোৰ মূৰে কপালে হাত বুলাই কলে "ইচ্ ৰাম ৰাম ! ভয় খালি নেকি ? ইমান জোৰেনো চিঞৰিব লাগেনে ? কি কি সপোননো দেখিছিলি ? যা যা মুখ হাতবোৰ ভালকৈ ধুই আহগৈ — পাঁচ বাজিবৰ হ'ল দেখা নাই।"

মাৰ কথামতে মুখ হাত বোৰ ধুই আহি বাৰান্দাতে ইফালে সিফালে পায়চাৰি কৰি ফুৰিলো। তেতিয়াও মনত ভয় ভয় ভাৱ আছিল। সপোনটোৰ কথাবোৰ এইবাৰ বিশ্লেষণ কৰি চাবলৈ ধৰিলো। ইতিমধ্যে মায়ে হাতত চাহ একাপ লৈ আহিল। মইয়ো বাৰান্দাতে থকা আৰামী চকী খনতে বহিলো। মোৰ হাতত চাহ কাপ দি মায়ে আৰম্ভ কৰিলে।

"কি সপোননো দেখিছিলি, ইমান জোৰে বাৰু চিঞৰিব লাগেনে ? সচাঁয়ে দেউতাৰে

মইয়ে বৰ ভয় খালো। পিছে, আজি তিনি চুকীয়ালৈ যোৱা কথা আছিল নহয় — যাবিনে নেযাৱ ? মাৰ কথাবোৰ মই মনে মনে শুনিহে আছিলো। একো উত্তৰ নিদিলো। মায়ে পুণৰ আৰম্ভ কৰিলে "বৰ জোৰ কৰি আছে মানুহ ঘৰে। যা, যা চাই আহগৈ ছোৱালীজনী।

"নাই নাই, মা, মই আৰু ছোৱালী টোৱালী চাবলৈ নেযাও আজি। আজিয়ে নহয় মানে এইজনী ছোৱালী চাবলৈ মই আৰু কোনো দিনেই নেযাও। দেউতাকো কৈ দিবা কথাটো।"

"কিন্তু দেউতাৰাই যে কথা দি থৈছে তই যাবই লাগিব-ডাঙৰ পোণা।"

"মই নেযাও মা। আজি সপোনটো দেখাৰ পৰা মোৰ বৰ ভয় ভয় লাগি আছে। চোৱা মা আগৰবাৰ যাবলৈ ওলাওতেও তুমি সেই সপোনটো দেখি মোক যাবলৈ মানা কৰিলা। মই নগলো। আজি আকৌ মই ..........নাই, নাই এইজনী ছোৱালীৰ লগত আৰু মোৰ বিয়া নহব।'

মায়ে এইবাৰ এটি হুমুনিয়াহ কাঢ়ি কলে "জানো পায় কিনো সপোন বোৰ দেখ আৰু। এৰা কি কৰিবি যাৰ যত তাৰ তত তোৰ লগত এইজনী ছোৱালীৰ বিয়া হব লগীয়া নাই কেনেকৈ হব ? কিন্তু দেউতাৰৰ অৱস্থা এতিয়া কি হব ? মানুহে জানো বিশ্বাস কৰিব সপোনেই যে বিয়াখন হোৱাত বাধা দিলে।

কথাষাৰ মইয়ো ভাৱি চালো। মানুহ বোৰে এতিয়া হয়তো মোৰ ভাগি যোৱা বিয়া খনক লৈ বহু কিবাকিবি গাই বাই ফুৰিব। সপোনেই যে মোৰ এই বিয়াখন ভাঙিলে কথাষাৰ কোনেও হয়তো বিশ্বাস নকৰিব॥



# প্ৰশ্নোত্তৰ → ?

[ প্ৰশ্ন কৰিছে আলোচনীৰ সম্পাদকে আৰু উত্তৰ দিছে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ প্ৰফুল্ল কুমাৰ ভূঁঞা দেৱে ]

? মহাবিদ্যালয় খন স্থাপন কৰাৰ ক্ষেত্ৰত আগভাগ লওঁতা ব্যক্তি সকল কোন ?

— মহাবিদ্যালয়খন প্ৰতিস্থা কৰাৰ ক্ষেত্ৰত আগভাগ লওঁতা ব্যক্তি সকল হল শ্ৰীতৰুণ চন্দ্ৰ গোস্বামী, প্ৰাক্তন বন সংমণ্ডল বিষয়া ডিগবৈ, শ্ৰীদ্বিজেশ চন্দ্ৰ দেৱশৰ্ম্মা, প্ৰাক্তন এম.এল.এ, ৺মেৰাজ হুছেইন, শ্ৰীকৃষ্ণ প্ৰসাদ বৰুৱা, শ্ৰীএচ.চি.দত্তৰয়, শ্ৰীগিৰিশ গোস্বামী ইত্যাদি ।

? মহাবিদ্যালয় খনৰ প্ৰথম শিক্ষা আৰম্ভণী বছৰটোত মুঠ ছাত্ৰ ছাত্ৰীৰ সংখ্যা কিমান আছিল ?

— প্ৰথম বছৰটোত ছাত্ৰ ছাত্ৰীৰ মুঠ সংখ্যা আছিল (নৈশ আৰু দিনৰ উভয়কে ধৰি) ২৩১ জন ।

? মহাবিদ্যালয়ৰ প্ৰথম অধ্যক্ষ জন কোন আছিল ?

— প্ৰথম অধ্যক্ষ আছিল শ্ৰীনৰেন চৌধুৰী ।

? আপুনি মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কেতিয়া কাৰ্য্যভাৰ গ্ৰহণ কৰে ? তেতিয়া মহাবিদ্যালয়ৰ মুঠ অধ্যাপক অধ্যাপিকাৰ সংখ্যা কিমান আছিল ?

— মই ৩।১।৬৭ তাৰিখে অধ্যক্ষ হিচাপে ডিগবৈ মহাবিদ্যালয়ত যোগদান কৰো আৰু তেতিয়া এই মহাবিদ্যালয়ত শিক্ষক শিক্ষয়িত্ৰীৰ সংখ্যা আছিল ২৬ গৰাকী ।

? মহাবিদ্যালয়ৰ প্ৰাক্ স্নাতক (কলা, বিজ্ঞান আৰু বাণিজ্যৰ) শেষান্ত পৰীক্ষাৰ উত্তীৰ্ণৰ শতকৰা হাৰ কিমান জনাবনে ?

— মহাবিদ্যালয়ৰ Record file ত এই বিলাক আগৰে পৰাই নিয়মিত হিচাপে উদ্ধৃত কৰি নৰখাৰ বাবেই তোমাৰ মই আটাই কেইবছৰৰ শতকৰা হাৰ জনাব নোৱাৰিলো । যি পাৰিছো তাকে তলত উল্লেখ কৰিছো ।

| শ্ৰেণী | চন | শতকৰা হাৰ | শ্ৰেণী | চন | শকতৰা হাৰ |
|---|---|---|---|---|---|
| কলা (প্ৰাক স্নাতক | ৬৯ | ৮০.৮% | বিজ্ঞান (প্ৰাক্ স্নাতক | ৭২/৭৩ | ৬২.৬% |
| কলা (স্নাতক) | ৬৯ | ৬৭ ১৪% | কলা (প্ৰাক্ স্নাতক) | ৭৪ | ৫৫ ৬৩% |
| বিজ্ঞান (প্ৰাক্ স্নাতক) | ৬৯ | ৬০% | কলা (প্ৰাক স্নাতক) | ৭৪ | ৫৯ ৮% |
| কলা (প্ৰাক্ স্নাতক) | ৭২/৭৩ | ৩৬ ২% | বিজ্ঞান (প্ৰাক স্নাতক) | ৭৪ | ৫৪.৯% |
| কলা (স্নাতক) | ৭২/৭৩ | ৫২ ৮% | বিজ্ঞান (স্নাতক) | ৭৩ | ৮৫ ৯% |
| | | | বাণিজ্য | ৭৭ | ৭৪.৬২% |

এতিয়া। মোৰ বাদে আন কোনেও সাঁতুৰিব বা ডুব মাৰিব নাজানে নেকি বাৰু ? অ' দৰ্জ্জাবোৰোতো বন্ধ হৈ আছে। এইবাৰ পলম নকৰি দৰ্জ্জা এখন খুলিবৰ বাবে পানীত ডুব মাৰিলো। দুই তিনিবাৰ মান ডুব মাৰি কোনোমতে পাছফালৰ দৰ্জ্জাখন খুলি বাহিৰলৈ ওলাই আহিলো। গাড়ীখনৰ ওপৰত উঠিলৈ ইফালে সিফালে চাই অসহায় ভাৱে দুটামান চিঞৰ মাৰিলো। কিন্তু কি হব। কোনে শুনিব মোৰ চিঞৰ। ওচৰত মানে চকুৰে মনিব পৰালৈকে মই কোনো মানুহ বা মানুহৰ ঘৰো নেদেখিলো। ততালিকে পানীত জাপদি আগফালৰ দৰ্জ্জা এখন খুলিবলৈ যত্ন কৰিলো। কিন্তু বহু চেষ্টা কৰিয়ো দৰ্জ্জাখন খুলিব নোৱাৰিলো। যিমান পাৰো মই চিঞৰিবলৈ ধৰিলো। ভয়ত মোৰ মাত হৰিল।

হঠাৎ কাৰোবাৰ মাত শুনি সাৰ পাই উঠিলো। ইফালে সিফালে চাই দেখো যে মই বিচনাতে আছো। ভয়ত বুকুখন ধক্ ধক্ কৈ কঁপিবলৈ ধৰিলে। হে ভগবান ইমান বেয়া সপোনবোৰনো দেখিব লাগেনে ?

ইতিমধ্যে মোৰ চিঞৰ শুনি ঘৰৰ সকলো উঠি আহিছিল। মোৰ কোঠাৰ দুৱাৰত টকিয়াই টকিয়াই দুৱাৰ খুলি দিবলৈ হুলস্থুল লগালে। মা দেউতাই চিঞৰিলে — "এই ডাঙৰ পোণা, কি হৈছে তোৰ। চাঁও দুৱাৰ খোল, দুৱাৰ খোল সোনকালে। "

"নাই নাই একো হোৱা নাই। যোৱা তোমালোক শুই থাকাগৈ।" মই বিচনাৰ পৰাই কলোঁ।

"একো হোৱা নাই ? তেন্তে কিয় চিঞৰিছিলি ইমান জোৰে ? খোল খোল দুৱাৰ খোল। এতিয়া আৰু শুবলৈ সময় নাই। ৰাতি পুৱাবৰ হ'ল।" মায়ে পুণৰ দুৱাৰত টকিয়াবলৈ ধৰিলে। উপাই নেপায় গৈ দুৱাৰখন খুলি দি কলো "নাই একো হোৱা নাই অ' সপোন এটা দেখিছিলো।"

দুৱাৰ খোলাৰ লগে লগে মায়ে কোঠালৈ সোমাই আহি মোৰ মূৰে কপালে হাত বুলাই কলে "ইচ্ ৰাম ৰাম ! ভয় খালি নেকি ? ইমান জোৰেনো চিঞৰিব লাগেনে ? কি কি সপোননো দেখিছিলি ? যা যা মুখ হাতবোৰ ভালকৈ ধূই আহগৈ — পাঁচ বাজিবৰ হ'ল দেখা নাই।"

মাৰ কথামতে মুখ হাত বোৰ ধূই আহি বাৰান্দাতে ইফালে সিফালে পায়চাৰি কৰি ফুৰিলো। তেতিয়াও মনত ভয় ভয় ভাব আছিল। সপোনটোৰ কথাবোৰ এইবাৰ বিশ্লেষণ কৰি চাবলৈ ধৰিলো। ইতিমধ্যে মায়ে হাতত চাহ একাপ লৈ আহিল। মইয়ো বাৰান্দাতে থকা আৰামী চকী খনতে বহিলো। মোৰ হাতত চাহ কাপ দি মায়ে আৰম্ভ কৰিলে।

"কি সপোননো দেখিছিলি, ইমান জোৰে বাৰু চিঞৰিব লাগেনে ? সচাঁয়ে দেউতাৰে

? অতি মাত্রা গৰমত ছাত্র ছাত্রী সকলে তৃষ্ণাতুৰ অৱস্থাত পানী বিচাৰি আপোনাক যেতিয়া আপত্তি দিয়ে আপোনাৰ সেই সময়ত কেনে লাগে ? এই সমস্যাৰ সমাধান কৰিব নোৱাৰে নেকি ?

— মহাবিদ্যালয়ৰ পানীৰ সমস্যাটো আমাৰ ক্ষুদ্ৰ ধনৰ টোপোলাৰে আজিকোপতি সমাধান কৰিব পৰা নাই । আন নেলাগে আই, অ, চি (এ, অ, ডি) য়েও তেওঁলোকৰ অফুৰন্ত ধনৰ টোপোলাৰেও এই সমস্যা সমাধান কৰিব পৰা নাই ! অৱশ্যে কিছু ধন খৰচ কৰি তেওঁ লোকে আমাক এটা পানীৰ টেপ দিছে । আমি এতিয়াও এই সমস্যা সমাধানৰ আশা এৰি দিয়া নাই । এই সমস্যাৰ সমাধান কিছুদিনতে হব বুলি আশা কৰা যায় ।

? বৰষুণৰ বতৰত ছাত্র ছাত্রীসকল শ্রেণীলৈ যাওঁতে পিছলি পৰি যেতিয়া লংপেণ্ট, মেখেলা চাদৰ আদি বোকাতে লুতুৰি পুতুৰি কৰি শ্রেণী নকৰাকৈ ঘৰলৈ ঘুৰি যায় । এই অৱস্থাত আপোনাৰ কেনে লাগে ? এই সামান্য সমস্যাটি সমাধান কৰাত মহাবিদ্যালয় কৰ্তৃপক্ষই মনোযোগ নিদিয়ে কিয় ?

— লংপেণ্ট, মেখেলা চাদৰ লুতুৰি পুতুৰি হোৱা অৱস্থাৰ আলি একালত আছিল, কিন্তু এতিয়া নাই । অৱশ্যে আলিটো আমি পকী কৰিব পৰা নাই ধনৰ অভাৱত । যোৱা ৩টা ছাত্র একতা সভা নিৰ্ব্বিকাৰ হোৱাও ইয়াৰ এটা কাৰণ । ছাত্র একতা সভাই বছৰি ৪৫,০০০ ( পঞ্চলিশ হাজাৰ ) টকাকৈ খৰচ কৰে, তাৰে কিছু ধন বছৰি ৰাহি কৰি মহাবিদ্যালয়ৰ আলিত লগোৱা হলেই আলিটো হয়তো পকী হৈ গলহেঁতেন । ৩ বছৰত আগৰ ছাত্র একতা সভাবিলাকে মহাবিদ্যায়লৈ কম বৰঙণি যোগোৱা নাই । ছাত্রৰ জিৰণি কোঠা, প্রেক্ষাগৃহৰ মঞ্চৰ অংশ, এটা মুদ্রা লিখন যন্ত্র আদি বিলাক ৩ বছৰৰ আগৰ ছাত্র একতা সভাবিলাকে মহাৰ্বিদ্যালয়ৰ উন্নতিত বহুত বৰঙণি যোগাইছিল । কিন্তু যোৱা ৩খন ছাত্র একতা সভাই ধন খৰচহে কৰিলে কোনো স্থায়ী চিন ৰাখি যাব নোৱাৰিলে ।

মহাবিদ্যালয়ৰ নিজা ৰবীয়াকৈ ধন থকা হলে আলিটো পকী নকৰাকৈ নাথাকিলে হেঁতেন ।

? ৰসায়ন আৰু উদ্ভিদ বিদ্যাৰ ব্যৱহাৰিক (Laboratory) শ্রেণীলৈ গৰমৰ দিনত কেতিয়াবা সোমাইছেনে ?

এজন ছাত্ৰ হিচাপে ব্যৱহাৰিক শ্ৰেণীত হোৱা গৰমক আপুনি কেনে অনুভৱ কৰিলেহেঁতেন ? বিকল্প ব্যৱস্থাৰ কথা কৰ্তৃপক্ষই নাভাৱে নেকি ?

— জীৱ বিদ্যা, ৰসায়ন বিভাগ, উদ্ভিদ বিদ্যা আৰু প্ৰাণী বিদ্যাৰ গৱেষণা গাৰ কেইটা টিনৰ চালি হোৱাত ৰদত বেচিকৈ গৰম হোৱাটো স্বাভাৱিক। তাকে আংশিক ৰূপে উপশমৰ কাৰণে বিজুলী পাংখাৰ ব্যৱস্থা কৰা হৈছে। ধনৰ অভাৱত একোটা সমস্যাই সেই ঘৰটোৰ উন্নতি সাধন কৰাত বাধা ৰূপে থিয় দিছে।

? চাৰ, শেষত আপোনাক আৰু এটি প্ৰশ্নৰ উত্তৰ বিচাৰি — সামৰোঁ। প্ৰশ্নটি হৈছে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই আপোনাৰ মহাবিদ্যালয় খনিক সুস্থ হিচাপে পৰিচালনা কৰাত ব্যাঘাত জন্মায় নেকি ? যদি তেনে কৰা নাই তেনে হলে ছাত্ৰ একতা সভাই আপোনাক কেনে ভাৱে সহায় আগ বঢ়াইছে ?

— তোমাৰ শেষৰ প্ৰশ্নটি শুনি মই বৰ ভাল পাইছো। মহাবিদ্যালয় ছাত্ৰ একতা সভাই মহাবিদ্যালয় খনি সুস্থ হিচাপে পৰিচালনা কৰাত বাধা দিয়া নাই যদিও কেতিয়াবা ভুল নেতৃত্বৰ বাবেই হওঁক বা আন কোনো অজানিতেই হওক আমাক বিমোহত নেপেলোৱাকৈ থকা নাই।

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাই মহাবিদ্যালয় খনিলৈ কৰা অশেষ কষ্ট স্বীকাৰ, মহাবিদ্যালয়ৰ বাবে কৰা শ্ৰদ্ধাযুক্ত সেৱাবিলাকৰ কথা মই নকৈ নোৱাৰিম তেওঁবিলাকে মহাবিদ্যালয়ৰ স্থাৱৰ সম্পত্তি, ধনৰ টোপোলা আদিৰ কথাও চিন্তা নকৰাকৈ থকা নাই আৰু মহাবিদ্যালয়ৰ যি কোনো ধৰণৰ বিশৃংখলাৰ সৃষ্টি হলে তেওঁলোকে ততাতৈয়াকৈ শৃংখলা কৰিবলৈ চেষ্টা কৰা একতাৰ মনোভাৱ দেখিলে মই ডিগবৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাক ধন্যবাদ নিদি নোৱাৰো।



# স্বদেশৰ
# ছবি

*** উদয় বৰুৱা, [ এম, এছচি ]
অধ্যাপক, প্ৰাণীবিদ্যা বিভাগ ।

কবিতা মোৰ নহয়
যন্ত্ৰনা কাতৰ দুখৰ মৰুত ক্ষণিক
সুখৰ ছাঁ

আন্ধাৰত হাত থৈ উমান ললো
দুখৰ ৰাতি কিমান অহমিকা ।

এয়েতো জীৱন মৰণৰ সতে য'ত
আত্মিক মিলন ।

এতিয়া অসহ্য নীৰৱতা
বৰ লুইতৰ পাৰ
মাথো শগুনৰ সভা বহে
মৃত্যুৰ কেচাঁ গোন্ধ বতাহত বিয়পে
কিবা যেন চঞ্চল ৰহস্যৰ আনে সংবাদ

ভাব হয় মই জীৱীত নে মৃত
হৃদয়ত বাজে স্বদেশী আত্মাৰ
করুণ বিননি
তেজৰ ডোঙাত জ্বলে
স্বদেশৰ ছবি ।

# বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদনসমূহ

## —ঃ ছাত্ৰসন্থাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ—

জয় জয়তে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষা গুৰু আৰু কৰ্ম্মচাৰীক মোৰ আন্তৰিক শ্ৰদ্ধা ও অভিনন্দন জ্ঞাপন কৰিলো। তদুপৰি ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীয়ে বিনা প্ৰতিদ্বন্দিতাৰে মোক ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাবে নিৰ্ব্বাচিত কৰাত সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জনালো।

ডিগবৈ মহাবিদ্যালয়ত বিভিন্ন জাতি-ধৰ্ম্ম সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে। মহাবিদ্যালয়ৰ মুঠ ছাত্ৰ-ছাত্ৰী প্ৰায় পোন্ধৰশ মান হব। ভিন ভিন জাতি ধৰ্ম্ম সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰী হলেও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কোনো জাতি বা সাম্প্ৰদায়িক বিদ্বেষ ভাব নাই। ই আমাৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বাবেই গৌৰৱৰ কথা। মহাবিদ্যালয়ত আমাৰ সকলোৰে পৰিচয় মাত্ৰ এটাই সেইয়া হৈছে আমি ছাত্ৰ। অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত ১৯৮২-৮৩ চনৰ বছৰটো এক উল্লেখযোগ্য বছৰ। সদৌ অসম ছাত্ৰ সন্থাই অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে আগবঢ়োৱা আন্দোলনৰ প্ৰত্যেকটো কাৰ্য্যসূচীত ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাই সক্ৰিয় সহযোগ আগবঢ়াই আহিছে। অবৈধ বিদেশীৰ ভোটাধিকাৰে ভাৰতৰ ৰাষ্ট্ৰীয় সন্মানত আঘাত হানিছে। ইয়ে অসমৰ জাতীয় অস্তিত্বও বিপন্ন কৰি তুলিছে। অস্তিত্ব ৰক্ষাৰ বাবে আন্দোলনত নামি পৰিবলৈ সংবিধানে আমাক, অসমবাসীক অধিকাৰ প্ৰদান কৰিছে। ছাত্ৰ-ছাত্ৰী সকল এই দিশত নীৰৱ দৰ্শক হৈ থকাটো অসম তথা সমগ্ৰ ৰাষ্ট্ৰৰ বাবেই ক্ষতিকৰ। দুৰ্ভাগ্যবশতঃ অসমৰ জনমতৰ বিপক্ষে গৈ কেন্দ্ৰীয় চৰকাৰৰ নামত গাদী দখল কৰি থকা সকলে বলপূৰ্ব্বক অসমত নিৰ্ব্বাচন জাপি দিলে। ফলস্বৰূপেই সংবিধানৰ মৰ্য্যদা ও অসমৰ জাতীয় অস্তিত্ব ৰক্ষা কৰিবলৈ

ওলাই অহা হাজাৰ হাজাৰ নিৰিহ লোক মৃত্যুমুখত পৰিব লগা হল। অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত ডিগবৈত বৰ্তমানলৈকে মুঠ তিনিজন লোক শ্বহীদ হৈছে। তাৰে এজন শ্বহীদ অঞ্জন বৰঠাকুৰ ডিগবৈ মহাবিদ্যালয়ৰ বাণিজ্য শাখাৰ প্ৰাকস্নাতক মহলাৰ ছাত্ৰ আছিল। ১৯৮৩ চনৰ ১৪ ফেব্ৰুৱাৰীৰ দিনা দিনৰ ১১-৩০ বজাত ডিগবৈ সমষ্টিত অবৈধ নিৰ্ব্বাচন বন্ধ কৰিবলৈ শ্বহীদ বৰঠাকুৰে ৰাইজৰ লগতে ইটাভাটাৰ ৰাজপথলৈ ওলাই আহি কেন্দ্ৰীয় আৰক্ষী বাহিনীৰ লোকৰ গুলিচালনাত মৃত্যু বৰণ কৰিব লগা হয়। শ্বহীদৰ আত্মাই শান্তি লাভ কৰক — এয়েই আমাৰ প্ৰাৰ্থনা। অস্তিত্বৰক্ষাৰ সংগ্ৰাম অব্যাহত থাকিব। এয়েই তেওঁলোকলৈ আমাৰ প্ৰতিশ্ৰুতি। শ্বহীদৰ পথেই আমাৰো পথ। অসমৰ ছাত্ৰসকলে কেৱল এতিয়াই নহয়, ১৯৬০ চনৰ পৰাই বৃহত্তৰ স্বাৰ্থৰ খাতিৰত বিভিন্ন সময়ত আন্দোলনত নামিবলৈ বাধ্য হৈছে। ১৯৬০ চনত ভাষা আন্দোলন, ১৯৭২ চনত মাধ্যম আন্দোলন, ১৯৭৪ চনত ২১ দফীয়া অৰ্থনৈতিক আন্দোলন, শোধনাগাৰ আন্দোলন ইত্যাদি। প্ৰত্যেকটো আন্দোলনতে অসম বাসীয়ে তেওঁলোকৰ বহুতো সন্তান শ্বহীদ হিচাবে হেৰুৱাব লগা হৈছে। এই মহান বীৰ শ্বহীদ সকলৰ স্মৃতিত ডিগবৈ মহাবিদ্যালয় ছাত্ৰসন্থাই এটি শ্বহীদ স্তম্ভ নিৰ্ম্মাণ কৰিবলৈ প্ৰস্তাব গ্ৰহণ কৰিছে। শ্বহীদ স্তম্ভ নিৰ্ম্মাণৰ কাম খুউব সোনকালেই আৰম্ভ কৰিব পৰা হব।

ডিগবৈ মহাবিদ্যালয়খন ১৯৬৫ চনত স্থাপিত। ডিগবৈ টাউনৰ পশ্চিম দিশে কেইবাটাও সৰু সৰু পাহাৰৰ ওপৰত এই মহাবিদ্যালয় খনক অসমৰ ভিতৰতে এখন সুন্দৰ মহাবিদ্যালয় হিচাবে সজাই তোলাৰ সুবিধা থাকিলেও উপযুক্ত পৰিকল্পনাৰ অভাৱত সেইয়া হৈ উঠা নাই। বিশেষকৈ মহাবিদ্যালয়খনৰ আজি কেইবাবছৰেও অসম্পূৰ্ণ হৈ পৰিথকা ছাত্ৰী নিবাস, যোৱাবছৰৰ পৰা অসম্পূৰ্ণ হৈ পৰি থকা অডিটৰিয়ামৰ মঞ্চত আদিয়ে স্বাভাৱিকতে ছাত্ৰ-ছাত্ৰী সকলৰ মহাবিদ্যালয় কৰ্তৃপক্ষৰ প্ৰতি থাকিব লগীয়া আস্থাৰ পৰিমাণ কমাই দিয়ে। বৰ্তমান মহাবিদ্যালয়ৰ পুথিভৰাঁলৰ বাবে নিৰ্ম্মাণ কৰা এটি আচুতিয়া ভৱনৰ কামো প্ৰায় সম্পূৰ্ণ হৈছেগৈ। এই পুথিভৰাঁলটো মুকলি কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰী সকলৰ এটা ডাঙৰ অভাৱ পুৰ হব। বিশেষকৈ নতুনকৈ নিৰ্ম্মাণ কৰা পুথিভৰাঁলটোৰ পঢ়া কোঠালীটোৱে ছাত্ৰ-ছাত্ৰীক অধ্যয়নৰ ক্ষেত্ৰত যথেষ্টখিনি সহায় কৰিব। মহাবিদ্যালয় খনত পানীৰ কোনো ভাল সুবিধা নথকাটোও এটা চিন্তাৰ বিষয়। বিজুলি চালিত পাম্প

এটা মহাবিদ্যালয়ত পানী যোগানৰ বাবে আনি থোৱা হৈছে যদিও অধিক টকাৰ অভাৱত ব্যৱহাৰ নোহোৱাকৈ পৰি আছে। ডিগবৈ মহাবিদ্যালয় ছাত্রসন্থাৰ যোৱাবছৰৰ কাৰ্য্যনিৰ্বাহক সভাই পানী যোগানৰ ভাল সুবিধাৰ বাবে প্রস্তাৱ এটা গ্রহণ কৰিছিল যদিও দুৰ্ভাগ্যবশতঃ সেইয়া কাৰ্য্যকৰী কৰিব নোৱাৰিলে। মহাবিদ্যালয়ৰ কতৃপক্ষই ছাত্র-ছাত্ৰী সকলৰ সুবিধাৰ বাবে পানী যোগানৰ স্থায়ী ব্যৱস্থা সোনকালেই কৰিব বুলি আশা ৰাখিলোঁ। মহাবিদ্যালয় বিজ্ঞান বিষয়ৰ পৰীক্ষা নীৰিক্ষণৰ ঘৰ কেইটিও আজিলৈকে পকী কৰিব নোৱাৰাটো অত্যন্ত দুখৰ বিষয়।

ডিগবৈ মহাবিদ্যালয় ছাত্রসন্থাই প্রতি বছৰে প্রতি ছাত্র একতা সভাই মহাবিদ্যালয় খনৰ উন্নয়নৰ বাবে যথেষ্ট কাম কৰি গৈছে। বিভিন্ন সময়ত মহাবিদ্যালয় খনৰ উন্নয়নৰ বাবে লোৱা প্রস্তাৱো নানাধৰণৰ অসুবিধাৰ বাবে কাৰ্য্যকৰী কৰিব পৰাতো সম্ভৱ হৈ উঠা নাই। পুঁজিৰ অভাৱে ইয়াৰ এটা প্রধান কাৰণ। অৱশ্যে সকলো সময়তে পুঁজি কমহোৱাতো প্রধান কাৰণ বুলি ভাবিলে ভুল হব। এইক্ষেত্ৰত ছাত্ৰ ছাত্ৰী সকলৰ এক-নিষ্ঠতা উৎসাহ ত্যাগ আৰু সচেতনতাই অসম্ভৱ যেন লগা বহুতো কামো সম্ভৱ কৰি তুলিব পাৰে। এই সকলো বিলাক অসম্পূৰ্ণ হৈ পৰি থকা কাম আৰু মহাবিদ্যালয়ৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰত্যাহবান হিচাবে দেখা দিয়া আন আন সমস্যাসমূহ আচনিবদ্ধভাৱে সমাধান কৰিব পাৰিলে ডিগবৈ মহাবিদ্যালয়খন এখন লেখত লবলগীয়া মহাবিদ্যালয় হৈ পৰিব। ডিগবৈ মহাবিদ্যালয়ৰ অনুপযুক্তহৈ পৰি থকা আজিলৈকে মহাবিদ্যালয় সপ্তাহত খেল ধেমালীৰ বাবে ব্যৱহাৰ নকৰা খেলপথাৰ খন এই বছৰেই প্ৰথম খেল ধেমালীৰ বাবে উপযুক্ত কৰি তোলা হয় আৰু মহাবিদ্যালয় সপ্তাহৰ খেল ধেমালী সমূহ এইবছৰ এই খেল পথাৰতেই হৈ যায়। ইয়াৰ আগতে প্রতিবছৰে মহাবিদ্যালয় সপ্তাহৰ খেল ধেমালীৰ বাবে ওচৰৰ তেলবিভাগৰ খেল পথাৰলৈ ঢাপলি মেলিব লগা হৈছিল। এইক্ষেত্ৰত খেল বিভাগৰ সম্পাদক শ্ৰীটিপুকান্ত হাজৰীকাৰ অৱদান আমি নিশ্চয় স্বীকাৰ কৰিব লাগিব। এই বছৰ মহাবিদ্যাল সপ্তাহৰ কাৰ্য্যসূচী ৭ ডিচেম্বৰ তাৰিখে পুৱা ৭-৩০ বজাত মহাবিদ্যালয়ৰ নিজা পতাকা উত্তোলনৰে আৰম্ভ হয়, আৰু ১৩ ডিচেম্বৰৰ দিনা আকৰ্ষণীয় সাংস্কৃতিক সন্ধিয়াৰে মহাবিদ্যালয় সপ্তাহৰ সামৰণি পৰে। দুভাগ্যবশতঃ যোৱাবছৰতকৈ এইবছৰ ডিগবৈ মহাবিদ্যালয় ছাত্রসন্থাৰ বছেৰেকীয়া পুঁজিত কেইবাহাজাৰ টকা কম জমা হয় গতিকে এইবছৰ মহাবিদ্যালয় ছাত্ৰসন্থাৰ বিভিন্ন বিভাগীয় সম্পাদকে খুউব কম টকাহে বছৰটোৰ বিভাগীয় কাম সমূহৰ বাবে পায়। বিভাগীয় সম্পাদক

সকলৈ এইবাৰেই খেল ধেমালী আৰু অন্যান্য কাম কাজসমূহ যথেষ্ট আগ্ৰহেৰে আৰু আগ-ভাঁকেও ভালকৈ কৰিবলৈ চেষ্টা কৰিলেও বহুতো ক্ষেত্ৰত থমকি ৰব লগা হৈছে। এইবাৰ মহাবিদ্যালয় সপ্তাহৰ খেল ধেমালীৰ এটা বিশেষ আকৰ্ষণ হৈছিল মুষ্টিযুদ্ধৰ (Boxing) প্ৰতিযোগিতা। মুষ্টি যুদ্ধৰ প্ৰতিযোগিতা ডিগবৈ মহাবিদ্যালয়ত এইবছৰেই প্ৰথম। শৰীৰ চৰ্চা বিভাগৰ সম্পাদক শ্ৰীকৃষ্ণ ডেকাৰ এই ক্ষেত্ৰত থকা উৎসাহৰ বাবেই এই প্ৰতিযোগিতা সম্ভৱপৰ হৈ উঠিল বুলি কব লাগিব। মুষ্টি যুদ্ধৰ প্ৰতিযোগিতাৰ প্ৰতি সকলোৰে দেখুওৱা আগ্ৰহ মন কৰিবলগীয়া। সমগ্ৰ বিশ্বতে মুষ্টি যুদ্ধৰ খেলৰ যথেষ্ট জনপ্ৰীয়তা আছে। অসমত এই খেলৰ জনপ্ৰীয়তা থাকিলেও উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা ও প্ৰতিযোগিতাৰ সুবিধা আছে বুলি কব নোৱাৰি। যি কি নহওঁক ডিগবৈ মহাবিদ্যালয়ত এই প্ৰতিযোগিতাই যে যথেষ্ট সংখ্যক মুষ্টি যুজাঁৰুৰ সৃষ্টি কৰিব ই ধুৰূপ। মুষ্টি যুদ্ধৰ প্ৰতিযোগিতা আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতাতো অন্তৰ্ভূক্ত কৰিবৰ বাবে ইতিমধ্যে প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। ডিগবৈ মহাবিদ্যালয়ৰ মুষ্টি যুদ্ধৰ প্ৰতি আগ্ৰহী ছাত্ৰ খেলুৱৈ সকলে উপযুক্ত প্ৰশিক্ষকৰ তলত ভালদৰে অভ্যাস কৰিলে আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতাৰ উপৰিও ৰাজ্যিক ভিত্তত হৈ থকা খেলসমূহতো নিশ্চয় নাম কৰিব পাৰিব।

মহাবিদ্যালয় সপ্তাহৰ শেষৰ দিনা বটা বিতৰণী সভা হৈ যায়। বটা বিতৰণী সভাত যোৰহাটৰ শ্ৰী যুত অভয়ানন্দ দুৱৰাই বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকি বটা বিতৰণ কৰে।

ডিগবৈ মহাবিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ উন্নয়নৰ বাবে মই বিশেষ কিবা এটা কৰিব পাৰিছোঁ বুলি নাভাবোঁ। কিন্তু এই নভবাৰ মাজতো যদি কিবা এটা ভাল কাম কৰিব পাৰিছো তেন্তে সেইয়া ডিগবৈ মহাবিদ্যালয়ৰ ছাত্ৰ বন্ধু বান্ধৱী সকলৰ মৰম ও সহযোগৰ বাবেই সম্ভৱ হৈছে বুলি মই ভাবোঁ।

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সম্পাদকৰ বাবটো চলাই নিয়াত মোক কেইবাজনো ছাত্ৰ বন্ধু, অধ্যাপকে সহায় সহযোগ আৰু মূল্যবান দিহা পৰামৰ্শ আগবঢ়ালে। তেখেত সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ডিগবৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি হওঁক। ডিগবৈ ও অসমৰ বিভিন্ন ঠাইৰ পৰা এই মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ অহা ছাত্ৰ ছাত্ৰীৰ উজ্বল ভৱিষ্যত এই মহাবিদ্যালয়ে গঢ়ি তোলক। অসমক উন্নতিৰ পথত আগুৱাই নি বিশ্বৰ দৰবাৰত এক বিশিষ্ট আসন লাভ কৰাত এই মহাবিদ্যালয়ে বিশেষ ভূমিকা লওঁক — এই কামনাৰে।

**জয় আই অসম**

ছাত্ৰ ঐক্য দীঘজীৱি হওঁক।

শ্ৰীদেৱজীৎ বৰুৱা

# ❋ লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ❋

মোৰ প্ৰতিবেদনৰ পাতনিতে আস্তিত্ব ৰক্ষাৰ আন্দোলনত যি সকল বীৰে প্ৰাণ আহুতি দিলে সেই বীৰ শ্বহীদ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো। লগতে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীয়ে মোক এই বিভাগৰ সম্পাদক ৰূপে নিৰ্ব্বাচিত কৰি সেৱা আগবঢ়াবলৈ সুবিধা কণ দিয়াৰ বাবে সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনালো।

অসমৰ পৰা "বিদেশী বহিস্কাৰ" আন্দোলন চলি থকাৰ মাজতে আমাৰ (১৯৮২ / ৮৩ চন) মহাবিদ্যালয় সপ্তাহ পালন কৰিব লগা হয়। মোৰ গৌণ ক্ৰীয়া বিভাগত ক্ৰমে টেবুল টেনিচ বেডমিণ্টন আৰু ভলীবল প্ৰতিযোগিতা আয়োজিত হৈছিল। এই সকলোবোৰ খেলতে আশানুৰূপ প্ৰতিযোগীয়ে যোগদান কৰি তেওঁলোকৰ নিজ নিজ প্ৰতিভাৰ পৰিচয় দিছিল। কিন্তু টেবুল টেনিচত এইবাৰ কোনো ছোৱালী প্ৰতিযোগীয়ে যোগদান নকৰিলে। বেডমিণ্টন প্ৰতিযোগিতাত, ক্ৰমে প্ৰনৱ বড়া, ছম্পা সন্দিকৈ আৰু টেবুল টেনিচত ক্ৰমে ৰাজাৰ বৰঠাকুৰ, চঞ্চল চক্ৰৱৰ্ত্তী খেল সচাঁকৈয়ে উচ্চমানদণ্ডৰ আছিল। ঠিক সেইদৰে ভলীবল খেলতো **P. D. Com.** দলটোৱে জয়ীহৈ বঁটা অৰ্জন কৰে। মই এই প্ৰতিবেদনতে সমূহ প্ৰতিযোগী তথা অংশগ্ৰহণকাৰীলৈ আন্তৰিক শুভকামনা জ্ঞাপন কৰিলো আৰু লগতে আশা ৰাখিছো ভবিষ্যতে এইসকল প্ৰতিযোগীয়ে তেখেতসকলৰ প্ৰতিভাসমূহ আধিক উন্নত কৰি তুলিব।

এইবাৰ (১৯৮২-৮৩) **N. E. R.** ৰ যি বেডমিণ্টন প্ৰতিযোগিতা শিলচৰৰ গুৰুচৰণ কলেজত অনুষ্ঠিত হৈছিল তাৰ পৰা আমাৰ কলেজলৈও নিমন্ত্ৰণ আহিছিল কিন্তু চলিত আন্দোলনৰ বাবে আমি সেই খেলত যোগদিয়াৰ পৰা বিৰত থাকিব লগা হল।

"মহাবিদ্যালয় সপ্তাহত" বিভিন্ন প্ৰতিযোগিতা সমূহ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত মোৰ বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত মহেন্দ্ৰ ভৰালীচাৰৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰলো। মোৰ অন্যান্য কাৰ্য্যৰ সম্পাদনৰ ক্ষেত্ৰত মোৰ বন্ধুবৰ্গ ক্ৰমে শ্ৰীগুণ গগৈ শ্ৰীপ্ৰদীপ বুঢ়াগোহাই শ্ৰীদুল দত্ত শ্ৰী মৃদুল বৰুৱা আৰু লগতে মৰমৰ ভাইটি কমললৈ মোৰ হিয়াভৰা মৰম আৰু ধন্যবাদ আগবঢ়ালো।

সদৌ শেষত মোৰ কাৰ্য্যকালচোৱাত নানান দোষ ত্ৰুটী হৈ যাব পাৰে তাৰ বাবে মই শিক্ষাগুৰু আৰু সকলো ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিলো লগতে ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা দীৰ্ঘায়ু কামনাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

— ধন্যবাদ —

শ্ৰীগুনীন গগৈ

সম্পাদক, গৌণ ক্ৰীয়া বিভাগ

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই যি সকল ছাত্ৰ ছাত্ৰীয়ে অতি মৰম স্নেহেৰে ১৯৮২-৮৩ চনৰ সাংস্কৃতিক সম্পাদকৰ পদৰ বাবে তেখেত সকলৰ বহুমূলীয়া ভোটেৰে মোক নিৰ্ব্বাচিত কৰিলে, সেই সকল ছাত্ৰ ছাত্ৰী লৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো ।

মোৰ কাৰ্য্যভাৰ আৰম্ভ হয় আমাৰ অষ্টাদশ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ সমাৰোহেৰে । এই মহাবিদ্যালয় সপ্তাহ মোৰ বিভাগৰ প্ৰতিযোগিতা হিচাপে পতা হৈছিল । অসমীয়া, ইংৰাজী, হিন্দী বঙালী আৰু নেপালী ভাষাৰ চুটি গল্প, কবিতা আৰু তৎকালিক ৰচনা প্ৰতিযোগিতা । ছাত্ৰ ছাত্ৰী সকলৰ উৎসাহিত মন আৰু সক্ৰিয় ভাৱে সহাৰি পোৱাৰ বাবে প্ৰতিযোগিতা সমূহ কৃতকাৰ্য্যতাৰে সম্পন্ন হৈছিল । ইয়াৰ উপৰিও অভিনয় প্ৰতিযোগিতা পতা হৈছিল । ইয়াত প্ৰায় কেইবাখনো উচ্চমান বিশিষ্ট একাঙ্কিকা নাটকৰ অভিনয়েৰে প্ৰতিযোগিতাখনি সুকলমে অনুষ্ঠিত হৈ যায় ।

মোৰ কাৰ্য্যকালৰ ভিতৰত আমি বহুতো প্ৰতিযোগীয়ে ৯/১/৮৩ তাৰিখৰ পৰা শিৱসাগৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় সংগীত আৰু নাটক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ গৈছিলো । তাত অংশ গ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী প্ৰতিযোগীয়ে যি এক পাৰ্গতালি দেখুৱালে তাৰ বাবে সঁচাই মই গৌৰৱ অনুভৱ কৰিছো ।

শেষত মোৰ কাৰ্য্য সমূহ সুচাৰুৰূপে পৰিচালনা আৰু বিভিন্ন দিশত দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে ভাৰ প্ৰাপ্ত অধ্যাপক শ্ৰীযুত সমৰেন্দ্ৰ ভাগৱতী, অধ্যাপক শ্ৰীযুত হিতেন শৰ্ম্মা, অধ্যাপক ৰফিক হুছেইন আদি শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো । বছৰটোত মোক বিভিন্ন দিশত সহায় কৰাৰ বাবে সকলো ছাত্ৰ ছাত্ৰী বিশেষকৈ যি সকলৰ নাম মই উল্লেখ নকৰাকৈ থাকিব নোৱাৰো সেই সকল শ্ৰীভোলা কাকতী, শ্ৰীঅঞ্জন কাকতী, শ্ৰীঅক্ষয় বৰুৱা, শ্ৰীমুক্তালাল বৰকাকতী, শ্ৰীৰঞ্জিত কোঁৱৰ, আৰু মহমদ মিৰ্জা চাহক মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো ।

সদৌ শেষত মোৰ কাৰ্য্যকালত জানি বা নাজানি হোৱা সকলো দোষৰ বাবে সমূহ শিক্ষা গুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছো । মহাবিদ্যালয় তথা মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দীৰ্ঘায়ু কামনা কৰি সামৰিলো ।

॥ জয় আই অসম ॥

শ্ৰীতুলসী বৰা
সাংস্কৃতিক সম্পাদক

# ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাৰম্ভণীতেই ডিগবৈ মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্ত্তা তথা ছাত্ৰ ছাত্ৰী সকললৈ, মোক এই গুৰুভাৰ অৰ্পণ কৰি সেৱা আগ বঢ়াবলৈ সুবিধা দিয়াৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতেই আমাৰ মহাবিদ্যালয়ৰ প্ৰতিভা বিকাশ সমাৰোহ আয়োজন কৰা হয়। এই সমাৰোহত মোৰ ভাগত ভিতৰুৱা ক্ৰিয়া ( Ind oor Game ) সমূহ পৰিচালনাৰ ভাৰ পৰিছিল। এইবাৰৰ প্ৰতিযোগিতা সমূহত অন্যান্য বছৰতকৈ বহু সংখ্যক ছাত্ৰ ছাত্ৰীয়ে যোগদান কৰিছিল। ই মোৰ বাবে সঁচাই গৌৰৱৰ বিষয়।

এই প্ৰতিযোগিতা সমূহত বিভিন্ন দিশত দিহা পৰামৰ্শ দিয়া তথা সু াৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত অধ্যাপক তৰুণ হাজৰিকা আৰু অধ্যাপক স্বদেশ সহায় ৰায় চৌধুৰী দেৱৰ অৱদানৰ বাবে মই তেখেতসকলৰ ওচৰত চিৰকৃতজ্ঞ। তদুপৰি, ছাত্ৰ বন্ধু ৰূপে ইকবাল হুচেইন, প্ৰদীপ সিং, প্ৰদীপ হাজৰিকা, তুলসী বৰা, ৰাণা বৰা ইত্যাদিয়ে আগবঢ়োৱা সহায় সহযোগৰ বাবে তেওঁলোকৰ ওচৰতো চিৰ কৃতজ্ঞ।

এতিয়া আহেঁ৷ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক স্বৰূপে সমূহীয়া সুবিধাবোৰলৈ। সেয়া হৈছে ছাত্ৰ জিৰণি কোঠাৰ অৱস্থা পূৰ্ব্বতকৈ কিছু উন্নতি হল যদিও বৰ্ত্তমানে বহুবোৰ অসুবিধা আমাৰ ছাত্ৰ সকলে উপলব্ধি কৰিছে। তাৰ ভিতৰত প্ৰধানকৈ ইয়াৰ চৌহদ মুকলি হোৱাৰ বাবে গৰু ছাগলী সোমাই গোহালিত পৰিণত হোৱা পৰিলক্ষিত হৈছে। আৰু বহাৰ উপযুক্ত সা সুবিধা সমূহৰ অভাৱ। জিৰণি কোঠাৰ বিকাশ অনুকূলে তাক কতৃপক্ষই বিবেচনা কৰি চাই উপৰোক্ত অভাব সমূহ দূৰ কৰিবলৈ চেষ্টা কৰিব বুলি আশা ৰাখিলো।

মোৰ এই কাৰ্য্যকাল (১৯৮২-৮৩) ছোৱাত মই সেৱা আগবঢ়োৱাত কিমান দূৰ কৃতকাৰ্য্যতা লভিছো কব নোৱাৰো; তাৰ বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰত অৰ্পণ কৰিলো। ইয়াৰ মাজতো যদি অজ্ঞাত ভাবে শিক্ষা গুৰু তথা ছাত্ৰ ছাত্ৰী সকলৰ ওচৰত কিবা দোষ ত্ৰুটী হৈছিল তাৰ বাবে সমূহ শিক্ষক, কৰ্ম্মকৰ্ত্তা তথা শিক্ষাৰ্থী সকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

সদৌ শেষত ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থা তথা মহাবিদ্যালয়ৰ দীৰ্ঘায়ু ও সকলো প্ৰকাৰ উন্নতি কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মৰিলো। ধন্যবাদ—

শ্ৰীপ্ৰভাত চন্দ্ৰ শইকীয়া
সম্পাদক [ ছাত্ৰ জিৰণি কোঠা ]

# ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদন লিখিবলৈ লৈ বিপদত পৰা যেনহে অকমান হৈছে। প্ৰতিবেদনত, কাৰ্য্যকাল ছোৱাৰ সম্পাদিকা হিচাপে মহাবিদ্যালয় ছাত্ৰী জিৰণি কোঠাত মই যে কিবা সেৱা আগবঢ়াইছিলো- তাক ব্যাখ্যা সহ প্ৰকাশ কৰিবলৈ 'নাই' বুলি কলেও হয়তো ভুল নহয়। তথাপি মহাবিদ্যালয় সপ্তাহত কেৰেম, চেচ্, লুদু, চাইনিচ্ চেকাৰ আদিৰ প্ৰতিযোগিতা পতা হৈছিল। ১২´ফুট বৰ্গকাৰ ৮´ ফুট উচ্চতাৰ কোঠাটোৰ মাজত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত ছাত্ৰী সকলে ঠাইৰ অভাৱত বৰ কষ্টেৰে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা আৰু উপভোগ কৰাৰ কথা মনত পৰিলে বেয়াহে লাগে। মহাবিদ্যালয়ত ছোৱালীৰ সংখ্যাৰ অনুপাতে জিৰণি কোঠাটো অতি সৰু। অভাৱ অভিযোগ বিলাক মোৰ আগৰ সম্পাদিকা সকলৰ দৃষ্টিগোচৰ তথা বহুবাৰ আপত্তি কৰা স্বত্বেও আজিলৈকে মহাবিদ্যালয় কতৃপক্ষই এই অভাৱবিলাক দূৰ নকৰাৰ কাৰণ বিচাৰি এবছৰেও উত্তৰ নাপালো। সেয়েহে আজি দুঃখেৰে প্ৰতিবেদনতেই প্ৰকাশ কৰিছো। জিৰণি কোঠাত এখন নিয়মীয়া কাকত আজিকোপতি দিয়া নেদেখিলো। বেঞ্চ ডেস্কৰ সংখ্যা সীমিত ও ঠাইৰ অভাৱৰ বাবে বেছিভাগ ছাত্ৰীয়েই জিৰণি কোঠাত আহি জিৰণি লোৱাৰ পৰা বঞ্চিত হৈ আছে।

মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন কাৰ্যসূচীত সহায় আগবঢ়োৱা বন্ধু সৰ্বশ্ৰী ৰাজেন সিং, পুণ্যেশ্বৰ, বিশ্বজিত, ইমৰাণ, বান্ধৱী অমলা, দিপালী, অজন্তা, বিজিতা, দিপ্তী আৰু জ্যোতিক প্ৰতিবেদনৰ যোগেৰেই ধন্যবাদ জ্ঞাপন কৰিছো।

নিভা মহন্ত
সম্পাদিকা ছাত্ৰী জিৰণি কোঠা

× ❋ × ❋ ×

# সাধাৰণ খেল বিভাগ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভনিতে ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু - বান্ধৱী সকলক মোৰ আন্তৰিক চেনেহ আৰু ধন্যবাদ জ্ঞাপন কৰিছো। ১৯৮২-৮৩ চনৰ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ খেল বিভাগত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে প্ৰতিদ্বন্দ্বিতাৰে নিৰ্ব্বাচিত কৰি তেওঁলোকক সেৱা কৰাৰ যি সুবিধা মোক দিলে তাৰ বাবে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

মোৰ কাৰ্য্যকালৰ পাতনি মেলিব লগা হৈছিল ১৯৮২ চনৰ ৭।১২।৮২ তাৰিখৰ পৰা ১৩।১২।৮২ তাৰিখলৈকে অনুষ্ঠিত হোৱা মহাবিদ্যালয় "প্ৰতিভা বিকাশ সমাৰোহেৰে"। এই উপলক্ষে

পোন প্ৰথম বাৰৰ বাবে মহাবিদ্যালয়ৰ নিজা খেল পথাৰত ৭।১২।৮৩ তাৰিখৰ পৰা ৯।১২।৮৩ তাৰিখলৈকে এই তিনিদিনীয়া কাৰ্যসূচীৰে সাধাৰণ খেল-ধেমালি সমূহ আয়োজন কৰিছিলো। প্ৰথম দিনা খেলৰ আৰম্ভণিতেই ডিগবৈ আই, অ, চি লৰা হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীযুত বিপিন বৰঠাকুৰ দেৱে মহাবিদ্যালয়ৰ পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণ কৰি যি সহায় সহযোগ আগবঢ়ালে তাৰ বাবে তেখেতলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এই বছৰ আন কেইবছৰৰ দৰে আনৰ খেল পথাৰৰ ওপৰত নিৰ্ভৰ নকৰি মহাবিদ্যালয়ৰ নিজা খেল পথাৰখন অতি কম সময়ৰ ভিতৰতে খেলৰ উপযোগী কৰি লব লগীয়া হোৱাত খেল পথাৰখন সম্পূৰ্ণৰূপে খেলৰ উপযোগী কৰি তুলিব নোৱাৰিলো। ফলস্বৰূপে আন কেইবছৰৰ তুলনাত প্ৰতিযোগীৰ সংখ্যা বহুতো কম। যি কেইজন ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি আনন্দ দিলে তেখেত সকলৰ কাৰণে মই মোৰ শুভেচ্ছা জ্ঞাপন কৰিলো। তাৰোপৰি খেল ধেমালি খেলাবৰ বাবে প্ৰয়োজনীয় সা-সৰঞ্জাম মহাবিদ্যালয়ত নথকাত আন আন বিদ্যালয়ত বিচাৰিব লগীয়া হোৱাত নিজকে অপমান বোধ কৰিছিলো। যিহেতু ডিগবৈ নগৰত এখনি মহা-বিদ্যালয় থকা অৱস্থাতো এই মহাবিদ্যালয়ে আন আন বিদ্যালয়ত বস্তু বিচৰাতো মহাবিদ্যালয়ৰ বাবে অতিশয় দুখৰ বিষয়। গতিকে মহাবিদ্যালয়ৰ কতৃপক্ষক অনুৰোধ কৰিছো যাতে প্ৰতিবছৰে আনৰ ওপৰত নিৰ্ভৰ নকৰি মহাবিদ্যালয়ৰ খেল পথাৰখন সৰ্ব্বতো প্ৰকাৰে উন্নত কৰি আৰু লগতে খেলৰ সা-সৰঞ্জাম সমূহ যোগান ধৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক খেলাধূলা কৰিবৰ বাবে সুবিধা কৰি দিয়ে।

শেষত মোৰ বিভাগটো সুচাৰুৰূপে পৰিচালনা কৰা আৰু দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত স্বদেশ সহায় ৰায়চৌধুৰী, অধ্যাপক শ্ৰীযুত গিয়াচুদ্দিন আহমেদ, অধ্যাপক শ্ৰীযুত মহেন্দ্ৰ ভৰালী বৰুৱা, অধ্যাপক শ্ৰীযুত অমৃত ডেকা, অধ্যাপক শ্ৰীযুত সমৰেন্দ্ৰ ভাগৱতী, অধ্যাপক শ্ৰীযুত হিতেন শৰ্ম্মা আৰু অধ্যাপক শ্ৰীযুত বিকাশ বৰুৱাকে ধৰি এখেত সকললৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ ওপৰিও মোক আৰু মোৰ কাৰ্য্য সম্পাদনাৰ প্ৰতিটো খোজত মোৰ বন্ধু শ্ৰীৰঞ্জিত বৰগোঁহাই, শ্ৰীবীৰেশ ভূঞা, শ্ৰীচন্দন শৰ্ম্মা, শ্ৰীৰুবুল শইকীয়া আৰু শ্ৰীদেৱশ্ৰী বড়াই সি সহায় আগবঢ়ালে তাৰ বাবে তেওঁলোকলৈ মোৰ হিয়া ভৰা মৰম আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

সৰ্ব্বশেষত মোৰ কাৰ্য্যকাল ছোৱাত অজানিতে হোৱা দোষ ত্ৰুটীৰ বাবে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু ছাত্ৰছাত্ৰীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা জনাই আৰু মহাবিদ্যালয় দীৰ্ঘায়ু কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

শ্ৰীটিপু কান্ত হাজৰীকা
সম্পাদক, সাধাৰণ খেল বিভাগ

# শৰীৰ চৰ্চ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

শৰীৰ চৰ্চ্চা বিভাগৰ সম্পাদক হিচাপে পৰিচিত কৰি মহাবিদ্যালয়ত শৰীৰ চৰ্চ্চাৰ ওপৰত সেৱা কৰিবলৈ দিয়া মহান সুবিধাখনৰ বিনিময়ত বন্ধু-বান্ধৱী সকলোকে এটি ধন্যবাদৰ বাদে আন দিবলৈ মোৰ একো নাই ।

"স্বাস্থ্যই মানুহৰ মূল সম্পদ ।" বহুতো পণ্ডিতে মন্তব্য কৰে । জাতত সিংহ বনৰ ৰজা হলেও নিগনীৰ হাতত এদিন পৰাজয় হোৱাৰ কথা আমি সকলোৱে জানো । বুদ্ধি শৰীৰ চৰ্চ্চাৰ এটি অপৰিহাৰ্য্য অঙ্গ । প্ৰতিজন ব্যক্তিয়েই সুন্দৰ চেহেৰাৰ কথা চিন্তা কৰে । কিন্তু সুন্দৰ সুঠাম চেহেৰাৰ বাবে প্ৰচেষ্টা কৰা ব্যক্তিৰ সংখ্যা কিমান ? পৃথিৱীৰ আন সকলো দেশৰ নাগৰিকৰ তুলনাত ভাৰতৰ লোক সকল এইদিশত কম মনোগ্ৰাহী । চৰকাৰেও ইয়াৰ গুৰুত্বৰ পৰিধিৰ জোখ নাজানে সম্ভৱ।

অসমৰ বিভিন্ন ঠাইৰ তুলনাত ডিগবৈ যুৱক যুৱতী সকল এইদিশত কিছু হলেও আগবঢ়া বুলি আমি নিঃসন্দেহে কব পাৰো । ডিগবৈ মহাবিদ্যালয়ত শৰীৰ চৰ্চ্চা প্ৰেমী ছাত্ৰ - ছাত্ৰীৰ সংখ্যা দেখি মই মনে মনে গৌৰৱিত হৈছিলো । বেয়া লাগিছিল তেতিয়া যেতিয়া প্ৰয়োজনীয় সা-সামগ্ৰী সমূহ মই তেওঁলোকক জোগাৰ কৰি দিব পৰা নাছিলো ।

প্ৰতিবেদন নহয় ঠিক এসপ্তাহৰ ডায়েৰিহে মই লিখিছো । কাৰণ মোৰ কাৰ্য্যভাৰ গোটেই বছৰটো থাকিলেও মহাবিদ্যালয় সপ্তাহতে মোৰ কাৰ্য্যকাল আৰম্ভ আৰু সামৰণি পৰে বুলি কব পাৰি । ৭।১২।৮৩ তাৰিখৰ পৰা আৰম্ভ হোৱা মহাবিদ্যালয় সপ্তাহত Arm - Wrestling, Weight lifting, Power lifting, Body building, আৰু Boxing আদিৰ প্ৰতিযোগিতা পতা হয় । সকলো বিষয়তে পাকৈত প্ৰতিদ্বন্দ্বীসকলে তুমুল প্ৰতিদ্বন্দিতাৰে প্ৰতিযোগিতাৰ মানদণ্ড গাম্ভীৰ্য্যপূৰ্ণ কৰিছিল । বিশেষকৈ মুকলি পথাৰত হোৱা Boxing প্ৰতিযোগিতাই দিয়া আনন্দ আজিও আমাৰ অন্তৰত ৰেখাপাত হৈ আছে । এই ক্ষেত্ৰত অভিজ্ঞ ব্যক্তি I. O. C. Ltd. (A O D) Fire Service Department ৰ শ্ৰীযুত নাথ, আৰু শ্ৰীযুত উমেশ ৰাজবংশী, শ্ৰীযুত ফজলুৰ ৰহমান, দিবাকৰ ফুকন আদিৰ সহায় আছিল অসীম ।

মহাবিদ্যালয়ৰ উপৰিও ডিব্ৰুগড় আন্তঃ কলেজত কেইজনমান খেলুৱৈয়ে যোগদান কৰি সুনাম অৰ্জ্জন কৰে । প্ৰতিবেদনৰ যোগেদিয়েই শৰীৰ চৰ্চ্চা প্ৰেমী বন্ধু-বান্ধৱ সকলক অনুৰোধ

জনাওঁ যেন তেওঁলোকে শৰীৰ চৰ্চ্চাত অধিক আগ্ৰহী হৈ নিজৰ তথা দেশৰ সুনাম অৰ্জন কৰাৰ উপৰিও পঞ্চইন্দ্ৰিয়ৰ মানৱীয় দেহটোক সতেজ কৰি ৰখাত যত্ন লয়।

যাৱতীয় দ্ৰব্য সামগ্ৰী সংগ্ৰহ আৰু বিভিন্ন দিশত সহায় আগবঢ়োৱা বন্ধু শ্ৰীনৰেন্দ্ৰ কুমাৰ হাজৰিকা আৰু ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত আহমেদ চাৰৰ ওচৰত মই চিৰকৃতজ্ঞ। শৰীৰ চৰ্চ্চা প্ৰেমী প্ৰতিযোগী সকললৈ প্ৰীতি ও শুভেচ্ছা জনাই প্ৰতিবেদনৰ ওৰ পেলালো —। "জয় আই অসম।"

**শ্ৰীকৃষ্ণ ডেকা**
সম্পাদক, শৰীৰ চৰ্চ্চা বিভাগ

## মুখ্য খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ শুভ আৰম্ভণিতেই মই ডিগবৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে বিনা-প্ৰতিদ্বন্দ্বিতাৰে এই বিভাগৰ সম্পাদক হিচাপে মোক নিৰ্ব্বাচিত কৰি যি চেনেহ দেখুৱালে সেইবাবে সকলো ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ আগবঢ়ালো।

মোৰ কাৰ্য্যভাৰ আৰম্ভ হয় আমাৰ মহাবিদ্যালয় সপ্তাহৰ পৰা। বহুতো প্ৰতিযোগীয়ে যোৱা মহাবিদ্যালয়ৰ খেলত অংশ গ্ৰহণ কৰিছিল। মোৰ বিভাগত দুখন ক্ৰিকেট খেল অনুষ্ঠিত হৈছিল। বতৰ অনুকূল হোৱাৰ বাবে প্ৰতিযোগিতা সমূহ বিশেষ উৎসাহ উদ্দীপনাৰ মাজেদি I O C Boys High School খেল পথাৰত সম্পাদিত হৈছিল আৰু দুয়োখন খেল অতি উপভোগ্য হৈছিল। ছাত্ৰ-ছাত্ৰীৰ পৰা আশানুৰূপ সহাৰিও পাইছিলো।

মোৰ অধীনৰ এখন খেল প্ৰাক্ বিশ্ববিদ্যালয় বিজ্ঞান বিভাগ আৰু স্নাতক বিজ্ঞান বিভাগৰ মাজত হয় আৰু এই খেলত প্ৰাক্ বিশ্ববিদ্যালয় বিজ্ঞান বিভাগ জয়ী হয়।

মোৰ অধীনৰ আনখন খেল প্ৰাক্ বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগ বনাম প্ৰাক্‌বিশ্ববিদ্যালয় বিজ্ঞান বিভাগ। খেলত প্ৰাক্‌বিশ্ববিদ্যালয় বাণিজ্য বিভাগ জয়ী হয়।

মোক সৰ্ব্বতো প্ৰকাৰে বিভিন্ন দিহা পৰামৰ্শ দি সহায় কৰাৰ বাবে অধ্যাপক শ্ৰীযুত অমৃত ডেকাৰ ওচৰত মই বিশেষ ভাবে কৃতজ্ঞ। প্ৰতিযোগিতা পৰিচালনা কৰা আৰু আন আন ক্ষেত্ৰত সহায় কৰা মোৰ বন্ধু বান্ধৱীৰ ভিতৰত সৰ্ব্বশ্ৰী প্ৰদীপ হাজৰীকা, অৰূপ, প্ৰদীপ, দিগন্ত, পবিত্ৰ, পাপু, জগদীশ, মিৰমমতাজ। বান্ধৱী চেমিমা, ৰিণা, মাধুৰী শান্তনা, প্ৰতিভা, নাজমা, প্ৰীতি, নিভালৈ মোৰ শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোৰ বিভাগৰ, প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা সকলো খেলুৱৈলৈ মোৰ অশেষ শুভেচ্ছা আৰু ভৱিষ্যতে অধিক উন্নতি কামনা কৰিলো।

সৰ্ব্বশেষত মোৰ কাৰ্য্য সম্পাদনাত অজানিতে হোৱা দোষ-ত্ৰুটীৰ বাবে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু তথা ছাত্ৰ ছাত্ৰীৰ ওচৰত ক্ষমা মাগিছো। মহাবিদ্যালয় আৰু মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দীৰ্ঘায়ু আৰু উত্তৰোত্তৰ উন্নতি কামনা কৰি ইয়াতেই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয় আই অসম"

**মঃ আবু কালাম মুহিবুল ইচলাম**
সম্পাদক, মুখ্য খেল বিভাগ।

# ডিগবৈ মহাবিদ্যালয় আলোচনী
## সম্পাদনা সমিতি ঃ ১৯৮২—৮৩



বহি (বাওঁফালৰ পৰা) ঃ নৰেন্দ্ৰনাথ হাজৰিকা, সম্পাদক, অধ্যক্ষ ডঃ প্ৰফুল্ল কুমাৰ ভূঞা, অধ্যাপক উপেন্দ্ৰজিৎ কোঁৱৰ, অধ্যাপক মোহিনী কুমাৰ বৰদলৈ।

থিয়হৈ ( „ ) ঃ চৈয়দ মীৰ মমতাজ হুছেইন, নীভা মহন্ত, ভৰত নেওগ ।

ফটোত অনুপস্থিত ঃ অধ্যাপক তৰুণ চন্দ্ৰ হাজৰিকা।

# মহাবিদ্যালয়ৰ কৃতী ছাত্ৰ ১৯৮৩ চন



১৯৮৩ চনৰ প্ৰাক বিশ্ববিদ্যালয়ৰ (বিজ্ঞান)
পৰীক্ষাত ২য় স্থান অধিকাৰ কৰা
শ্ৰীৰুদ্ৰকান্ত শৰ্ম্মা



১৯৮৩ চনৰ প্ৰাক বিশ্ববিদ্যালয়ৰ (বিজ্ঞান)
পৰীক্ষাত ৭ম স্থান অধিকাৰ কৰা
শ্ৰীঅতনু বৰকটকী

# ডিগবৈ মহাবিদ্যালয় ছাত্র সন্থাৰ কাৰ্য্যকৰী সমিতি, ১৯৮২—৮৩

বহি ( বাওঁফালৰ পৰা ) ঃ (সৰ্ব্বশ্ৰী) দেৱজিৎ বৰুৱা (সাধাৰণ সম্পাদক), অধ্যাপক স্বদেশ সহায় ৰায়চৌধুৰী, অধক্ষ্য ডঃ প্ৰফুল্ল কুমাৰ ভূঞা, অধ্যাপক সমৰেন্দ্ৰ ভাগৱতী, দিগন্ত শইকীয়া (ছাত্ৰ উপসভাপতি)

থিয়হৈ ১ম শাৰী ( ” ) ঃ (সৰ্ব্বশ্ৰী) ৰূপা বৰুৱা (সহকাৰী সাধাৰণ সম্পাদিকা), গুণীন গগৈ (সম্পাদক, লঘু খেল বিভাগ, কৃষ্ণ ডেকা (সম্পাদক, শৰীৰ চৰ্চ্চা বিভাগ, ৰুবুল শইকীয়া (শ্ৰেণী প্ৰতিনিধি), তুলসী বৰা (সম্পাদক সাংস্কৃতিক বিভাগ), ৰাজেন্দ্ৰ সিংহ (সম্পাদক, সমাজ সেৱা বিভাগ) নীভা মহন্ত (সম্পাদিকা, ছাত্ৰীৰ জিৰণি কোঠা)

থিয়হৈ ২য় শাৰী ( ” ) ঃ (সৰ্ব্বশ্ৰী) ননীগোপাল সিংহ (শ্ৰেণী প্ৰতিনিধি); ভৰত নেওগ (শ্ৰেণী প্ৰতিনিধি) টিপুকান্ত হাজৰিকা (সম্পাদক, সাধাৰণ খেল ধেমালী বিভাগ)।

ফটোত অনুপস্থিত থকা সদস্যসকল ঃ (সৰ্ব্বশ্ৰী) অধ্যাপক তৰুণ চন্দ্ৰ হাজৰিকা; অধ্যাপক উপেন্দ্ৰজিৎ কোঁৱৰ; অধ্যাপক অমৃত ডেকা; অধ্যাপক গোলাপ কলিতা; অধ্যাপক গিয়াচুদ্দিন আহমদ; অধ্যাপক মহেন্দ্ৰ ভৰালী বৰুৱা; অধ্যাপক নন্দ কুমাৰ দে; অধ্যাপক মোহিনী কুমাৰ বৰদলৈ; প্ৰভাত বৰা; নৰেন্দ্ৰ কুমাৰ হাজৰিকা; আবু কালাম মহিবুল ইছলাম হাজৰিকা; ৰাণু বৰুৱা।



# মহাবিদ্যালয় সপ্তাহ ১৯৮২—৮৩ চন





শ্ৰেষ্ঠা গায়িকা — শ্ৰীমতী শিখা দেৱী

দেৱজিৎ বৰুৱা আৰু কৃষ্ণবিক্ৰম ৰাণা





শ্ৰীমতী ৰত্না সিংহ       শ্ৰীমতী অৰ্চ্চনা বৰগোহাই

ছোৱালী শাখাৰ শ্ৰেষ্ঠা খেলুৱৈ

# ENGLISH SECTION

DIGBOI COLLEGE

# In This Issue

Principal Dr. P.K. Bhuyan.
Sri Clement Barla
Sri Pradip Dutta
Prof. Sri S.K. Kar
Sri Janardan Das
Prof. Sri Panthaibi Singh
Prof. Sri Anu Gagoi

# IMPLICATION OF GANDHIAN THOUGHT

Dr. P. K. BHUYAN,
M.A. (Double), Ph D LLB.
Principal, DIGBOI COLLEGE.

Gandhian thought is immensely deep and plentiful of implications. So a small sized article on it merely makes Gandhian thought more complicated and leaves the writer and the readers in the whirlpool of his thought and philosophy, i. e., in an endless sea of thought, which are very much interlinked and to be frank greatly confusing.

Gandhiji's first thought and principle is that " Truth is God ". Sometimes Gandhiji used the two words God and Truth synonymously. It was for this reason, he names his autobiography, 'My Experiments With Truth'. In Gandhiji's own words, " one thing took deep root in me—the conviction that morality is the basis of things and that truth is the substance of morality. Truth became my sole objective. It began to grow in magnitude every day, and my definition of it also has been ever-widening[1]. " Gandhiji considers himself ' a humble searcher after Truth '.

Gandhiji's own definitions of truth are far from clear. In his own words, " What is truth ? A difficult question, but I have solved it for myself by saying that it is what the voice within tells you". Here Gandhiji means by truth what we mean by conscience in general parlance. By truth Gandhiji meant the Absolute Truth, the Eternal principle, that is God The love of all creatures is thus a part of this Truth Numerous other principles are implied in this truth. Gandhiji's concept of truth implies such things like factual truth, truthful speech, honesty, the resolute carrying out of vows, promises and plans and the ultimate reality. His faith in truth never wavered.

Non-violence or Ahimsa for Gandhiji was a principle second in importance only to truth. Sometimes non-violence appears to transcend truth. In his own words. " Non-violence is the first article of my faith. It is also the last article of my creed. [2]" Now, non-violence may

1. Gandhiji's Autobiography, I X, 2, Young India, 23rd March, 1922, P166.

be non-violence to man, non-violence to animal, non-violence to enemy, Absolute non-violence and what not. In the Absolute sense of non violence, the man can walk only after carefully observing that no insect is killed by his footstep. He also cannot eat anything which would lead to killing of the alive germ or seed in his eatables. Gandhiji's non-violence differs from the orthodox Indian concept of Ahimsa or non-violence. To him, non-violence is not a negative term, but a positive term and can serve as a very effective political weapon. Non-violence does not mean running away from a violent situation, or turning a blind eye to cruelty or oppression. Where there is choice between cowardice and violence, Mahatma Gandhi would prefer violence[3]. For non-violence is not mere passive resistance. He is further of opinion that those who sincerely believe that violence is right, they are morally justified in using force. So Gandhiji's non-violence means merely doing as little injury to living beings as possible. He wants that the enemies should be loved. He also wants that to resist evil, one should allow oneself to suffer injury and yet protest against the evil. In this connection, Gandhiji often refers to the cases of Jesus, Daniel, Socrates and sometimes Prahlada Thus Gandhiji's Ahimsa or non-violence is not that ascetic non-violence, but the one that is commonly practised and that one which can be used as a political weapon to win a right cause. It was with this weapon of non-violence, he won independence for India from the British. Frankly speaking, and to digress a little the British Government of India was a very civilised and reasonable Government, which could realise, understand and give due weight to the weapon of non-violence But it may be boldly asserted that other governments than the British including, I fear, the Indian, will care little a movement launched in a non-violent manner.

Thirdly, Gandhiji's very favourite method of launching a movement through Satyagraha requires a thorough discussion. The doctrine of Satyagraha directs a conscientious man to vindicate the cause of truth and freedom against all tyranny valiantly facing a world of torture and in a non-violent manner. To Gandhiji, the State is a soul-less machine. Gandhiji's Satyagraha is different from passive resistance. By Satyagraha Gandhiji implies both truth (Satya) and firmness (Agraha). In his own words, "I do not like the term passive resistance: it fails to convey all I mean. It describes a method, but gives no hint of the system of which it is only a part. Real Beauty,

3. Young India, August 1920, P3.

and that is my aim, is in doing good against evil. " Satyagraha has the soul-force, which passive resistance has not. Soul force is not intended to cause suffering to others, as its misuse injures the users, but not those against whom it is used. Like virtue, it is its own reward Gandhiji finds out five differences between Satyagraha and passive resistance.

Gandhiji regarded Satyagraha as a banyan tree with innumerable branches. Civil disobedience, non-violent, non-co-operation, etc. are its various branches or methods of operation. By the very definition of Satyagraha the Satyagrahi is to convert rather than coerce his opponents. The Satyagrahi's first duty is to rouse public opinion on the right cause and the eradication of the evil, he aims at, must first be published widely among the public so that a correct public opinion is formulated: He has to practise Satyagraha for the eradication of that evil. In his immortal words, " Suffering is the law of human beings : war is the law of the jungle. But suffering is infinitely more powerful than the law of the jungle for converting the opponent and opening his ears, which are otherwise shut to the voice of reason ...... if you want something really important to be done, you must not merely satisfy the reason, you must move the heart also. The appeal of reason is more to the head,[4] but the penetration of the heart comes from suffering. It opens up the inner understanding of man. Suffering is the badge of the human race, not the sword " The Satyagrahi should exhaust all other means to eradicate the evil and when he fails to do so by all these means he can and should resort to Satyagraha. In Satyagraha the cause as well as the means has to be made just and clear. Inspite of writing so many things about Satyagraha, Gandhiji admits that his knowledge of Satyagraha gets on growing. It is a science and he groped on the various appeals of this science to the end of his life. Satyagraha has two basic principles ... adherence to truth and insistence upon it by self-suffering. Gandhiji regarded Satyagraha as a universally acceptable mode of action. To quote him again, " Satyagraha is a process of educating public opinion, such that it covers all the elements of society and in the end, makes itself irresitable. Violence interupts the process and prolongs the real revolution of the whole structure[5]. " Thus the implications of Satyagraha are (1) there can be no Satyagraha in an unjust cause; (2) Satyagraha by definition excludes the use of violence; (3) Satyagraha puppose tolerance : (4) Satyagraha presupposes the capacity and willingness to suffer ; (5) Discipline is obligatory ;

4. India's case for Swaraj, yeshanand & Co., 1932, P369;

5. Hindu, March, 1946;

(6) Satyagraha requires the unobtrusive humility of the Satyagrahis ; (7) Satyagraha cannot be resorted to for personal gain, but for good of others ; and (8) Satyagraha requires a capital in the shape of character. Stayagraha will be unsuccessful without all these characteristics. So Gandhiji never counts on the number of Satyagrahis, but only on the quality of the Satyagrahis. Thus Satyagraha tentamonuts to " rebellion without the elements of violence in it[6] "

Gandhiji's thoughts are so wide and so prolonged, for being a life-long process, on talks or essays can give us even a bird's eye-view of his thought, set aside the question of throwing some light on the implications of his throught. So, as I openly admitted at the beginning that, I shall be able to lend my readers only to confusion rather than clarity, I fear, I close here being possibly confused myself.

6. Young India, Nov, 1921.

Broadcast by A.I.R. Dibrugarh in a mildly altered form

Performance of once duty should be independent of public opinion.

—Mahatma Gandhi.

# "Shall I be accepted"

**Clement Barla**
D. C. 1st Year (Arts)

As Mangra entered the college gate the bell rang. The students begun to go into the class rooms. The college yard was almost empty in a few seconds. Mangra hurried to reach the notice board to look for the room number in which their class will be held. He found it. It was room No. 6 Now he had the problem of searching the room for he was a new comer in this college and he did not know anything about the college He approached a man whom he knew to be a chawkidar when he came to get admission. The chawkidar told him. It was in the first floor. As he went through the carridors he noticed that every one was looking at him when he passed by them. He felt a little embarrased but he went on. He found the room in which the lecturer was writting something on the black board.

" May I come in ? " Mangra asked with a little hasitation.

All the students turned round to see the new comer. The lecturer too looked at him for a while, then said " Yes come in "

Mangra stepped ahead to a vacant bench and set down.

" What is your roll number ? " asked the lecturer.

" Fourteen " Sir.

The lecturer searched through the list and said. " Mangra Munda. Is that your name ? "

" Yes Sir"

" Ok, sit down. " The lecturer said. Mangra saw that all the students were still looking at him. Some gossip had already begun. Mangra knew the cause. He did not give any attention to them. He concentrated on the lecture.

With a medium height, a stout body, his hair a bit curly and two sparkling eyes, Mangra was dark in appearance. He hailed from a tea garden in Barhapjan. He belonged to an Adivasi Munda family. He has just passed the H. S. L. C examination from a high school near the tea garden. As there was no college in their home town. So he joined Kanoi college in Dibrugarh. He did not get seat in the college hostel. So he was staying in a rented house about a k. m. from the college. He knew that he will have to face many difficulties to accommodete himself to the college He had heard many instances of such things from many students who studied before him. There might be only two or three students belonging to his tribe in the college with whom he could mix up easily. But with others it might take a long time.

First and second periods were over very soon. The third period was off. Mangra came out of the class room and stood in the sun shine. Barely had he stood there for five minutes then some boys approched him and asked him to accompany them. He accompanied them unwillingly. They took him to a room and made him stand infront of them.

" What is your name ? " asked one of them.

" My name is Mangra Munda " He answered calmly.

" Which caste do you belong to ? "

" I am an Adivasi and I belong to Munda tribe. "

" Are you a labour boy, aren't you ? " asked another student.

" Yes, I am. But that isn't a tribe or caste.

" Why not ? " said the third student. " You are a Labourer's son and so you must be a labour by caste "

" No " said Mangra firmly.

" Why not ? " So saying the bov slaped him on the face.

" Mangra begun to tremble with anger His teeth clenched hard and he was about to punch the boy with his fist when a professor appeared at the door.

" What is going on ? " the professor asked.

" Nothing Sir " the boys said scattering from there slowly.

" Why are you crowed there for ? " the professor shouted.

" No one said anything. Some of them were already gone out of the room. Mangra also went out the room his first still clenched. He went to a lonely corner and stood there gazing at the sky. He almost thought to go away from the college. But his spirit argued him to stay for he had come to study in the college. He attended all the remaining classes.

When the classes were over he wanted to get away quickly from the college. And in an instant he was in the road. Then he heard some one calling from behind. He did not stop. But in a few seconds some boys reached him and were patting him on the shoulder. They were the same boys who had bullied him. He clendched his fist in anger.

" Mangra, please listen. We have come to make friendship with you " Said one of them.

" Let us forget and forgive what happencd among us. " Said the second boy.

" Please don't mind what has happened. We will be very happy to get a friend like you. " Said the third boy patting him on the shoulder.

" Come on, don't be worried, " Said the first boy with a smile.

Mangra looked at them for a while and then he smiled at them heartily.

" Let us have a cup of tea each for this happy occasion. " the third boy said as he led them to a nearby hotel.

Mangra felt his steps very light as he walked with them into the hotel. His face brightened up onec again as before. His thought ' Shall I be accepted ' was no more in his mind.

## My Dream

**Pradip Dutta**
Degree 2nd Year (Commerce)

Leave me, leave me,
Oh ! miracle hopes,
Let me live alone
with peace.
Neither I want to climb
on the peak of mountain,
Nor try to reach on the
top of towers.
I, all along like to stay aloof
with my pleasurous mind,
In the field of tremendous struggle
of life.

# PROBLEMS OF ATMOSPHERIC POLLUTION

**Prof. S. K. Kar**
DEPT. OF CHEMISTRY

The growth of human civilization in general, and urbanization and industrialisation in particular, have already changed and are changing the atmosphere and climate of the world. It is our primary duty to see whether such a change has really happened and what should be done to detect and remedy such changes.

It is difficult to say whether these changes are entirely due to man's activities or natural causes have themselves contributed to them. The extent to which present and future human activities have or can have significant effects on climate is still uncertain because of gaps in our knowledge of the magnitude of man-made changes and of their reversibility.

Human activities that can have an influence on climate may be classified into the following broad categories.

1. Modification of land surface :— It is observed that agricultural and animal grazing practices have resulted in changes of climate over some regions of the earth like parts of Africa and Southwest Asia where grazing by domestic animals has reduced some areas to semi-deserts. Dense forests of the mountainous areas of Furope and the Eastern united States have been cut down to convert them into cultivable or grazing land. It is estimated that about 20% of the total area of the continents has been drastically changed, with a consequent change in the heat and water budget of the over-lying atmosphere. In arid and semi arid areas, the growing demand for water for irrigation has reduced the ground water reserves. Human manipulation of the surface waters of the earth by building dams, creating lakes, draining Swamps and diverting rivers affects the atmosphere. The fraction of solar radiation reflected back into the atmosphere by water bodies

is less than that by land surfaces. Artificial lakes therefore alter the heat balance of the atmosphere. Water bodies have a much greater heat capacity than land surfaces and add more water vapour to the over lying air column. Diversions of river waters to convert arid or semi-arid areas into irrigated farmland also affeets the atmosphere, since more than 75% of irrigated water finds its way to the atmosphere through evaporation. It has been estimated that roads cover about one percent of the land area. The radia ion characteristics of road surfaces are quite different from those of cultivated lrnds and as much their effect on the radiation balance may not be insignificant. Weather modification experiments such as the seeding of clouds for rain-making or to change the course of hurricanes are presently being carried out in some parts of the world. They may chare existing patterns of rainfall and snowfall.

